● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

জীৱনটো এখন পৰ্বত। আপোনাৰ লক্ষ্য হৈছে নিজৰ পথ বিচাৰি উলিওৱাহে, শিখৰত উপনীত হোৱাটো নহয়।

মেক্সিম লিগাচে
*কানাডাৰ আইচ হকী খেলুৱৈ*



www.dainikagradoot.in

৭ ব্ৰিটেইনত গভীৰ সংকটত লেবাৰ পাৰ্টি
১৫ দক্ষিণ আফ্ৰিকাৰ বিপক্ষে ইনিংছ পৰাজয় ইংলণ্ডৰ
৪ ধৰ্ম আৰু ৰাজনীতিৰ নিচাই মানৱতাক নিঃশেষ কৰিব নেকি?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩১০তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৩ ভাদ ১৪২৯ ভাস্কৰাব্দ ২০ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 20 August 2022 মূল্য ঃ ৯.০০ টকা

■ প্ৰশাসনিক সংস্কাৰৰ বাবে একাধিক সিদ্ধান্ত কেবিনেটত ■ মৃত চৰকাৰী কৰ্মচাৰীৰ পৰিয়াললৈ তাৎক্ষণিক বিত্তীয় সহায়ৰ ব্যৱস্থা ■ নাথাকিব মণ্ডল, এতিয়াৰ পৰা নতুন নাম ভূমি ৰেকৰ্ড সহায়ক

# সেউজ শক্তি উৎপাদনৰ বিশেষ লক্ষ্য

■ চৰকাৰী চিকিৎসালয় মহাবিদ্যালয়ৰ ফেকাল্টিৰ অৱসৰৰ বয়স ৬৫ৰ পৰা ৭০লৈ বৃদ্ধি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ আগষ্ট ঃ** ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন অসম চৰকাৰৰ কেবিনেটে আজি প্ৰশাসনীয় সংস্কাৰ আৰু উন্নয়নমূলক কাম-কাজ সম্পৰ্কীয় একাধিক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্য চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি কেবিনেটৰ সিদ্ধান্তসমূহ সদৰী কৰি কয় যে ৰাজ্যৰ ভূমি অভিলেখ্য কৰ্মচাৰীসকলৰ ক্ষেত্ৰত নতুন সেৱা বিধি গ্ৰহণত আজি অসম কেবিনেটে অনুমোদন জনায়। আজি গ্ৰহণ কৰা এই সিদ্ধান্ত অনুসৰি ৰাজ্যত এতিয়াৰে পৰা নাথাকে কোনো মণ্ডল। অৰ্থাৎ মণ্ডল পদৰ নাম



সিদ্ধান্ত সলনি লৈছে ৰাজ্য চৰকাৰৰ কেবিনেটে। এই মৰ্মে এতিয়াৰে পৰা মণ্ডলৰ সলনি এই পদৰ নতুন নাম হ'ব লেণ্ড ৰেকৰ্ড এছিছটেণ্ট (এল আৰ এ)। তদুপৰি এতিয়াৰে পৰা আন জিলালৈ বদলি হ'ব মণ্ডল। এখন জিলাত তেওঁলোকে অধিকতম পাঁচ বছৰ কাৰ্যনিৰ্বাহ কৰিব পাৰিব। পাঁচ বছৰ পাছত তেওঁলোকৰ বদলি হ'ব বুলি উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই কয় যে এয়া এক বৃহৎ প্ৰশাসনিক সংস্কাৰৰ পদক্ষেপ। তেওঁ আৰু কয় যে নতুনকৈ চাকৰি লাভ কৰা সকলৰ লগতে বৰ্তমানে থকা মণ্ডলৰ পদৰ নাম হ'ব লেণ্ড ৰেকৰ্ড *আঠ পৃষ্ঠাত চাওক*



*জন্মাষ্টমীত শ্ৰীকৃষ্ণৰ ৰূপত কেইটিমান শিশু, মহানগৰীত শুকুৰবাৰে।*



*বিলাসী বাহনসহ অন্যান্য সামগ্ৰীৰে ধৃত দুই এটিএম প্ৰৱঞ্চক।*

## মহানগৰীত পিষ্টলধাৰী দুই এটিএম প্ৰৱঞ্চক ধৃত

বয়স্ক লোকক সহায়ৰ হাত আগবঢ়াই এটিএম সলনি কৰি ধন লুট

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ আগষ্ট ঃ** বয়স্ক লোকক লক্ষ্য কৰি এটিএম কাৰ্ড সলনিৰে ধন লুট কৰি অহা এটা প্ৰৱঞ্চক চক্ৰ আৰক্ষীৰ জালত পৰে। বামুণীমৈদামৰ ৰেল বিভাগৰ এজন অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ পৰা চক্ৰটোৱে ২৫ লাখ টকা লুট কৰি নিয়াৰ পাছতে গীতানগৰ আৰক্ষীয়ে চক্ৰটোক উৎখাত কৰিবলৈ সক্ষম *১০ পৃষ্ঠাত চাওক*

■ চৰকাৰী আঁচনিৰ কোটি কোটি হিতাধিকাৰী আৰু বুথ সদস্য ভৰসা ■ বিজেপিৰ লক্ষ্য ক্ষুদ্ৰ জাতি-জনগোষ্ঠী আৰু সম্প্ৰদায় ■ ৰাজ্যৰ ১৪টা লোকসভা সমষ্টিয়ে দখলৰ পৰিকল্পনা

## অসমত বিৰোধীৰ ভোট বিভাজনৰ কৌশল

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ আগষ্ট ঃ** সমগ্ৰ দেশতে থকা কোটি কোটি চৰকাৰী আঁচনিৰ হিতাধিকাৰীক সাক্ষাৎ আৰু প্ৰতিখন ৰাজ্যতে থকা প্ৰতিটো বুথ কমিটীক শক্তিশালী কৰি তোলাৰ সিদ্ধান্তৰে কেন্দ্ৰত শাসনাধিষ্ঠিত বিজেপিয়ে আৰম্ভ কৰিলে পৰৱৰ্তী ২০২৪ৰ লোকসভা নিৰ্বাচনৰ প্ৰস্তুতি। দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো পৰৱৰ্তী লোকসভা নিৰ্বাচনত মুঠ ১৪ খন আসন দখল কৰাৰ লক্ষ্যৰে বিজেপিয়ে গ্ৰহণ কৰিছে এক দীৰ্ঘস্থায়ী ৰণকৌশল। সম্প্ৰতি বিজেপিৰ দখলত থকা নখন লোকসভা আসনৰ পৰা পৰৱৰ্তী নিৰ্বাচনত ১৪ খন



আসনে দখল কৰিবলৈ বিজেপিয়ে কৌশলগতভাৱে বিৰোধী ৰাজনৈতিক দলৰো সহায় লোৱাৰ পৰিকল্পনা যুগুতাইছে। লক্ষ্যণীয় যে পৰৱৰ্তী লোকসভা নিৰ্বাচনত কেন্দ্ৰত শাসনাধিষ্ঠিত দলটোৱে পূৰ্বৰ নিৰ্বাচনসমূহৰ দৰে হিন্দুত্বৰ ৰাজনীতিৰ পৰিৱৰ্তে বিভিন্ন সম্প্ৰদায় আৰু তৃণমূল পৰ্যায়ৰ পৰা বিভিন্ন জাতি-জনগোষ্ঠীক লক্ষ্য কৰি লৈছে। বিজেপিৰ এক শীৰ্ষ সূত্ৰই সদৰী কৰা তথ্য মতে, পৰৱৰ্তী লোকসভা নিৰ্বাচনৰ জৰিয়তে দেশৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী পদলৈ প্ৰক্ষেপ কৰা হ'ব নৰেন্দ্ৰ মোদীক। মোদীয়ে তেওঁৰ পথ পুনৰবাৰ প্ৰশস্ত কৰাৰ বাবে নিজেই যুগুতাই *১০ পৃষ্ঠাত চাওক*

■ বিদ্যালয়ত মেজ-চকী-ফেন-খোৱাপানীৰ ফিল্টাৰ আদি যোগানৰ বাবে পৰিচিত দাতা-পৃষ্ঠপোষকসকলক অনুপ্ৰাণিত কৰিবলৈ আহ্বান

## 'পুঁজিৰ অভাৱ' ঃ বিধায়কলৈ পত্ৰ প্ৰেৰণ কৰিও প্ৰত্যাহাৰ শিক্ষামন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ আগষ্ট ঃ** চৰকাৰী বিদ্যালয়সমূহত প্ৰয়োজনীয় সুবিধাসমূহ প্ৰদানৰ বাবে চৰকাৰৰ হাতত নাই পৰ্যাপ্ত পুঁজি। পুঁজিৰ অভাৱত চৰকাৰী বিদ্যালয়সমূহত বৈদ্যুতিক পাংখা, চকী-মেজ, খোৱাপানীৰ ফিল্টাৰ আদি প্ৰয়োজনীয় সামগ্ৰীসমূহ যোগান ধৰিব পৰা নাই। সেই বাবে বিদ্যালয়সমূহত এনেবোৰ সামগ্ৰী ৰাইজৰ পৰা দান-বৰঙণি আকাৰে সংগ্ৰহ কৰিবলৈ ৰাজ্যৰ শাসক-বিৰোধী উভয় পক্ষৰে সমূহ বিধায়কলৈ



শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰেৰণ কৰা এখন পত্ৰক কেন্দ্ৰ কৰি আজি দিছপুৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত শিক্ষামন্ত্ৰী পেগুৱে আজি তেওঁৰ পূৰ্বৰ বক্তব্যৰ পৰা ওলোটা খৰ মাৰি ৰাজ্যত পুঁজিৰ অভাৱ হোৱা নাই বুলি স্পষ্টীকৰণ দিয়ে। ইফালে, শিক্ষামন্ত্ৰীৰ এই পত্ৰখনৰ প্ৰসংগত আজি ৰাজ্য চৰকাৰক উভতি ধৰে বিৰোধী ৰাজনৈতিক দলসমূহৰ লগতে কে'বাটাও ছাত্ৰ সংগঠনে। উল্লেখ্য যে যোৱা ১১ আগষ্টতে শিক্ষামন্ত্ৰীয়ে *১০ পৃষ্ঠাত চাওক*


এনএছচিএনৰ সহযোগত গ্ৰহণ কৰিছিল প্ৰশিক্ষণ

## কুকি ট্ৰাইবেল ইউনিয়নৰ আঠ সশস্ত্ৰ নেতাৰ আত্মসমৰ্পণ

**অগ্ৰদূত বাৰ্তা**
**ডংকামোকাম, ১৯ আগষ্ট ঃ** ডিমা হাছাও জিলাৰ সদৰ হাফলঙত কুকি ট্ৰাইবেল ইউনিয়ন নামৰ সশস্ত্ৰ সংগঠনটোৰ আঠজনকৈ নেতাই আজি আত্মসমৰ্পণ কৰে। জিলাখনৰ হাফলং চহৰৰ নাতিদূৰৈত অৱস্থিত অসম ৰাইফলছৰ চৰকাৰী বগান কেম্পত এই *১০ পৃষ্ঠাত চাওক*

নাজিৰাত স্বাস্থ্য বিভাগৰ আজব কাণ্ড

## মহিলাৰ এক্সৰে ৰিপ'ৰ্টত ওলাল ছেফটি পিন



**অগ্ৰদূত বাৰ্তা**
**নাজিৰা, ১৯ আগষ্ট ঃ** একাংশ চিকিৎসালয়ত আওপুৰণি সম্পদৰে চিকিৎসা চলিছে ৰোগীৰ। নাই যাৱতীয় ব্যৱস্থা, নাই কৰ্মচাৰী। নাজিৰা মহকুমাৰ দুই লাখ জনতাৰ মাজত মাত্ৰ তিনিখন চৰকাৰী চিকিৎসালয়। এখনত যদি চিকিৎসক নাই, আনখনত আকৌ কৰ্মচাৰীৰ অভাৱ, মুঠতে এক অৰাজক *১০ পৃষ্ঠাত চাওক*

■ আমেৰিকাৰ প্ৰশংসাৰ পাছতে ছিছ'দিয়াৰ ঘৰৰ দুৱাৰমুখত চিবিআই ঃ কটাক্ষ কেজৰিৱালৰ ■ ১৫ অভিযুক্তৰ প্ৰথম স্থানত

## দিল্লীৰ উপ-মুখ্যমন্ত্ৰীৰ বাসগৃহত চিবিআইৰ তালাচী, স্বাগতম সতীৰ্থৰ

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৯ আগষ্ট ঃ** দিল্লীৰ উপমুখ্যমন্ত্ৰী মনীষ ছিছ'দিয়াৰ বাসগৃহকে ধৰি দুশৰো অধিক স্থানত কেন্দ্ৰীয় তদন্তকাৰী সংস্থা (চিবিআই)ই আজি তালাচী অভিযান চলায়। টুইটাৰত এই প্ৰসংগত উপ-মুখ্যমন্ত্ৰীজনে লিখিছে, 'চিবিআই আহিছে। তেওঁলোকক স্বাগতম জনালো।



আমি অতি সৎ। এয়া অতি দুৰ্ভাগ্যজনক যে দেশত যিসকলে ভাল কাম কৰে তেওঁলোকক এইদৰে হাৰাশাস্তি কৰা হৈছে। সেইবাবে আমাৰ দেশ এক নম্বৰ হ'ব নোৱাৰিলে।' দিল্লীত আবকাৰী নীতিত অনিয়মৰ অভিযোগত চিবিআয়ে এই অভিযান চলাইছে। দিল্লীৰ মুখ্যমন্ত্ৰী *১০ পৃষ্ঠাত চাওক*

উৎকোচ লোৱাৰ সময়ত বন্দী হ'ল কেমেৰাত

## ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত মণ্ডলেই মাটিৰ দালাল

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ১৯ আগষ্ট ঃ** হোজাই জিলাৰ ডবকা ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ এজন লাট মণ্ডলে এজন লোকৰ মাটিৰ সমস্যা সমাধান কৰি দিয়াৰ নামত উৎকোচ গ্ৰহণ কৰি থকাৰ এক দৃশ্য বন্দী হৈছে অভিযোগকাৰীৰ গোপন কেমেৰাত। *১০ পৃষ্ঠাত চাওক*

■ ৩০২৬ টা কেন্দ্ৰত ১৪,৩০,৪৩৭ প্ৰাৰ্থীৰ পৰীক্ষা নিয়ন্ত্ৰণ কৰিব ছেবাই

## কাইলৈৰ পৰা আৰম্ভ হ'ব ৩০ হেজাৰ তৃতীয়-চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তি পৰীক্ষা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ আগষ্ট ঃ** অহা ২১ আগষ্টৰ পৰা আৰম্ভ হ'বলগীয়া তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি পৰীক্ষাৰ বাবে সম্পূৰ্ণ হৈ উঠিছে সকলো প্ৰস্তুতি। নিযুক্তি পৰীক্ষাৰ দায়িত্ব অৰ্পণ কৰা অসম মাধ্যমিক শিক্ষা পৰিষদ (ছেবা)ৰ দ্বাৰা সম্পন্ন হ'ব ৰাজ্য চৰকাৰৰ ৪৮ টা বিভাগৰ নিয়োগ পৰীক্ষা। আজি ইয়াত এক সংবাদমেলত ছেবাৰ অধ্যক্ষ ৰমেশ চান্দ জৈনে পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত কয় যে অহা ২১ আগষ্টত ২৩ খন জিলাত, ২৮ আগষ্টত ২৪ খন জিলাত আৰু ১১ ছেপ্টেম্বৰত ২৩ খন জিলাত নিযুক্তি পৰীক্ষা অনুষ্ঠিত হ'ব। ইয়াৰে ভিতৰত চতুৰ্থ বৰ্গৰ পৰীক্ষাসমূহ দুটা *১০ পৃষ্ঠাত চাওক*

## বকোত ধৰ্ষণত অভিযুক্ত প্ৰাক্তন সেনা জোৱান

**অগ্ৰদূত বাৰ্তা**
**বকো, ১৯ আগষ্ট ঃ** কামৰূপ জিলাৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত ঘিলাবাৰী গাঁৱত ধৰ্ষণৰ গোচৰত অভিযুক্ত হৈছে এজন প্ৰাক্তন সেনা জোৱান। যোৱা ২৭ জুলাইৰ নিশা প্ৰায় এক বজাত ঘিলাবাৰী গাঁৱত সংঘটিত হোৱা ধৰ্ষণৰ ঘটনাত লাবন্যা প্ৰসাদ মজুমদাৰ নামৰ প্ৰাক্তন সেনা জোৱান আৰু এজন অচিনাক্ত লোকে *১০ পৃষ্ঠাত চাওক*

■ বৰপেটাত ন্যায়িক আদালতৰ নতুন ভৱন উদ্বোধন ■ ন্যায়িক ব্যৱস্থাৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে তিনিশ কোটি টকা ঘোষণা

## সমাজত সহনশীলতাৰ অভাৱতে ন্যায়ালয়ত গোচৰৰ দ'ম ঃ মুখ্যমন্ত্ৰী

ন্যায়িক ব্যৱস্থা অধিক গতিশীল হোৱাৰ আশা প্ৰকাশ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ছায়াৰ



**বিশেষ সংবাদদাতা**
**বৰপেটা, ১৯ আগষ্ট ঃ** সমাজত সহনশীলতাৰ অভাৱৰ বাবে ন্যায়ালয়ত বৃদ্ধি পাইছে গোচৰৰ সংখ্যা। সৰু সৰু ঘটনাক লৈ আদালতৰ দ্বাৰস্থ হয় বহু লোক। ফলত হত্যা, বলাৎকাৰৰ দৰে জঘন্য অপৰাধৰ বলি হোৱাসকলে ন্যায় লাভত বিলম্ব হয়। এনে গোচৰত যাতে খৰতকীয়াকৈ ন্যায় প্ৰদান সম্ভৱ হয় তাৰ বাবে পৰাপক্ষত লঘু গোচৰেৰে ন্যায়পালিকাৰ বাবে বোজা সৃষ্টি নকৰিবলৈ আজি আহ্বান জনাইছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজি বৰপেটাত নৱ নিৰ্মিত ন্যায়িক আদালতৰ *১০ পৃষ্ঠাত চাওক*

■ অনলাইন সদস্যভৰ্তি-দলীয় পুঁজি সংগ্ৰহৰ অভিযান আৰম্ভ ■ লোকসভা-পঞ্চায়ত-দেউৰী স্বায়ত্তশাসিত নিৰ্বাচনৰ সন্দৰ্ভত আলোচনা ■ তৃণমূলত ভেটি সুদৃঢ় কৰাৰ পৰিকল্পনা যুগুত

## নৱপ্ৰজন্মই অগপৰ ভৱিষ্যৎ ঃ অতুল বৰা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ আগষ্ট ঃ** আগন্তুক লোকসভা, পঞ্চায়ত আৰু দেউৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত শক্তিশালীৰূপত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ লক্ষ্যৰে ৰাজ্যৰ অসম গণ পৰিষদে তৎপৰতা আৰম্ভ কৰিলে। শাসকীয় মৰ্চাৰ অন্যতম অংশীদাৰ অগপই দলৰ ভেটি অধিক সুদৃঢ় কৰাৰ সংকল্পৰে আজি অনলাইন সদস্যভৰ্তি আৰু পুঁজি সংগ্ৰহৰ অভিযান আৰম্ভ কৰে। এই কাৰ্যসূচী মুকলি কৰে দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই। উল্লেখ্য যে আজি আমবাৰীৰ মুখ্য কাৰ্যালয়ত সভাপতি বৰাৰ সঞ্চালনাত দলৰ এখন গুৰুত্বপূৰ্ণ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই সভাত আগন্তুক দেউৰী স্বায়ত্তশাসিত পৰিষদ, পঞ্চায়ত আৰু লোকসভা নিৰ্বাচনৰ সম্পৰ্কত বিশদভাৱে আলোচনা কৰা হয়। বিশেষকৈ সমষ্টিত দলৰ সাংগঠনিক ভেটি সুদৃঢ় হ'লেহে মিত্ৰগোষ্ঠীৰ স'তে দৰ-দাম কৰিবলৈ থল থাকে বুলি উল্লেখ কৰি এই সম্পৰ্কত *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৬° |
| ডিব্ৰুগড় | ৩৬° | ২৭° |
| দিল্লী | ৩৬° | ২৮° |
| কলকাতা | ২৮° | ২৬° |
| মুম্বাই | ৩১° | ২৬° |
| চেন্নাই | ৩৫° | ২৮° |
| বাংগালুৰু | ২৮° | ১৯° |
| শ্বিলং | ২৭° | ১৮° |

*১৯ আগষ্ট, ২০২২*

**চেঙা তেল**



*দৰিদ্ৰ লোকৰ বাবেই আমাৰ আঁচনি! তাকেই মুকলি কৰিবলৈ আমাৰ এই কোটিটকীয়া অনুষ্ঠান!*

পুতলা দিয়াৰ ছলেৰে মহানগৰীত শিশু অপহৰণ ধীৰেনপাৰাৰ পৰা শিশু চুৰি কৰি জিএমচিএইছলৈ অনাক লৈ প্ৰশ্ন

## শ্ৰমিকৰ বেশেৰে মহানগৰীত ঘূৰিছে শিশু অপহৰণকাৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ আগষ্ট ঃ** স্মাৰ্ট আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে ২৪ ঘণ্টাই গিজগিজাই থকাৰ পাছতো এটাৰ পাছত আন এটা অপৰাধজনিত ঘটনাই দৈনিক সংবাদ শিৰোনাম দখল কৰি অহা ৰাজধানী মহানগৰীত এইবাৰ ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে শিশু চুৰি তথা অপহৰণৰ ঘটনা। শেহতীয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা এটি সাতমহীয়া শিশু আৰু ভৰলুমুখত পথত খেলি থকা অৱস্থাত এটি শিশুক অপহৰণ কৰি নিয়া ঘটনাই জোকাৰণি সৃষ্টি কৰাৰ পাছতে কালি পুনৰ ৰাজধানী মহানগৰীৰ পৰা এটি শিশু অপহৰণ হোৱা ঘটনা পোহৰলৈ আহিছে। অৱশ্যে আৰক্ষীৰ তৎপৰতাত শিশুটি উদ্ধাৰ কৰিবলৈ সক্ষম হয় যদিও অপহৃত শিশুটোক অন্য স্থানৰ পৰিৱৰ্তে অভিযুক্তই কিয় গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ আনিছিল, তাক লৈ সম্প্ৰতি ব্যাপক ৰহস্যৰ সৃষ্টি হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শিশু সৰবৰাহকাৰী চক্ৰ সক্ৰিয় হৈ আছে নেকি এনেধৰণৰ প্ৰশ্ন তদন্তকাৰী আৰক্ষীৰ মাজতে উদ্ৰেক হৈছে। উল্লেখ্য যে মহানগৰীৰ পশ্চিম আৰক্ষী জিলাৰ অন্তৰ্গত ফটাশিল আমবাৰী থানাৰ অধীনস্থ ধীৰেনপাৰাৰ শ্যাম মন্দিৰৰ সমীপৰ পৰা কালি অপহৃত হৈছিল এটা শিশু। পুতলা দিয়াৰ প্ৰলোভনেৰে শ্ৰমিকৰ বেশত থকা অপহৰণকাৰীয়ে শিশুটোক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় *১০ পৃষ্ঠাত চাওক*



## মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ত পুনৰ নৱজাতকৰ মৃত্যুত ক্ষোভ

**অগ্ৰদূত বাৰ্তা**
**মাৰ্ঘেৰিটা, ১৯ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ত পুনৰ অঘটন। চিকিৎসকৰ গাফিলতিৰ বাবে চিকিৎসালয়খনত পুনৰ কৰুণভাৱে মৃত্যুক সাবটিলে এটি নৱজাতকে। উল্লেখ্য যে মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ত যোৱা তিনি আগষ্টত এগৰাকী নাৰ্ছৰ গাফিলতিৰ বাবে এটি নৱজাতকৰ মৃত্যু হোৱাৰ পাছত আজি পুনৰ দুগৰাকীকৈ চিকিৎসকৰ গাফিলতি তথা *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী শনিবাৰ ৩ ভাদ ১৪২৯ ভাস্কৰাব্দ ২০ আগষ্ট ২০২২



## সচেতন হওক

অসম চৰকাৰে হঠাতে ৰাজ্যৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চৰকাৰী চাকৰিৰ নিযুক্তি পৰীক্ষাৰ প্ৰশ্নকাকতত হিন্দী ভাষাটো অন্তৰ্ভুক্ত কৰাক লৈ এক বিতৰ্কৰ সৃষ্টি হৈছে। ইমানদিনে ৰাজ্যত এইসমূহ চৰকাৰী পদত নিযুক্তিৰ বাবে আয়োজিত পৰীক্ষাৰ প্ৰশ্নকাকতত অসমীয়া, ইংৰাজী, বাংলা আৰু বড়ো ভাষা ব্যৱহাৰ কৰা হৈছিল। অহা ২১, ২৮ আগষ্ট আৰু ১১ ছেপ্টেম্বৰত অসম চৰকাৰে ৰাজ্যৰ বিভিন্ন বিভাগত খালী থকা প্ৰায় ৩০ হেজাৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদত নিযুক্তিৰ বাবে পৰীক্ষা অনুষ্ঠিত কৰিব। প্ৰকাশিত বাতৰি অনুসৰি, এই নিযুক্তি পৰীক্ষাৰ প্ৰশ্নকাকতত অসমীয়া, ইংৰাজী, বড়ো, বাংলাৰ লগতে হিন্দীকো অন্তৰ্ভুক্ত কৰা হৈছে। উত্থাপিত অভিযোগ মতে, এই পদ পূৰণৰ বাবে প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰাৰ সময়ত বিজ্ঞাপন তথা জাননীত হিন্দী ভাষাত প্ৰশ্নকাকত প্ৰস্তুতকৰণৰ কথা উল্লেখ কৰা নাছিল। পৰীক্ষাৰ আগমুহূৰ্তত প্ৰাৰ্থীলৈ প্ৰেৰণ কৰা প্ৰৱেশ পত্ৰত উল্লেখ কৰা হৈছে যে নিযুক্তি পৰীক্ষা অসমীয়া, ইংৰাজী, বাংলা, বড়ো আৰু হিন্দীত অনুষ্ঠিত হ'ব। এই তথ্য পোহৰলৈ অহাৰ পাছতে ৰাজ্যৰ চাকৰি প্ৰত্যাশীসকলৰ মাজত হাহাকাৰ লাগিছে। তৃতীয়-চতুৰ্থ বৰ্গৰ চৰকাৰী পদত নিযুক্তিৰ পৰীক্ষাত হিন্দী ভাষা অন্তৰ্ভুক্ত হ'লে বহিঃৰাজ্যৰ প্ৰাৰ্থীয়ে এই সমূহ পদ দখল কৰিব আৰু অসমৰ নিবনুৱাসকল নিজ ৰাজ্যতে নিয়োগ লাভত বঞ্চিত হ'ব বুলি ইতিমধ্যে বিৰোধী ৰাজনৈতিক দলৰ লগতে আন বহু ব্যক্তি-সংগঠনে তীব্ৰ আপত্তি দৰ্শাইছে। তৃতীয়-চতুৰ্থ শ্ৰেণীৰ চাকৰিও অসমৰ নিবনুৱাই লাভ নকৰিলে এইসকল থলুৱা চাকৰি প্ৰত্যাশীৰ ভৱিষ্যৎ কি হ'ব বুলিও অনেকে প্ৰশ্ন উত্থাপন কৰিছে।

এখন গণতান্ত্ৰিক দেশত এজন নাগৰিকে প্ৰয়োজনীয় অৰ্হতা থাকিলে যিকোনো ৰাজ্যতে চৰকাৰী চাকৰিত নিযুক্তিৰ বাবে আবেদন দাখিল কৰিব পাৰে। ভাৰতত যিহেতু হিন্দী ভাষাৰ বহুল ব্যৱহাৰ হৈ আহিছে, সেয়েহে কোনো ৰাজ্যই চৰকাৰী নিযুক্তিৰ পৰীক্ষাত এই ভাষাৰ প্ৰশ্নকাকত অন্তৰ্ভুক্ত কৰিব পাৰে; কিন্তু এখন ৰাজ্যৰো থলুৱা নিবনুৱাক সংস্থাপন প্ৰদানৰ গুৰু দায়িত্ব আছে। সাধাৰণতে দেখা যায় যে একোখন ৰাজ্যত নিম্নবৰ্গৰ পদসমূহতে সৰ্বাধিক সংখ্যক থলুৱা নিবনুৱাই নিযুক্তিৰ সুবিধা লাভ কৰে।

এই সমূহ পদত যদিহে ৰাজ্যত প্ৰচলিত ভাষাৰ লগতে হিন্দীতো প্ৰশ্নকাকত প্ৰস্তুত কৰা হয়, তেন্তে স্বাভাৱিকতে বহিঃৰাজ্যৰ প্ৰাৰ্থীৰ ভিৰ বাঢ়িব আৰু পৰীক্ষা সৰ্বভাৰতীয় নিযুক্তি পৰীক্ষাৰ দৰে অধিক প্ৰতিযোগিতামূলক হ'ব। এনে পৰিস্থিতিত সংশ্লিষ্ট ৰাজ্যৰ তৃতীয়-চতুৰ্থ বৰ্গৰ পদত নিযুক্তি লাভৰ পৰা থলুৱা প্ৰাৰ্থী বঞ্চিত হোৱাৰ আশংকা আছে। উল্লেখ্য যে দেশৰ বহু কেইখন ৰাজ্যই চৰকাৰী চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত থলুৱাৰ বাবে পদ সংৰক্ষণৰ ব্যৱস্থা লৈছে। দক্ষিণ ভাৰতৰ কে'বাখনো ৰাজ্যত চৰকাৰী বিভাগৰ পদ স্থানীয় লোকৰ বাবে সংৰক্ষিত। উত্তৰাখণ্ড, মহাৰাষ্ট্ৰ, মধ্য প্ৰদেশ, তেলেংগানা, জম্মু-কাশ্মীৰসহ বহু ৰাজ্যত কেৱল স্থানীয় বাসিন্দাইহে চৰকাৰী চাকৰিৰ বাবে আবেদন জনাব পাৰে। বহু ৰাজ্যই তৃতীয়-চতুৰ্থ বৰ্গৰ পদসমূহ থলুৱাৰ বাবে সংৰক্ষণ কৰিছে। কেৱল চৰকাৰী চাকৰিতে নহয়, দেশৰ বহু ৰাজ্যই বেচৰকাৰী খণ্ডৰ চাকৰিতো স্থানীয় লোকৰ নিযুক্তি নিশ্চিত কৰিবলৈ আইন প্ৰণয়ন কৰিছে। অন্ধ্ৰ প্ৰদেশ, ঝাৰখণ্ড, হাৰিয়ানা প্ৰভৃতি ৰাজ্যত বেচৰকাৰী খণ্ডৰ ৭৫ শতাংশ পদত স্থানীয়ক নিযুক্তি প্ৰদান বাধ্যতামূলক কৰা হৈছে। দৰাচলতে একোখন ৰাজ্যত থলুৱা নিবনুৱাৰ সংখ্যা দ্ৰুত বৃদ্ধিৰ ফলত সংশ্লিষ্ট ৰাজ্যই নিবনুৱাক সকাহ দিবলৈ পদ সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণৰ বাবে বাধ্য হৈছে; কিন্তু অসমত লাখ লাখ নিবনুৱাই এটা চৰকাৰী চাকৰি বিচাৰি হাহাকাৰ কৰি থকাৰ সময়ত পদ সংৰক্ষণ দূৰৰে কথা, বৰঞ্চ বহিঃৰাজ্যৰ প্ৰাৰ্থীক নিযুক্তিৰ সুযোগ বৃদ্ধিত মনোনিৱেশ কৰাত স্বাভাৱিকতে বিষয়টোৱে বিতৰ্কৰ সৃষ্টি কৰিছে।

অসমৰ অন্যতম গুৰুতৰ সমস্যাৰ ভিতৰত এটা হৈছে বৰ্ধিত নিবনুৱাৰ সংখ্যা। উদ্যোগ-ব্যৱসায়ত পিছপৰা ৰাজ্যখনত ব্যক্তিগত খণ্ডতো নিযুক্তিৰ সম্ভাৱনা যথেষ্ট সীমিত। এনে পৰিস্থিতিত চৰকাৰৰ চাকৰিকেইটাই হৈছে শিক্ষিত নিবনুৱাৰ একমাত্ৰ ভৰসাৰ থলী। চৰকাৰৰ কোনো অনাকাংক্ষিত সিদ্ধান্তৰ ফলত যদি ভৱিষ্যতে ৰাজ্যত তৃতীয়-চতুৰ্থ বৰ্গৰ পদত নিযুক্তিৰ পৰাও অসমৰ যুৱক-যুৱতী বঞ্চিত হ'ব লগা হয়, তেন্তে তাতোকৈ পৰিতাপৰ কথা আন কি হ'ব পাৰে? উক্ত পদসমূহত যাতে স্থানীয় যোগ্য প্ৰাৰ্থীয়েহে নিযুক্তি লাভ কৰে, সময় থাকোতেই চৰকাৰে এই কথা নিশ্চিত কৰা জৰুৰী। প্ৰশ্নকাকতত হিন্দী সংযোজনত কাৰো আপত্তি থাকিব নালাগে, কিন্তু ৩০ হেজাৰ খালী পদত যাতে ৰাজ্যৰ অৰ্হতা সম্পন্ন যুৱ প্ৰজন্মই নিযুক্তি লাভ কৰিব পাৰে; তাৰ প্ৰতি চৰকাৰ আৰু অসমবাসী সচেতন হ'ব লাগিব।

## খোলা মঞ্চ

### অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে মোৰ ধাৰণা



**মৃগেন তালুকদাৰ**, লেখক

**বাতৰি** কাকত বিতৰক প্ৰতিষ্ঠানৰ উত্থান-পতনৰ পৰিপ্ৰেক্ষিতত অনিয়মীয়াকৈ হ'লেও, জন্মলগ্নৰ (১৯৭১) পৰাই আমি 'অগ্ৰদূত' কাকতখন পঢ়ি আহিছো। সেই সময়ত আমি সপ্তম শ্ৰেণীৰ ছাত্ৰ। অগ্ৰদূতেই আমাক লেখা-মেলাৰ প্ৰতি প্ৰেৰণা যোগায়। উক্ত কাকতখনতেই আমাৰ প্ৰথমটো লেখা প্ৰকাশ পায়। উল্লেখ্য যে, কাকতখনত আমাৰ বহুতো লেখা প্ৰকাশ পাইছে। তদুপৰি অগ্ৰদূতৰ মহিলা পযেকীয়া আলোচনী-শ্ৰীময়ীৰ দ্বিতীয় বছৰ অষ্টম সংখ্যাত (১-১৫ নৱেম্বৰ '৮৮)ত আমাৰ প্ৰথমটো নিবন্ধ প্ৰকাশ পায়। দৈনিক অগ্ৰদূত কাকতখনতো আমাৰ বিভিন্ন বিষয়ক লেখা প্ৰকাশ পোৱাৰ উপৰি উক্ত কাকতত অনিয়মীয়াকৈ হ'লেও স্বইচ্ছাই সংবাদ সেৱা কৰিছোঁ। সেয়ে 'অগ্ৰদূত' আমাৰ অতিকৈ আপোন। অগ্ৰদূত অসমৰ সংবাদ জগতৰ অতি মূল্যবান সম্পদ। দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে আপোচহীনভাৱে সংগ্ৰাম চলাই অহা অগ্ৰদূতৰ নিজস্ব স্বকীয়তা বৰ্তাই ৰখাত সক্ষম হৈছে। অগ্ৰদূত বাতৰি কাকতখন সৰু আকাৰৰ যদিও, দুৰ্নীতিকাৰী-ভ্ৰষ্টাচাৰীসকলৰ বাবে এটা প্ৰকাণ্ড 'বাঘ' সদৃশ। কোনোকালে হাৰ নমনা 'অগ্ৰদূত' এখন ব্যতিক্ৰমধৰ্মী বাতৰি কাকত। অসমীয়া জাতিৰ সংকটকালত নিৰ্ভীকভাৱে মাত মাতি অহাত 'অগ্ৰদূত' কেতিয়াও পিছহুহকি থকা নাই।

এইখিনিতেই উনুকিয়াও যে অগ্ৰদূতৰ সম্পাদকীয় পৃষ্ঠাত ধাৰাবাহিকভাৱে স্পষ্টবাদী সম্পাদক কনকসেন ডেকাৰ ক্ষুৰধাৰ কলমত প্ৰকাশ পোৱা— 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক' শীৰ্ষক সম্পাদকীয় লেখা সমূহ আজিও আমাৰ মানসপটত জিলিকি আছে। নিজৰ স্থিতিত সদায় অটল হৈ থকা এইগৰাকী মহান কীৰ্তিমানক ১৯৮৯ৰ মে' মাহত অগ্ৰদূত কাৰ্যালয়ত লগ কৰাৰ আমাৰ সৌভাগ্য ঘটিছিল। এই ছেগতেই আমি ভগৱানৰ ওচৰত কনকসেন ডেকাৰ সু-স্বাস্থ্য তথা দীৰ্ঘায়ু কামনা কৰাৰ লগতে বৈপ্লৱিক অভিনন্দন জনালোঁ।

শেষত অগ্ৰদূত পৰিয়ালৰসমূহ সদস্য তথা অগ্ৰদূতৰ কাৰ্যালয়, ছপাশাল, বাতৰি কাকত কঢ়িওৱা পৰিবহণৰ কৰ্মচাৰীবৃন্দ, লেখক-লেখিকা, বাতৰি কাকত বিতৰকৰ লগতে অগ্ৰদূতৰসমূহ শুভাকাংক্ষীলৈ আমাৰ অন্তৰৰ অভিনন্দন জনালোঁ।

ফোন ঃ ৯৯৫৭৫২২৮৭৮

## ধৰ্মীয় আবেগ আৰু সাম্প্ৰদায়িক ভাবাবেগক ৰাজনৈতিক মুনাফা আদায়ৰ কাৰণে ব্যৱহাৰ কৰে চতুৰ নেতাবোৰে

# ধৰ্ম আৰু ৰাজনীতিৰ নিচাই মানৱতাক নিঃশেষ কৰিব নেকি?



### আছুতীয়া চিন্তা



জয়কান্ত শৰ্মা (কনিষ্ঠ)

ধৰ্ম আৰু ৰাজনীতি দুটা সম্পূৰ্ণ পৃথক আৰু স্বতন্ত্ৰ বিষয়। ধৰ্ম ব্যক্তিগত। ৰাজনীতি ৰাষ্ট্ৰকৃত। ধৰ্ম হ'ল মহাজাগতিক ঘটনাসৃষ্ট ভয়-আতংকৰ পৰা উদ্ভৱ হোৱা ভগৱান, ঈশ্বৰ তত্ত্ব আৰু ভাব-ভক্তিৰ বিষয়। আনহাতে, ৰজাই ৰাজকাৰ্য চলোৱা নীতিয়ে হ'ল ৰাজনীতি, যিটো ৰজা বা শাসনকৰ্তাই সাংবিধানিক বিধি-ব্যৱস্থাৰে পৰিচালিত কৰা বিস্তৃত প্ৰশাসনিক বিষয়, য'ত ৰাষ্ট্ৰৰ প্ৰতিজন নাগৰিক প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত।

ধৰ্ম আৰু ৰাজনীতি দুটা পৃথক বিষয় যদিও দুয়োটাৰে সাদৃশ্যও আছে। প্ৰথম সাদৃশ্য আমি দেখা পাওঁ ক্ষমতা, অৰ্থ প্ৰাপ্তি আৰু প্ৰভাৱৰ ক্ষেত্ৰত। দ্বিতীয়তে, ৰাজনীতি কৰিবলৈ যেনেদৰে শিক্ষাগত অৰ্হতাৰ কোনো দৰকাৰ নাই, ধাৰ্মিক বা ধৰ্মগুৰু হ'বলৈও তেনে কোনো অৰ্হতা বা যোগ্যতাৰ প্ৰয়োজন নাই। ভাব, ভক্তি আৰু ভাও ধৰা নম্ৰতাই ধাৰ্মিক হোৱাৰ প্ৰথম যোগ্যতা। ৰাজনৈতিক নেতা হ'বলৈ হ'লেও ভাও ধৰা ভদ্ৰতা লাগে। সেই ভদ্ৰতা দেখুৱাব লাগে ভোটাৰৰ সমুখত আৰু নিৰ্বাচনৰ ঠিক আগমুহূৰ্তত।

আনহাতে, ধৰ্মৰ নিচা যেনে ৰাজনীতিৰ নিচাও ঠিক তেনেকুৱাই। যিকোনো এটাত প্ৰৱেশ কৰি এবাৰ ক্ষমতা লাভৰ সোৱাদ পালে নতুবা অৰ্থপ্ৰাপ্তি পৰ্যাপ্ত হ'লে তাক আৰু এৰা টান। ধৰ্ম কৰি বা ৰাজনীতি খেলি কিছু প্ৰভাৱশালী হ'ব পাৰিলেতো কথাই নাই। প্ৰভাৱশালী হোৱাৰ ফুৰফুৰীয়া নিচা আৰু মাদকতাই শৰীৰ আৰু মনত হৰদম ক্ৰিয়া কৰি থাকে। তেতিয়া কোনেও কাকো কেৰেপ কৰিব নালাগে।

ধাৰ্মিক বা ধৰ্মগুৰু হ'লে তেওঁৰ ওচৰত সদায় ঈশ্বৰ সহায় থাকে, ৰাজনীতিকৰ ওচৰত থাকে দলীয় হাইকমাণ্ড।

ধৰ্মক ৰাজনীতি বা প্ৰশাসনীয় কাম-কাজৰ পৰা আলগ-নিলগ কৰি ৰখা নহয়। ভাৰতত ৰজা বা শাসনকৰ্তাত ঈশ্বৰৰ অৱস্থিতি নতশিৰে মানি লোৱা হয়। শ্ৰীৰামচন্দ্ৰ, শ্ৰীকৃষ্ণ বা গৌতম বুদ্ধ প্ৰাথমিক দৃষ্টিত ৰজা; কিন্তু ভাববাদী দৰ্শন আৰু আধ্যাত্মিকতাই ঈশ্বৰত্ব প্ৰদান কৰাত তেওঁলোক হৈ পৰিল অৱতাৰী পৰুষ— 'ভগৱান'। ৰজাই (ভগৱানে) শাসন কৰে ৰাজ্যৰ নাগৰিক (ভক্ত) শাসিত হয়।

প্ৰকৃত সত্য প্ৰকাশ কৰিবলৈ হ'লে ধৰ্মৰ হাতত ধৰিহে ৰাজনীতি আগবাঢ়ে। ধৰ্মীয় আবেগ আৰু সাম্প্ৰদায়িক ভাবাবেগক ৰাজনৈতিক মুনাফা আদায়ৰ কাৰণে ব্যৱহাৰ কৰে চতুৰ নেতাবোৰে। এই কথা অৱশ্যে সাধাৰণ নাগৰিকে গম ধৰিব নোৱাৰে। সিমানলৈ ঢুকিয়ে নাপায়।

ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ। ইয়াত কোনো ধৰ্মক বিশেষাধিকাৰ দিয়া নহয় আৰু কোনো ধৰ্মবিশ্বাসক অৱজ্ঞাও কৰা নহয়। চৰকাৰীভাৱে পৃষ্ঠপোষকতাও নাপায় কোনো ধৰ্মবিশ্বাসে; কিন্তু বাস্তৱ ক্ষেত্ৰত তাৰ ওলোটা ছবি এখনহে আমি প্ৰত্যক্ষ কৰি আছো। চৰকাৰী কাম-কাজকে আৰম্ভ কৰি সকলো ক্ষেত্ৰতে ধৰ্মাচাৰ কৰা আৰু এটা বিশেষ ধৰ্মক বিশেষভাৱে অগ্ৰাধিকাৰ দিয়া পৰিলক্ষিত হয়।

সম্প্ৰতি প্ৰায়বোৰ ৰাজনৈতিক নেতাই ধৰ্মীয় উন্মাদনাত উন্মত্ত হৈ পৰা যেন লাগে। কি হিন্দু কি মুছলমান একেই উন্মাদ আচৰণ। আন ধৰ্ম বা ধৰ্মগুৰুক আক্ৰমণ কৰি মন্তব্য দাঙি ধৰাৰ পৰাও বিৰত থাকিব নোৱাৰা হৈছে। তাকে লৈ বৈদ্যুতিন মাধ্যম, সামাজিক মাধ্যম ইত্যাদিত এটা হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হৈ দেশৰ সীমা পাৰ হৈ বিদেশতো তুমুল প্ৰতিক্ৰিয়া হোৱাত স্বয়ং প্ৰধানমন্ত্ৰীয়ে নেতাবোৰক সাৱধানবাণী শুনাবলৈ বা সতৰ্ক কৰি দিবলৈ বাধ্য হৈছে।

নুপূৰ শৰ্মাৰ মন্তব্যক লৈ বহু ঘটনাই ঘটি গ'ল। পৰিস্থিতি উত্তপ্ত হ'ল। সামাজিক মাধ্যমত মানুহৰ আচৰণ অমানৱীয় পৰ্যায় পালে। হিন্দু ধৰ্মৰ দেৱ-দেৱীকে ধৰি ধৰ্মটোকো থকা সৰকা কৰিলে ইছলাম ধৰ্মাৱলম্বী একাংশই। দুয়োটা পন্থাৰে বহুতে সংযম হেৰুৱাই ইতৰ পৰ্যায় পালে। মনুষ্যত্ব লোপ পালে আচৰণত। ভাৰতীয় পৰম্পৰা, শান্তি-সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধৰ আদৰ্শ জানিও নজনা হ'ল। ঐতিহ্যত চেকা লাগিল।

বিশ্বৰ মানুহক আচৰিত কৰি শান্তি-সম্প্ৰীতিৰে জীয়াই থকা হিন্দু-মুছলমানৰ মাজত বিভেদ-বৈষম্য পুনৰ বাঢ়ি গ'ল। ঘৃণাজনক বাতাবৰণে ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰখন কিয় সামাজিক আৱহাৱাও দূষিত কৰি পেলালে। ভাৰত বিভাজনৰ সময় আৰু পৰিৱেশক মনত পেলাই দিলে।

আচলতে এইবোৰ পৰিকল্পিতভাৱে সৃষ্টি কৰা যেন লাগে। পৰিৱেশ গৰম আৰু বিতৰ্কিত হোৱাটোকে বিচাৰে ধৰ্মৰ ধুৰন্ধৰ নেতাই। তাত তেওঁলোকৰ লাভ থাকে। ৰাজনৈতিক পৰিৱেশ প্ৰদূষিত হ'লে, মানুহৰ মাজত ঘৃণা আৰু বিদ্বেষ উপচি পৰিলে ৰাজনৈতিক নেতাবোৰৰ লাভ হয়। ভুক্তভোগী বা পীড়িতক নিজৰ পক্ষলৈ আনি ৰাজনৈতিক লাভালাভ আদায় কৰিবলৈ সহজ। তাকে কৰাত নেতাবোৰ কোনো দিন পিছ পৰি নৰয়।

ৰাজনীতি কৰিবলৈ ধৰ্মক ব্যৱহাৰ কৰা হয় অতীতৰ পৰাই। জাত-ধৰ্ম-বৰ্ণ-সম্প্ৰদায় সৃষ্টি কৰি ইচ্ছাকৃতভাৱে সাধাৰণ মানুহৰ মাজত বিভেদ-বৈষম্যৰ বীজ সিঁচি দিয়া হয়। দলিত, পিছপৰা শ্ৰেণীক নেতাবোৰে পাশা খেলৰ গুটিৰ দৰে ব্যৱহাৰ কৰে। গৰিব জনতাক হাত কৰে খুদকণ যাচি।

আধুনিক যুগৰ ৰাজনীতিত অৱশ্যে ধৰ্মৰ পয়োভৰ আৰু বেছি। সাম্প্ৰদায়িক ৰাজনীতি আৰু বেছি স্পষ্ট আৰু দৃঢ়। দেখদেখকৈ কংগ্ৰেছ যিদৰে মুছলমান নিৰ্ভৰশীল, ঠিক তেনেদৰে বিজেপি হিন্দু ভোটাৰ নিৰ্ভৰশীল।

সংখ্যাত তাকৰ হ'লেও কংগ্ৰেছে ইমান বছৰে মুছলমান সম্প্ৰদায়ৰ ভোটাৰখিনিকে মূলধন হিচাপে লৈ ৰাজনীতি কৰি গ'ল। ৰাজত্বও কৰিলে ভালেই। আজিও কংগ্ৰেছৰ মূল সম্পদ (ভোটাৰ) মুছলমানসকলেই। এই সম্প্ৰদায়টোক বাদ দি কংগ্ৰেছে ৰাজনীতি কৰাৰ কথা ভাবিবই নোৱাৰে। বহুতেতো ক'ব খোজে কংগ্ৰেছ মাত্ৰেই মুছলমান আৰু মুছলমান মাত্ৰেই কংগ্ৰেছ। এই কথা এশভাগ শুদ্ধ নহ'লেও একেবাৰে নহয় বুলি ক'বলৈ কাৰো সাধ্য নাই।

ইয়াৰ বিপৰীতে হিন্দু মাত্ৰেই বিজেপি আৰু বিজেপি মাত্ৰেই হিন্দু বুলিও কৈ থ'ব পাৰি। মুছলমান সম্প্ৰদায়ৰ মাজৰ পৰা বিজেপিক আপোন কৰি লোৱা বা ভোটদান কাৰ্য সম্ভৱ হ'ব পাৰে বুলিও আমাৰ মনে নধৰে। ব্যতিক্ৰম হয়তো ক'ৰবাত কেতিয়াবা হ'ব পাৰে; কিন্তু সেই এজন বা দুজন মুছলমানে যে সম্প্ৰদায়টোকে প্ৰতিনিধিত্ব কৰিছে বা কৰিব পাৰিব তেনে কথাও হ'ব নোৱাৰে।

অৱশ্যে কংগ্ৰেছ বুলি ক'লেই যে কেৱল মুছলমান ভোটাৰ তেনেও নহয়। ভাৰতৰ ৰাজ্য বিশেষে মুছলমানৰ সংখ্যা মুঠ জনসংখ্যাৰ ৩০ৰ পৰা ৩৫ শতাংশ যদিও সৰ্বভাৰতীয় হাৰ ১৪ শতাংশহে। এইখিনি ভোটাৰেৰে ভোট বেংক তৈয়াৰ কৰি নিৰ্বাচনী বৈতৰণী পাৰ হোৱাটো অসম্ভৱ। সেয়ে কংগ্ৰেছে দলিত, পিছপৰা শ্ৰেণী, বাগানৰ কুলি, কাৰখানাৰ শ্ৰমিক ইত্যাদিক নিজৰ পক্ষলৈ আনিবলৈ প্ৰলোভন আৰু প্ৰৰোচনাৰ সূচনা কৰিছিল। মদ-সূতা-কম্বল-টিনপাত আদি দি হিতাধিকাৰীৰো সূত্ৰপাত কংগ্ৰেছেই কৰিছিল। তিনিটকীয়া চাউল দি গৰিবৰ ভগৱান হৈছিল কংগ্ৰেছেই।

মুছলমানৰ প্ৰতি অহেতুক প্ৰীতি থকা কংগ্ৰেছে হিন্দুক আপোন কৰি ল'ব পৰা নাছিল। হিন্দুলোকক শত্ৰুজ্ঞান কৰাতো কংগ্ৰেছৰ মজ্জাগতই অকল নহয় স্বভাৱগতও। দুৰ্নীতি-ভ্ৰষ্টাচাৰ অভ্যাসগত। গুণ্ডাগিৰি, গৃহ কন্দল আৰু বিসম্বাদ তেওঁলোকৰ তেজত প্ৰবাহিত।

এই আটাইবোৰ দুৰ্গুণৰ কাৰণে ভাল মানুহ কংগ্ৰেছৰ পৰা আঁতৰি আহিবলৈ ধৰিলে। জনসাধাৰণ বিতুষ্ট হৈ পৰিল। প্ৰভাৱশালী নেতাৰ অভাৱত দলটো মেৰুদণ্ডহীন হ'ল। মানুহে বিকল্পৰ সন্ধানত নামি পৰিল। প্ৰশাসনীয় দুৰ্বলতা আৰু নেতৃত্বৰ শূন্যতা পূৰ কৰিবলৈ সুযোগ বুজি নৰেন্দ্ৰ মোদী আগবাঢ়ি আহিল। বহুত মানুহৰ মনত আশাৰ সঞ্চাৰ হ'ল। পূব আকাশত যেন তৰুণ সূৰ্যৰহে উদয় হ'ল, আমাৰো তেনেকুৱাই লাগিল।

প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ গতানুগতিক ভাষণত একো সোৱাদ নোপোৱা ভাৰতীয়ই মোদীৰ তেজস্বী ভাষণত ঘিঁউ-মৌ-অমৃত সকলো পোৱা হ'ল। তেওঁৰ উদাত্ত ভাষণ, বাকপটুতা আৰু মিথ্যা প্ৰলোভনত সকলো ভোল গ'ল। চাটুকাৰী বক্তৃতা শুনি শুনি মোহাচ্ছন্নও হ'ল।

হিন্দুত্ববাদী আৰ এছ এছ, বজৰং দল আদিয়ে মোদীক হিন্দী, হিন্দু আৰু হিন্দুস্তানৰ ত্ৰাণকৰ্তাৰ ৰূপত তুলি ধৰিলে। ভাৰতীয়

**সংখ্যাত তাকৰ হ'লেও কংগ্ৰেছে ইমান বছৰে মুছলমান সম্প্ৰদায়ৰ ভোটাৰখিনিকে মূলধন হিচাপে লৈ ৰাজনীতি কৰি গ'ল। ৰাজত্বও কৰিলে ভালেই। আজিও কংগ্ৰেছৰ মূল সম্পদ মুছলমানসকলেই। এই সম্প্ৰদায়টোক বাদ দি কংগ্ৰেছে ৰাজনীতি কৰাৰ কথা ভাবিবই নোৱাৰে**

বিশেষকৈ হিন্দুসকলক বুজোৱা হ'ল যে হিন্দুসকল বৰ্তমান অস্তিত্বৰ সংকটত। মুছলমান সন্ত্ৰাসবাদীৰ আক্ৰমণ আৰু আগ্ৰাসন ক্ৰমে বৃদ্ধি পাই আহিছে। মৌলবাদী কাৰ্য-কলাপে বিচ্ছিন্নতাবাদক সাৰ-পানী যোগাই আহিছে ইত্যাদি কথাৰে হিন্দুসকলক আবেগিক কৰি তোলা হ'ল।

মোদীয়ে কংগ্ৰেছৰ পুৰণি ঘা টুকুৰা (দুৰ্নীতি, ভ্ৰষ্টাচাৰ আৰু বিদেশত জমা কৰা ক'লা ধন)ত আক্ৰমণ আৰম্ভ কৰি দিলে। আনফালে ভাৰতৰ জনতাক প্ৰলোভিত কৰি ক'লে যে ৰাজনৈতিক নেতা, পুঁজিপতি, ধনকুবেৰবোৰে জমা কৰি থোৱা ক'লা ধন সমুদায় বিদেশৰ বেংকৰ পৰা আনি সাধাৰণ লোকৰ মাজত বিতৰণ কৰা হ'ব। প্ৰতিটো পৰিয়ালে ১৫ লাখকৈ টকা ভাগত পাব। বিদেশীমুক্ত কৰাৰ আশা দেখুৱালে অসমক।

নিবনুৱা যুৱক-যুৱতীক হাত কৰিবলৈ প্ৰতিশ্ৰুতি দিলে যে বছৰি দুই কোটি কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰা হ'ব ইত্যাদি ইত্যাদি। বহুত কথাই কোৱা হ'ল। কিন্তু প্ৰধানমন্ত্ৰী হৈ অৱশ্যে তেওঁৰ দ্বাৰা এতিয়ালৈকে কৰাহে একো নহ'ল। যিকেইটা কাম কৰিলে আটাইকেইটা কাম যে টোঘলকী কাণ্ড তাক জনতাই বুজিবলৈ বাকী নাথাকিল। প্ৰধানমন্ত্ৰী মিছলীয়া আৰু ফাঁকিবাজ ৰূপে প্ৰমাণিত হ'ল। চমক সৃষ্টি কৰি জনতাক তভক লগোৱাৰ বাহিৰে মূল আৰু মৌলিক সমস্যাবোৰত হাত দিয়া দেখা নগ'ল। ধৰ্মীয় উৎসৱ-পাৰ্বণ আৰু আধ্যাত্মিকতাক কিন্তু গতিশীল আৰু বিলাসী কৰাত কিছু সফল হ'ল তেওঁ। প্ৰধানমন্ত্ৰীয়ে বিৰোধীৰ দুৰ্বলতা আৰু নিষ্ক্ৰিয়তাৰ সুযোগ লৈ ভাৰতীয় জনতা পাৰ্টীৰ ভেটি কিছু মজবুত কৰিলে। ধৰ্মক ৰাজনীতিৰ লগত সনাপোতোকা কৰি মুছলমান সম্প্ৰদায়ক ঘৃণাৰ পাত্ৰ কৰিব খোজাৰ প্ৰয়াস ভাৰতীয় সংস্কৃতি, পৰম্পৰা বা ঐতিহ্যৰ লগত খাপ নোখোৱা কথা। দেশৰ শান্তি-সম্প্ৰীতি আৰু সহাৱস্থানৰ পৰিপন্থী যদিও সিও তেওঁৰ দিনতে হ'ল।

বৰ্তমান চমক সৃষ্টি কৰি মানুহক মোহাচ্ছন্ন কৰি ৰখাই হ'ল বিজেপি চৰকাৰৰ নীতি। বস্তুৰ মূল্যবৃদ্ধিক ইছ্যু কৰি লৈ ৰাজপাট দখল কৰা বিজেপিৰ শাসন কালত এতিয়া অত্যাৱশ্যকীয় সামগ্ৰীৰ জুই জ্বলা দামে গৰিব জনতাৰ মূৰত ৰাম টাঙোন মাৰিব ধৰিছে। তথাপি কাৰো দেখোন মাত-বোল নাই। গৰিবৰ ভগৱান, 'গৰিবী হতাও' শ্ল'গান দিয়া কংগ্ৰেছৰ নেতাবোৰ গভীৰ নিদ্ৰাত। তেওঁলোক ধনৰ পাহাৰ, সম্পত্তিৰ পৰ্বত প্ৰাপ্তিতে সন্তুষ্ট। বিৰোধী শক্তি মজবুত কৰা, জনজাগৰণ গঢ়ি তোলা, হিন্দুসকলক আপোন কৰি লোৱাত তেওঁলোক দুখ লগাকৈ ব্যৰ্থ। নেতা-নেতৃত্বহীন কংগ্ৰেছ এতিয়া ডুবন্ত নাও। তাক বচাব কোনে?

এনেদৰেই চলিছে ভাৰত। এনেদৰেই চলিছে ভাৰতৰ ৰাজনীতি। এফালে মৌলবাদীৰ জেহাদী কাৰ্য-কলাপ আনফালে, হিন্দী, হিন্দু আৰু হিন্দুস্তানৰ শ্ল'গান। ঘৃণা, বিদ্বেষ আৰু অসহিষ্ণুতাৰে ভৰি পৰা সমাজত মানৱতা জানো বৰ্তি থাকে।

চিন্তা কৰক! এফালে ৰাজনৈতিক স্বৈৰাচাৰ আৰু আনফালে কূটিল ধৰ্মাচাৰ। ক'ৰবাত চলিব ধৰিছে ইছলামিক ৰাষ্ট্ৰ গঠনৰ ধাৰাবাহিক প্ৰচেষ্টা আৰু আন ক'ৰবাত চলিব ধৰিছে হিন্দুস্তান কেৱল হিন্দুৰ বাবেহে কৰাৰ ষড়যন্ত্ৰ। সাধাৰণ নাগৰিক বিস্মিত-বিভ্ৰান্ত। আস্থা-বিশ্বাস হেৰুৱাই পেলোৱা অৱস্থা। ধৰ্মীয় আৰু ৰাজনৈতিক নেতাই সাধাৰণ মানুহৰ শান্তি-সম্প্ৰীতি কেনেদৰে বিনষ্ট কৰে— এবাৰ ভাবি চাওক।

ধৰ্মৰ নিচা আৰু ক্ষমতা লোভী ৰাজনৈতিক নেতাৰ বিষম-বিপৰীত কাৰ্য-কলাপে ভাৰতক আজি অগ্নিগৰ্ভা কৰি ৰাখিছে। ঘৃণা আৰু বিদ্বেষেৰে প্ৰদূষিত হৈছে সমাজ। খং-ক্ষোভ হ'বলৈ ধৰিছে পঞ্জীভূত। কেতিয়া কাৰ ক'ত ক্ষোভৰ উদ্গীৰণ হয় তাক সহজে কোৱা টান যদিও উত্তপ্ত লাভাৰ ভয়াৱহ উদ্গীৰণ এদিন যে হ'ব সেইটো খাটাং।

ফোনঃ ৮৮২২১৮৮৬৭৯

# পৰিৱেশ সংৰক্ষণত জলাশয়ৰ ভূমিকা

## নিয়মীয়া পৰিষ্কৰণ আৰু আপডাল কৰি থাকিলে জলাশয়ত পানী সংৰক্ষণ সম্ভৱ হ'ব। গোটেই বছৰ ধৰি পানী জমা হৈ থাকিলে খৰালি কালতো ভূ-গৰ্ভৰ জলস্তৰৰ নিম্নগামী গতিক ৰোধ কৰিব পাৰি

### বিকাশ বৰদলৈ

**সমগ্ৰ** পৃথিৱীতে জলবায়ুৰ বিস্তৰ পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি আন্তঃৰাষ্ট্ৰীয় স্তৰতো পৰিৱেশ সংৰক্ষণৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। সাধাৰণ লোককো সচেতন আৰু উপযুক্ত পদক্ষেপ গ্ৰহণৰ প্ৰতি আকৰ্ষিত কৰিবলৈ পৰিৱেশ সংৰক্ষণৰ বিভিন্ন কাৰ্যসূচী যেনে— পাঁচ জুনত বিশ্ব পাৰিপাৰ্শ্বিক দিৱস, ২২ মাৰ্চত বিশ্ব জল দিৱস আদি উদ্‌যাপন কৰা হৈছে। পৰিৱেশ সংৰক্ষণৰ বাতৰিবোৰৰ পৰা দেখা যায় বেছিভাগ লোকেই বৃক্ষ-ৰোপণ, প্লাষ্টিক-পলিথিনৰ ব্যৱহাৰ ৰোধ, কল-কাৰখানাৰ পৰা সৃষ্টি হোৱা বায়ু প্ৰদূষণ, আৱৰ্জনাৰ পৰা সৃষ্টি হোৱা পানী প্ৰদূষণ আদিতহে কেৱল গুৰুত্ব প্ৰদান কৰিছে। পৰিৱেশ সংৰক্ষণত এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা জলাশয়বোৰৰ সংৰক্ষণ আৰু সংবৰ্ধনত যথোচিত গুৰুত্ব দিয়া নাই। প্ৰাকৃতিক অৱস্থান আৰু অত্যধিক বৰষুণৰ বাবে অসমত জলাশয়ৰ পৰিমাণ অন্য ৰাজ্যৰ তুলনাত অধিক। ভৌগোলিক অৱস্থান লক্ষ্য কৰিলে দেখা যায় ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুয়োপাৰে পাহাৰীয়া অঞ্চল অৱস্থিত। পাহাৰ অঞ্চলত হোৱা বৰষুণ আৰু অসম উপত্যকাৰ বৰষুণৰ পানী উপনৈসমূহৰ দ্বাৰা ব্ৰহ্মপুত্ৰলৈ বৈ আহে। ব্ৰহ্মপুত্ৰ উপত্যকা গড়ে মাথোঁ ৬২ কিলোমিটাৰমান বহল বাবে এই বৃহৎ জলৰাশিয়ে অসমত বানপানীৰ সমস্যা সৃষ্টি কৰে। এনে প্ৰাকৃতিক অৱস্থানৰ বাবেই অসমত জলাশয়ো অধিক দেখা যায়।

**অসমত জলাশয় ঃ** নদীৰ উপৰি ভূ-পৃষ্ঠৰ জলৰ আন এক প্ৰধান উৎস হৈছে জলাহ অঞ্চলবোৰ— যিবোৰক সাধাৰণতে আমি বিল, জলাশয়, দলনী, পিটনি, নলনি আদি বিভিন্ন নামেৰে উল্লেখ কৰো। অসমত ৩৫০০ তকৈ অধিক জলাহ অঞ্চল আছে যিবোৰৰ মুঠ মাটিকালি ১,০১,০০০ হেক্টৰতকৈয়ো অধিক। নৈয়ে সুঁতি সলোৱাৰ ফলত পুৰণা নৈত এৰাসুঁতিয়ে সৃষ্টি কৰা বিলৰ সংখ্যা অসমত যথেষ্ট, উদাহৰণস্বৰূপে মৰি দিছৈ, মৰিকলং ইত্যাদি। ব্ৰহ্মপুত্ৰৰ গতিপথ সলনি হোৱাত সৃষ্টি হোৱা বিল কাজিৰঙা আৰু ধেমাজিত দেখা যায়। ভূমিকম্পই উৎপত্তি কৰা শিৱসাগৰৰ জেৰেঙা, কামৰূপৰ চানডুবি, যোৰহাটৰ ঔনা বিল আদি উল্লেখযোগ্য। অসমত প্ৰায় সাতশ বিল আৰু পুখুৰী আছে আৰু এইবোৰত তুলনামূলকভাৱে ঘোলা পানীৰ অৱস্থিতি কম দেখা যায়। ধুবুৰী, নগাঁও, গোলাঘাট আৰু শিৱসাগৰত বিল আৰু পুখুৰীৰ সংখ্যা অধিক। কামৰূপৰ দীপৰ বিল, ধুবুৰীৰ ধীৰ বিল, বঙাইগাঁৱৰ দলনী বিল, কৰিমগঞ্জৰ সোণ বিল, উজনিৰ মেৰবিল আদি বৃহৎ আৰু উল্লেখযোগ্য বিল। নদীৰ নামনিত সৃষ্টি হোৱা ব-দ্বীপ আৰু এৰা সুঁতিয়ে সৃষ্টি কৰা জলাশয়ৰ সংখ্যাও অসমত ৮০০ ৰো অধিক আছে। এইবোৰৰ উপৰি অসমৰ বহু অঞ্চলত গোটেই বছৰ জুৰি পানী আৱদ্ধ হৈ থকা দ'-জলাহ অঞ্চলো অসংখ্য আছে। অসমৰ সাতখন ৰাষ্ট্ৰীয় বন উদ্যান আৰু ১৬ খন সংৰক্ষিত বনাঞ্চলৰ মাজতো বহুতো জলাহ অঞ্চল আছে। মানুহে সৃষ্টি কৰা বৃহৎ জলাধাৰ যেনে— শিৱসাগৰ, গৌৰীসাগৰ, জয়সাগৰ পুখুৰী আদিও আমাৰ জলাশয়ৰ এক গুৰুত্বপূৰ্ণ অংগ। একেদৰেই ৰাজস্থানৰ জয়পুৰৰ মান সাগৰ হ্ৰদ, পিচলা হ্ৰদ আদি অন্যতম মানৱসৃষ্ট বৃহৎ আৰু সুন্দৰ হ্ৰদ। এই হ্ৰদবোৰৰ মাজত নিৰ্মিত ৰাজমহলসমূহে আজিও পৰ্যটকক আকৰ্ষণ কৰি আছে।

**জলাহ অঞ্চলৰ গুৰুত্ব ঃ** পৰিৱেশবিদসকলে জলাশয়ক বিভিন্ন ভাগত ভাগ কৰিছে যদিও বিশ্বত মূলতঃ সাগৰীয় জলাশয় আৰু বৰষুণ, বৰফ, নৈয়ে সৃষ্টি কৰস্ন জলাশয়ৰ পৰিসৰ অধিক। এণ্টাৰ্কটিকাক বাদ দি সেয়ে পৃথিৱীৰ সকলো স্থানতে জলাশয়ৰ উপস্থিতি বিদ্যমান। জলাশয়ৰ পানী প্ৰধানকৈ বিশুদ্ধ পানী, লুণীয়া পানী অথবা আংশিক লুণীয়া। পশ্চিমবংগৰ সুন্দৰবন ভাৰতৰ অন্যতম বৃহৎ জলাহ অঞ্চল য'ত লুণীয়া পানীত হোৱা সাগৰীয় উদ্ভিদ মেংগ্ৰুভ গছৰ হাবিও আছে। মণিপুৰৰ লোকটাক হ্ৰদ, ওড়িছাৰ চিল্কা হ্ৰদ, গুজৰাটৰ নল সৰোবৰ আদি ভাৰতৰ বৃহৎ জলধাৰসমূহৰ অন্যতম। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাত জলাশয়ৰ গুৰুত্ব বৰ্তমান সময়ত এক আন্তঃৰাষ্ট্ৰীয় চৰ্চাৰ বিষয় হৈ পৰিছে। বনাঞ্চল অথবা পাহাৰৰ বাসিন্দাসকল যিদৰে জীৱন-ধাৰণৰ বাবে বননি অথবা পাহাৰৰ নিৰ্ভৰশীল হয়, ঠিক সেইদৰে জলাশয়ৰ পাৰত বাস কৰা বহু লোকৰ জীৱন-জীৱিকা জলাশয়ে নিয়ন্ত্ৰণ কৰে। জৈৱ বৈচিত্ৰ্যৰ প্ৰায় ৪০ শতাংশ উদ্ভিদ আৰু প্ৰাণী জলাশয়তে পোৱা যায়। জলজ প্ৰাণী যেনে শিহু, মাছ-কাছ, সাপ, জলাশয়ৰ কাষত বাস কৰা বিখ্যাত এশিঙীয়া গঁড়, পক্ষী, বিভিন্ন প্ৰকাৰৰ জলজ উদ্ভিদ যেনে— পদুম ফুল, ভেট ফুল, মেটেকা, কলমৌ, পুনি, মাখানা, জলাশয়ৰ কাষৰ উদ্ভিদ যেনে— এজাৰ, উড়িয়াম, স্থলপদ্ম আদিৰ উপস্থিতিৰে আমাৰ জৈৱ বৈচিত্ৰ্যত জলাশয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। জলাহ অঞ্চলে মানুহক বিভিন্ন ধৰণে উপকাৰ কৰে— (ক) জলাশয়ে আমাক খাদ্য আৰু পানীৰ যোগান দিয়ে, (খ) বানপানী, খৰাং পৰিস্থিতি, ধুমুহা আদিৰ পৰাও ৰক্ষা কৰি আহিছে। (গ) পৃথিৱীত জুলীয়া, বাষ্প আৰু বৰফ—এই তিনিটা অৱস্থাত থকা মুঠ জল সদায় সম পৰিমাণত থাকে বাবেই জনসংখ্যা বৃদ্ধিৰ লগে লগে জনমূৰি পানীৰ উপলব্ধতা হ্ৰাস হৈছে। এনে পৰিপ্ৰেক্ষিতত জলাশয়ৰ সংৰক্ষণ আৰু সংবৰ্ধনে গুৰুত্ব লাভ কৰিছে। নিয়মীয়া পৰিষ্কৰণ আৰু আপডাল কৰি থাকিলে জলাশয়ত পানী সংৰক্ষণ সম্ভৱ হ'ব। গোটেই বছৰ ধৰি পানী জমা হৈ থাকিলে খৰালি কালতো ভূ-গৰ্ভৰ জলস্তৰৰ নিম্নগামী গতিক ৰোধ কৰিব পাৰি। ইয়াৰ প্ৰভাৱত জলাশয়ৰ কাষৰ বসতি স্থানতো খৰালি ভূতল জলস্তৰ নিম্নগামী গতি ৰোধ হয়। অৰ্থাৎ খৰালি কালতো জলস্তৰৰ সাম্যতা ৰক্ষা কৰে, (ঘ) বৰষুণৰ পানী সঞ্চয়তো জলাশয়ৰ ভূমিকা উল্লেখনীয়।



অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চল পৃথিৱীৰ বেছি বৰষুণ হোৱা অঞ্চলত অৱস্থিত যদিও অসমত খৰালি কালত পানীৰ নাটনি হয়। জলাশয়ৰ পৰিকল্পিত সংৰক্ষণে বৰষুণৰ পানীৰ এক অংশ সঞ্চয় কৰাৰ লগতে খৰালিত পানীৰ অভাৱ বহু পৰিমাণে হ্ৰাস কৰিব (ঙ) পানীৰ গুণগত মান ৰক্ষা কৰে, (চ) মাছ আৰু পশু-পক্ষীৰ বিচৰণ স্থল হিচাপেও জলাহ অঞ্চলবোৰ এক গুৰুত্বপূৰ্ণ প্ৰাকৃতিক ব্যৱস্থা আৰু (ছ) প্ৰাকৃতিক সৌন্দৰ্যবৰ্ধনৰ এক গুৰুত্বপূৰ্ণ অংগ হিচাপে বিবেচিত হৈ আহিছে।

জলাশয়ত পৰিকল্পিতভাৱে জলজ খেতি কৰি আৰু মাছ পুহি আৰ্থিক উপাৰ্জন কৰিব পাৰি। লোকটাক, চিল্কা হ্ৰদ আদিত নৌকা বিহাৰ ব্যৱস্থা থকাৰ দৰে অসমৰ বৃহৎ বিলসমূহত পদুম, ভেটফুলৰ খেতি কৰি তাৰ মাজেদি নৌকাবিহাৰৰ ব্যৱস্থা কৰি পৰ্যটকক আকৰ্ষণ কৰাৰ সম্ভাৱনা আছে। তদুপৰি অসমৰ জলাহ অঞ্চললৈ বছৰৰ নিৰ্দিষ্ট সময়ত অসংখ্য পৰিভ্ৰমী চৰাই আহে। পৰিভ্ৰমী চৰায়ো পৰ্যটকৰ অন্যতম আকৰ্ষণ। অসমৰ বহু জলাহ অঞ্চলত শেহতীয়াকৈ কলমৌ নামৰ এক উদ্ভিদে গ্ৰাস কৰিছে। গছজোপা অতি ক্ষিপ্ৰতাৰে বৃদ্ধি হৈ জান-জুৰি, জলাহ অঞ্চল আদি আগুৰি ধৰাত জান-জুৰিৰ সোঁত বাধাপ্ৰাপ্ত হৈছে। ইতিমধ্যে বহু স্থানত খেতি-পথাৰো আগুৰি ধৰাত খেতি-মাটি নষ্ট হৈছে। অসমৰ সকলো স্থানতে দেখা পানী-মেটেকা মূলতঃ মধ্য আমেৰিকাৰ উদ্ভিদ। অসমত ৰোপণ কৰাৰ পাছতে অতি ক্ষিপ্ৰতাৰে বৃদ্ধি হৈ সমগ্ৰ অসম আগুৰি ধৰে। পানী মেটেকা সাৰ প্ৰস্তুতৰ বাবে উপযোগী যদিও ইয়াৰ ডাঠ পাতৰ বাবে পানীৰ মাজলৈ সূৰ্যৰ ৰশ্মি যোৱাত বাধাপ্ৰাপ্ত হয়। নৈৰ চৰ-চাপৰিত বিশেষকৈ নামনি অঞ্চলত মানুহে বাস কৰিবলৈ লোৱাত বহুতো জলাশয় ধ্বংস হৈছে। এই স্থানবোৰত বৰ্তমান কৃষি উৎপাদন বৃদ্ধি হৈছে যদিও পূৰ্বৰ তুলনাত মাছ উৎপাদন হ্ৰাস হৈছে। এনে ধৰণৰ পৰিস্থিতিৰ লগতে অন্যান্য বহু কাৰক সংযোজিত হোৱাত পানীত থকা বিভিন্ন প্ৰজাতিৰ মাছ, চৰাই, উদ্ভিদ, অন্যান্য প্ৰাণীকুল আদি হেৰাই গৈছে। যি আমাৰ পাৰিপাৰ্শ্বিকতাত বিৰূপ প্ৰভাৱ পেলাইছে। জলাশয়সমূহৰ সংৰক্ষণ আৰু উপাৰ্জনৰ লক্ষ্যৰে ব্যৱহাৰোপযোগী কৰিবলৈ শেহতীয়াকৈ চৰকাৰে গ্ৰহণ কৰা 'অমৃত সৰোবৰ'— নিশ্চয়কৈ এখন সময়োপযোগী আঁচনি। জনসাধাৰণেও চৰকাৰ নিৰ্ভৰ প্ৰৱণতা বিসৰ্জি ওচৰ-পাঁজৰৰ ৰাজহুৱা পুখুৰী, ক্ষুদ্ৰ জলাধাৰ আদি পৰিষ্কাৰ কৰি সচেতনতাৰ পৰিচয় দিয়া উচিত।

ফোন ঃ ৭০০২৭১৬৮২৬

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২০ আগষ্ট শনিবাৰ, ২০২২ পৃষ্ঠা ৫

**তক্ষশিলাৰ পাছতে অন্য এখন প্ৰধান বিশ্ববিদ্যালয় হ'ল নালন্দা। এই বিশ্ববিদ্যালয় বৰ্তমানৰ বিহাৰ ৰাজ্যত অৱস্থিত আছিল। এই বিশ্ববিদ্যালয় খ্ৰীষ্টীয় পঞ্চম শতিকাত প্ৰতিষ্ঠিত হৈছিল বুলি পণ্ডিতসকলে কয়। শক্ৰাদিত্য নামৰ ৰজাজনে ইয়াক প্ৰতিষ্ঠা কৰিছিল বুলি কথিত**



# ভাৰতৰ দুই প্ৰাচীন বিশ্ববিদ্যালয়
# তক্ষশীলা আৰু নালন্দা



ড° গিৰীশ বৰুৱা

**ৰামায়ণৰ** মতে তক্ষশিলা নগৰখন ভৰত ৰজাই প্ৰতিষ্ঠা কৰিছিল। পণ্ডিতসকলে ঠাৱৰ কৰিছে যে এই নগৰতে খ্ৰীঃপূঃ দশম শতিকাত তক্ষশিলা বিশ্ববিদ্যালয় স্থাপিত হৈছিল। এই বিশ্ববিদ্যালয় কিবা কাৰণত পঞ্চম শতিকাত বন্ধ হৈ যায়। এতিয়াও এই বিশ্ববিদ্যালয়ৰ ধ্বংসাৱশেষ পাকিস্তানত আছে।

ভাবিবৰ থল আছে যে বিশ্ববিদ্যালয়খন যিহেতু সিন্ধু নদীৰ পাৰত অৱস্থিত আছিল, এই নদীয়ে বোধহয় বিশ্ববিদ্যালয়খনৰ ঘৰ-দুৱাৰ খহাই পেলায়। নহ'লে বিদেশী আক্ৰমণকাৰীয়ে এই বিশ্ববিদ্যালয়খন ধ্বংসও কৰিব পাৰে। পণ্ডিতসকলে এইখন পৃথিৱীৰ আটাইতকৈ পুৰণি বিশ্ববিদ্যালয় বুলি কৈছে।

আমি ফাহিয়ান আৰু হিউৱেনচাঙৰ টোকাতো তক্ষশিলা বিশ্ববিদ্যালয়ৰ কথা পাওঁ। আলেকজেণ্ডাৰৰ লগত অহা গ্ৰীক ইতিহাসবিদসকলে তক্ষশিলা নগৰক এখন চহকী, উন্নতিশীল আৰু ভালদৰে শাসিত নগৰ বুলি অভিহিত কৰি থৈ গৈছে। ইয়াত থকা বিশ্ববিদ্যালয়লৈ সুদূৰ চীনদেশ, আৰব, মিছৰ, চিৰিয়া, বেবিলন, গ্ৰীচ আদি দেশৰ পৰা ছাত্ৰ-ছাত্ৰী আহি অধ্যয়ন কৰিছিল। প্ৰায় দহহেজাৰ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত অধ্যয়ন কৰিছিল। এই বিশ্ববিদ্যালয়ত যিটো পুথিভঁড়াল আছিল যি তিনিটা ভবনেৰে গঠিত হৈছিল। ইয়াত বৈদিক আৰু বৌদ্ধ শাস্ত্ৰৰ কিতাপ আছিল। ইয়াৰ উপৰি ইয়াত বিজ্ঞান, গণিত, চিকিৎসাশাস্ত্ৰ, ৰাজনীতি, যুদ্ধবিজ্ঞান, জ্যোতিষ, জ্যোতিৰ্বিজ্ঞান, সংগীতশাস্ত্ৰ, নৃত্যশাস্ত্ৰ, ধৰ্ম, ব্যাকৰণ, কৃষিবিজ্ঞান, বাণিজ্য, ভৱিষ্যদ্বিজ্ঞান, দৰ্শন - এই সকলোবোৰ বিষয়ৰ কিতাপ আছিল। তদুপৰি কেনেকৈ পুতি থোৱা বা লুকাই সংৰক্ষিত কৰি থোৱা ধন-সোণক কেনেকৈ উদ্ধাৰ কৰিব পাৰি সেই সম্পৰ্কীয় পুঁথি-পাঁজিও আছিল। ইংগিত যুক্ত আখৰত অহা সংবাদৰ অৰ্থ কেনেকৈ উলিয়াব লাগে সেই সম্পৰ্কীয় কিতাপো আছিল। লগতে ধনুৰ্বিদ্যা, চিকাৰবিদ্যা, হাতী ধৰা বিদ্যা আদিৰো কিতাপ আছিল।

তক্ষশিলাৰ শিক্ষা প্ৰণালীত ঘৰুৱা ভাবে শিক্ষা দিয়াৰো ব্যৱস্থা আছিল। অধ্যাপক সকলে নিজৰ ঘৰত ডাঙৰ পুথিভঁড়াল স্থাপন কৰি সেইবোৰক ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰৰ বাবে ৰাখিছিল।

তক্ষশিলাৰ পাছতে অন্য এখন প্ৰধান বিশ্ববিদ্যালয় হ'ল নালন্দা। এই বিশ্ববিদ্যালয় বৰ্তমানৰ বিহাৰ ৰাজ্যত অৱস্থিত আছিল। এই বিশ্ববিদ্যালয় খ্ৰীষ্টীয় পঞ্চম শতিকাত প্ৰতিষ্ঠিত হৈছিল বুলি পণ্ডিতসকলে কয়। শক্ৰাদিত্য নামৰ ৰজাজনে ইয়াক প্ৰতিষ্ঠা কৰিছিল বুলি কথিত।

নালন্দা বিশ্ববিদ্যালয় প্ৰধানতঃ এটা বৌদ্ধ শিক্ষাকেন্দ্ৰ আছিল। ই বৰ্তমানৰ পাটনাৰ (পূৰ্বৰ পাচলিপুত্ৰৰ) পৰা নব্বৈ কিঃমিঃ দক্ষিণ-পূবত অৱস্থিত আছিল। ইয়াক বখ্‌তিয়াৰ খিলজিয়ে ১২০০ খ্ৰীঃত ধ্বংস কৰে। ইয়াত বৌদ্ধশাস্ত্ৰ শিকোৱাৰ উপৰি চিকিৎসাশাস্ত্ৰ, ব্যাকৰণ, তৰ্কশাস্ত্ৰ আৰু গণিত শিকোৱা হৈছিল।

উল্লেখযোগ্য যে এই বিশ্ববিদ্যালয়ৰ পৰা চীনদেশলৈ বহুতো বৌদ্ধ ধৰ্মীয় শাস্ত্ৰ পঠোৱা হৈছিল। ইয়াৰ বেছি ভাগ শাস্ত্ৰই এই বিশ্ববিদ্যালয়তে ৰচনা কৰা হৈছিল। চীনা পৰিব্ৰাজক হিউৱেনচাঙৰ টোকাত এই বিশ্ববিদ্যালয়ৰ বিষয়ে পোৱা যায়। ইয়াত থকা পুথি-পাঁজিবোৰ গুপ্ত-লিপিত লিখা হৈছিল। এইবোৰৰ ভিতৰত বহুতবোৰ হিন্দু ধৰ্মীয় পুথি-পাঁজিও আছিল। বিশেষকৈ শিৱ, দুৰ্গা, গণেশ আৰু লক্ষ্মী সম্পৰ্কীয় পুথি-পাঁজিৰে ভৰি আছিল। পোৱা মাটিৰ ঘূৰণীয়া ফলিত এইবোৰৰ বিষয়ে বহুতো লিখিত তথ্য পোৱা যায়। তালপাতৰ লিখনিতো এনে তথ্য পোৱা যায়।

নালন্দা বিশ্ববিদ্যালয় যদিও এটা বৌদ্ধ প্ৰতিষ্ঠান আছিল, তথাপি এই বিশ্ববিদ্যালয়ৰ আশে-পাশে থকা ঠাইবোৰৰ বেছি ভাগতেই ব্ৰাহ্মণসকলে বসবাস কৰিছিল। বিশ্ববিদ্যালয়টোৰ প্ৰতি এই লোকসকলৰ অভূতপূৰ্ব বৰঙণি আছিল।

দহহেজাৰ ছাত্ৰ আৰু তিনিহেজাৰ শিক্ষকেৰে ই এখন বৰ উন্নত বিশ্ববিদ্যালয় আছিল। হিউৱেন চাঙেও ইয়াত পাঁচ বছৰ শিক্ষকতা কৰিছিল। এই বিশ্ববিদ্যালয় ধ্বংসৰ সময়ত ইয়াত নব্বৈ লাখ পুথি আছিল।

*ফোন ঃ ৭০০২৩৭৬৫০৫*

# বৃক্ষ! তোমাৰ ইতিহাস বিচাৰি

**গছ হ'ল সহনশীলতাৰ প্ৰতীক। সকলো দুৰ্যোগ-বিপৰ্যয় সিহঁতে নীৰৱে সহ্য কৰি লয়। গতিকে গছ মানুহৰ প্ৰেৰণাৰ উৎস। কোনো মানুহে যদি জীৱনৰ পথ অতিক্ৰম কৰোতে অহা বিপৰ্যয়ৰ সময়ত, গভীৰ অনুভূতিৰে গছৰ জীৱন ধাৰা আৰু ইয়াৰ চাৰিত্ৰিক বৈশিষ্ট্য উপলব্ধি কৰিব পাৰে, তেনেহ'লে তেওঁৰ হতাশাভৰা অন্তৰলৈও উভতি আহিব নতুন উৎসাহ, উদ্যম**



অনিতা গোস্বামী

**সকলো** প্ৰাণীৰে জন্মৰ এটা দিন থাকে, নিৰ্দিষ্ট এটা মুহূৰ্ত থাকে; মৃত্যুৰো থাকে সঠিক সময়। কিন্তু এই গছবোৰ? সিহঁতৰ জন্ম-মৃত্য নিৰ্ধাৰণ কৰা যে কঠিন কাম। বীজৰ পৰা অংকুৰ হয়, অংকুৰটো দুফাল হৈ গছৰ কাৰণে পথ মুকলি কৰি দিয়ে। তাৰ পাছত ক্ৰমবৰ্ধিত হয় গছডাল। গছডালৰ যেতিয়া মৃত্যু হয়, তেতিয়াও সি থিয় হৈয়েই থাকে। ভগা ডালবোৰৰ দুৰ্বল পাতবোৰেৰে নিভৃত হৈ থাকে তাৰ প্ৰাণ বীজৰ পৰা গছ— তাৰ পৰা ফল-মূল, গছৰ ডালত চৰাইৰ বাহ সিহঁতৰ কণী, কণীৰ পৰা পোৱালি..চৰাইবোৰৰ বংশ বৃদ্ধি।

চৰাইবোৰেও গছক দিয়ে প্ৰতিদান। গছৰ ফল অংশ খাই বীজটো দূৰত পেলাই দিয়ে। সিহঁতেই কৰে গছৰ বংশ বৃদ্ধি। আকৌ গছৰ ডালত পৰিয়েই সিহঁতে আৰম্ভ কৰে মধুৰ কাকলি...। আহ্ কি সুন্দৰ প্ৰাণৰ মিছিল। গছবোৰ থিয় হৈ থাকে ডাল, পাত প্ৰসাৰিত কৰি। বতাহ লাগি কঁপি উঠে সিহঁতৰ ডাল, পাত। ফাগুনৰ বতাহত ঝিৰঝিৰকৈ সৰি পৰে সিহঁতৰ মৰা পাতবোৰ। ৰ'দ, বতাহ, বৰষুণ কিমান যে প্ৰাকৃতিক দুৰ্যোগ হেলাৰঙে উপেক্ষা কৰে এই গছবোৰে। আৰু কেৱল প্ৰাকৃতিক দুৰ্যোগেই জানো? মানুহৰো দেখোন নিষ্ঠুৰ অত্যাচাৰ সিহঁতৰ ওপৰত। অথচ এনে এটা সময় আছিল, যিটো সময়ত বহুতো গোষ্ঠীৰ মত আছিল— 'যদি এডাল বৃক্ষ এটা প্ৰাণ আৰু যদি এটা প্ৰাণৰ বিনিময়ত শাস্তি হিচাপে দিব লাগে আন এটা প্ৰাণ, তেনেহ'লে এডাল বৃক্ষৰ প্ৰাণৰ বিনিময়তো দিব লাগিব অন্য এক প্ৰাণ। অৰ্থাৎ হত্যাৰ পৰিণাম মৃত্যু।

তথাপি কিন্তু গছবোৰ অলৰ। কোনো অভিযোগ নাই। নাই কোনো অভিমান। এক কথাত গছ মানুহৰ পৰম বন্ধু, সুহৃদ। গছ প্ৰেৰণাৰ উৎস। গছত ফল ধৰে। ফুল ফুলে। গছ দানশীল। গছ হ'ল ন্যায় বিচাৰক। কেৱল মানুহৰে নহয়, সকলো প্ৰাণীৰে আশ্ৰয়ৰ থল হ'ল এই গছবোৰ। কোনো পক্ষপাতিত্ব নকৰাকৈ সকলোকে গছে আশ্ৰয় দিয়ে। বিলাই দিয়ে সকলোকে সমানে নিজৰ সৌন্দৰ্য। গছৰ গুণাগুণ বিশ্লেষণ কৰিয়েই তাহানিতে মহাৰাজ অশোকেও মানৱৰ সুবিধাৰ কাৰণে ৰাস্তাৰ দাঁতিত বৃক্ষৰোপণ কৰিছিল। এই সত্যই যেন ধ্বনিত হৈ আছে যুগে যুগে, দেশে দেশে। আদিম মানৱৰ বাবে পৃথিৱীৰ সকলোবোৰেই আছিল জীৱিত। গছ- লতাও ইয়াৰ বাহিৰত নাছিল। কেৱল সিমানেই নহয়, সুপ্ৰাচীন কালৰ পৰা বিভিন্ন গোষ্ঠীৰ ওচৰত গছ আছিল পূজনীয়। হয়তো গছৰ দৃষ্টিগ্ৰাহ্য চেহেৰা আৰু সুন্দৰ চৰিত্ৰৰ বাবেই মানুহৰ মনত এনেভাবে ঠাই পাই বহিছিল। কিয়নো গছ হ'ল প্ৰাণৰ প্ৰতীক, প্ৰজননৰ প্ৰতিভূস্বৰূপ। কেৱল ভাৰতবৰ্ষতে নহয়, ইউৰোপৰো নানা দেশত গছক এসময়ত পূজা কৰা হৈছিল। প্ৰত্যেক দেশৰে অভিভাৱক বুলি গণ্য কৰা হৈছিল বিশেষ কোনো গছ। উদাহৰণস্বৰূপে জাৰ্মান বা ইংলণ্ডত ওক' গছে পূজা পাইছিল। ছুইডেনত আকৌ এনে কিছুমান বননি আছিল যাৰ প্ৰত্যেকডাল গছেই আছিল শ্ৰদ্ধেয়, উপাস্য। ৰোমত 'ফিগ' বা ডুমুৰ গছে এই সাম্ৰাজ্যৰ অন্তিম কাল পৰ্যন্ত ইয়াৰ নাগৰিকসকলৰ পৰা ভালপোৱা, পূজা আৰু শ্ৰদ্ধা পাই আহিছিল। আনকি আদি মানৱ আদাম আৰু ঈভৰ লজ্জা নিবাৰণী জুগাইবাৰ দৌলত 'ফিগ' হেনো যৌনবিদ্যা আৰু শক্তিৰ অধিকৰ্তা হিচাপেও গৃহীত। গ্ৰীকসকলৰ ওচৰত আকৌ 'অলিভ' বা জলপাই আজিও পৱিত্ৰ।



কেৱল গছেই নহয়, কোনো কোনো জনগোষ্ঠীৰ ওচৰত গছৰ ছায়াও আছিল পৱিত্ৰ। অতীজত মানুহৰ বিশ্বাস আছিল যে গছে পূজাৰীৰ মন্ত্ৰ শুনে, তেওঁ ব্যাধি নিৰাময় কৰে, অপমৃত্যুৰ পৰা তেওঁ মানুহক ৰক্ষা কৰে, ভক্তৰ যিকোনো আকাংক্ষা পূৰ্ণ কৰে। ভাৰতবৰ্ষতো গছ হ'ল দেৱতাৰ প্ৰতীক। একোডাল বৃক্ষ অথবা মহাবৃক্ষত একোজন দেৱতাৰ অধিষ্ঠান। আকৌ দেখা যায়, কোনো কোনো ধৰ্মীয় পুৰুষৰ লগত কোনো গছৰ বিশেষ সম্পৰ্ক আছিল। সেই সম্পৰ্কৰ কাৰণে গছডাল পৱিত্ৰ, পূজনীয় বুলি চিহ্নিত হয়। উদাহৰণ স্বৰূপে গৌতম বুদ্ধই সিদ্ধি লাভ কৰিছিল বটগছৰ তলত (বটবৃক্ষক হেনো ৰোমৰ 'ফিগ' গছৰ শ্ৰেণীতে ধৰা হয়।) মহাবীৰেও দিব্যজ্ঞান লাভ কৰিছিল শালগছৰ তলত। বুদ্ধৰ মৃত্যুও হৈছিল শালবৃক্ষৰ তলত। সিদ্ধ গোৰক্ষ নাথৰ সাধনাৰ আসন আছিল তেতেলী গছৰ তলত। সেই হিচাপে এই গছবোৰ মানুহৰ উপাস্য আৰু নমস্য হৈ পৰে।

বটবৃক্ষক অক্ষয় বট বুলিও কোৱা হয়। কোৱা হয় বট অমৰ, তাৰ মৃত্যু নাই। প্ৰয়াগৰ সংগমত যি বটবৃক্ষ আছে, সেইডালো হেনো শত শত বছৰ ধৰি জীয়াই আছে। আনকি শিৱপুৰৰ ব'টানিকেল গাৰ্ডেনৰ বটবৃক্ষডাল দণ্ডায়মান হৈ আছে বিশ্বৰ বিস্ময় বৃক্ষ হিচাপে। সেইডালৰ বয়স হেনো প্ৰায় আঢ়ৈশ বছৰতকৈয়ো অধিক। বেছ কিছুবছৰ আগৰ এক বিৱৰণি অনুযায়ী গছডাল ১,৮২৫টা শিপাৰ ওপৰত থিয় হৈ আছে এই শকত শকত শিপাবোৰৰ বিস্তাৰ হেনো প্ৰায় আঢ়ৈ হেক্টৰ মাটি আগুৰি। বুদ্ধগয়াৰ গছডালৰ বয়স বহুতে মাত্ৰ ১১০ বছৰমান বুলি কয়। কিন্তু সন্ন্যাসীসকলৰ মতে বৰ্তমানৰ গছডাল চতুৰ্থ প্ৰজন্মৰ গছ। আদি বৃক্ষৰ ডালৰ পৰা তাৰ জন্ম। সেই হিচাপে ইয়াৰ বয়স আঢ়ৈ হেজাৰ বছৰৰো বেছি।

গছে যিদৰে মাটিৰ স'তে প্ৰকৃতিক আত্মীয়তাৰ বান্ধোনেৰে বান্ধি ৰাখিছে, ঠিক তেনেদৰে স্বৰ্গৰ স'তে পৃথিৱীৰ সেতুও ৰচনা কৰিছে। সেই কাৰণে বহুতো জনগোষ্ঠীয়ে একমাত্ৰ স্বাভাৱিকভাৱে মৃত বা ভূপাতিত বৃক্ষহে ব্যৱহাৰ কৰে। জীৱন্ত গছক তেওঁলোকে কেতিয়াও নাকাটে। কোনো কোনো অঞ্চলত আকৌ মানুহে বিশ্বাস কৰে যে বানপানীৰ প্ৰৱল সোঁতে যেতিয়া শিপাৰে স'তে গছক উভালি উটুৱাই লৈ যায়, তেতিয়া হেনো পানীত পৰা মানুহে মাটিক খামুচি ধৰাৰ দৰে গছডালেও নিজক ৰক্ষা কৰিবৰ বাবে মাটিত খামোচ মাৰি ধৰে। মানুহৰ হাতৰ আঙুলিৰ দৰে এই শিপাবোৰৰ জীৱন ৰক্ষাৰ প্ৰবল প্ৰচেষ্টা দেখি ভাববিহ্বল হৈ পৰে সেই অঞ্চলৰ মানুহ। জাৰ্মান বা ইংলণ্ডৰ মানুহে ওক গছৰ পতনৰ সময়ত সিহঁতৰ আৰ্তনাদ শুনা পায়। চীনৰ মানুহে আকৌ বিশ্বাস কৰে যে গছ কাটিলে সিহঁতে কান্দে। সিহঁতৰ গাৰ পৰা তেজ ওলায়। চীনৰ মানুহে কটা গছৰ ৰস পান কৰে। গছৰ লগত মানুহৰ ওতঃপ্ৰোত সম্পৰ্ক। যেন তেজৰহে সম্পৰ্ক। গছে অপৰাধী ভাইক কেতিয়াও ক্ষমা নকৰে। আমাৰ দেশ ভাৰতবৰ্ষত যিহেতু প্ৰতিডাল বৃক্ষই দেৱতাৰ অধিষ্ঠান বুলি বিশ্বাস কৰা হয়, গতিকে সেই গছক কটাৰ আগতে পূজা কৰি লোৱা হৈছিল। পূজা-অৰ্চনাৰ অন্তত গছৰ আত্মাক প্ৰাৰ্থনা কৰি এই বুলি কোৱা হৈছিল যে বৃক্ষ, তোমাক কাটিবলৈ আমি বাধ্য হৈছো। গতিকে অনুগ্ৰহ কৰি প্ৰতিশোধ নলৈ তুমি যেন অন্য বৃক্ষত আশ্ৰয় গ্ৰহণ কৰা। ভাৰতৰ মনুৱে কৈছিল— গছ-লতাৰ কেৱল প্ৰাণেই নহয়, লগতে আছে চেতনা বোধ।'

গছ হ'ল সহনশীলতাৰ প্ৰতীক। সকলো দুৰ্যোগ-বিপৰ্যয় সিহঁতে নীৰৱে সহ্য কৰি লয়। গতিকে গছ মানুহৰ প্ৰেৰণাৰ উৎস। কোনো মানুহে যদি জীৱনৰ পথ অতিক্ৰম কৰোতে অহা বিপৰ্যয়ৰ সময়ত, গভীৰ অনুভূতিৰে গছৰ জীৱন ধাৰা আৰু ইয়াৰ চাৰিত্ৰিক বৈশিষ্ট্য উপলব্ধি কৰিব পাৰে, তেনেহ'লে তেওঁৰ হতাশাভৰা অন্তৰলৈও উভতি আহিব নতুন উৎসাহ, উদ্যম।

মানুহৰ অমূল্য সম্পদ চকুহাল। সেই চকুজুৰি যেতিয়া বিশেষভাৱে ব্যৱহৃত হয় অৰ্থাৎ চকুত যেতিয়া বিশেষ জোৰ পৰে, তেতিয়া তাক জিৰণি দিবলৈ দূৰৰ সেউজীয়া গছ-গছনিলৈ চাই পঠিওৱা হয়। সেই সেউজীয়া গছ-গছনিত দৃষ্টি নিক্ষেপে চকুহালক দিয়ে বিশ্ৰাম। আঁতৰি যায় সকলো ক্লান্তি। পুনৰ সতেজ হৈ উঠে চকুহাল।

এই সকলোবোৰৰ অন্তত গছক আখ্যা দিম কি বুলি। গছ মানুহৰ একান্ত বান্ধৱ, সুহৃদ। গছ দানশীল, সহনশীল। কেৱল মানুহৰে নহয়, সকলো প্ৰাণীৰে আশ্ৰয়ৰ থল এই গছবোৰ। গছ মানুহৰ প্ৰেৰণাৰ উৎস। অথচ এই সকলো গুণেৰে বিভূষিত হোৱাৰ পাছতো গছ সম্পৰ্কে আমাৰ অনুভূতি ক্ৰমে স্থূলৰ পৰা স্থূলতৰ হৈ আহিছে। কিমান আশ্চৰ্যৰ কথা।

*ফোন ঃ ৯৮৬৪২৯৫০২৪*

# চৰকাৰী পৃষ্ঠপোষকতাত বিপৰ্যস্ত
# অসমৰ গ্ৰাম্য অৰ্থনীতি

লক্ষীনাথ ফুকন

**অসম** এখন গ্ৰাম্য প্ৰধান ৰাজ্য। অসমৰ আশী শতাংশতকৈয়ো অধিক ঠাই গ্ৰাম্যাঞ্চল। গতিকে অসমৰ কৃষি অৰ্থনীতি নিৰ্ভৰ কৰে মূলতে গ্ৰাম্য অঞ্চলৰ পৰা। আহোম ৰাজতন্ত্ৰৰ দিনত অসমৰ গ্ৰাম্য অৰ্থনীতি বৰ শক্তিশালী আছিল। দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীবোৰ থলুৱাভাৱে উৎপাদন কৰিছিল। স্বতন্ত্ৰীয়া ব্যৱস্থা এটা গঢ় দি যুদ্ধৰ সামগ্ৰীৰ পৰা পিন্ধা কাপোৰ-কানিলৈকে নিজে প্ৰস্তুত কৰিছিল। শিলৰ সাকোঁ, ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, আপুৰুগীয়া মৈদাম, জনমঙ্গলৰ স্বাৰ্থত খন্দোৱা বৃহৎ বৃহৎ পুখুৰীবোৰ, শিৱ দ'ল, জয় দ'ল, বিষ্ণু দ'ল, নিৰাপত্তাৰ স্বাৰ্থত নিৰ্মাণ কৰা গড়। যাতায়াতৰ সুবিধাৰ বাবে সাজি উলিওৱা বাটপথ আদিবোৰে উন্নত স্থাপত্যৰ নিদৰ্শন দাঙি ধৰিছিল আৰু এই উন্নত স্থাপত্য ভাস্কৰ্যবোৰে অসমীয়া জাতিক সু-সভ্যতাৰ নমুনা দিছিল। সেই সময়ত অসমীয়া এটা কেৱল জাতি নাছিল, ই এটা বিশ্ব বৰেণ্য বিৰল সভ্যতা। ধৰ্মভিত্তিক বিভাজনেৰে আৰম্ভ হোৱা গৃহযুদ্ধই অসমীয়া জাতিৰ কঁকাল ভাঙি দিলে। ভূতৰ ওপৰত দানহ পৰাৰ দৰে এনে জাতীয় দুৰ্যোগৰ সময়ত আকৌ আহিল মানৰ উপৰ্যুপৰি দুবাৰকৈ আক্ৰমণ। মান সেনাৰ দানৱীয় অত্যাচাৰত অসমীয়া জাতি ছেদেলি-ভেদেলি হৈ পৰিছিল। চাৰিওফালে কেৱল মৃত্যুৰ কিৰিলি। মানক খেদি ব্ৰিটিছ আহিল। এই ব্ৰিটিছেই যুদ্ধ সহায়ৰ অলিচা লৈ গোঁজেই গঁজালি হ'ল। পাইক প্ৰথাৰ দৰে জনমুৰী শ্ৰম প্ৰথাৰ অৱসান ঘটাই আধুনিক এক সমাজ ব্যৱস্থাৰ বাট মুকলি কৰিলে। সেইসময়ত অৱশ্যে যুদ্ধ বিধ্বস্ত অসমত জনবসতি একেবাৰে সেৰেঙা হৈ পৰিছিল। কোনো কোনো অঞ্চল একেবাৰে জনশূন্য হৈ গৈছিল। ব্ৰিটিছে সমস্ত ক্ষমতা নিজৰ হাতলৈ নি অসমত কৃষি অৰ্থনীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দ সাৰুৱা মাটিবোৰত ধান আৰু মৰাপাটৰ খেতি। অসমৰ বনাঞ্চলত চাহগছ আৱিস্কাৰ আৰু ইয়াৰ সম্ভাৱনা সম্পৰ্কে জ্ঞাত হোৱাত ওখ মাটিবোৰ অধিগ্ৰহণ কৰিলে। এই ওখ মাটিত চাহৰ উপৰিও কুঁহিয়াৰ, কফি, ৰবৰ আদি উৎপাদনৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিলে। ব্ৰিটিছৰ এই কৃষি অৰ্থনীতিটো পৰিচালনাৰ বাবে কঠোৰ শ্ৰম কৰিব পৰা কৃষক আৰু শ্ৰমিকৰ আৱশ্যক হ'ল। থলুৱা লোকৰ দ্বাৰা এই চাহিদা পূৰণ নোহোৱাত পূৰ্ব বঙ্গৰ পৰা মুছলমান লোকসকলক ধান আৰু মৰাপাট খেতিৰ বাবে আমদানি কৰে আৰু চাহ খেতিৰ বাবে ঝাৰখণ্ড, উৰিষ্যা, ছটিছগড়, বিহাৰ, তেলেংগানা আদিৰ পৰা আমদানি কৰিলে চাহ শ্ৰমিকসকলক। এনেকৈয়ে ব্ৰিটিছে অসমত কৃষি অৰ্থনীতিৰ ওপৰত গুৰুত্ব দি কাম কৰিছিল। অৱশ্যে ব্ৰিটিছে অনা পূব বঙ্গীয় মুছলমান লোকসকলৰ সমান্তৰালভাৱে অসমৰ থলগিৰি লোক সকলেও নিজৰ প্ৰয়োজনীয় কৃষি সামগ্ৰীবোৰ নিজেই উৎপাদন কৰিছিল। সেইবোৰৰ ভিতৰত ঘেঁহু, মাহ, শাক-পাচলি, ফলমূল ইত্যাদি। বহু থলুৱা কৃষক পৰিয়ালে নিমখ, জুইশলা, সূতা-নেতা কেইপদমান বস্তুৰ বাহিৰে বাকীবোৰ ঘৰুৱাভাৱে উৎপাদন কৰিছিল। এই প্ৰক্ৰিয়া ভাৰতবৰ্ষৰ স্বাধীনতাৰ পাছতো চলি আছিল। আজিৰ পৰা দুই-তিনি দশকৰ আগলৈকে প্ৰায়বোৰ থলুৱা অসমীয়া মানুহৰ ঘৰত একোখনকৈ ডাঙৰ বাৰী আছিল। য'ত বাঁহ, মূল্যৱান গছ, আম, কঁঠাল, জামু, লিচু, আনাৰস, কুঁহিয়াৰ, কল, লেতেকু, পনিয়লেৰে ভৰপূৰ আছিল। আশী দশকৰ মাজভাগৰ পৰা অসমত ব্যক্তিগতখণ্ডত চাহবাগান খুলিবলৈ চৰকাৰে অনুমতি দিয়ে। প্ৰথমাৰ্দ্ধত বহুজাতিক চাহ কোম্পানীবিলাকে ভৱিষ্যতে নিজৰ স্বাৰ্থসিদ্ধি হোৱা পৰিকল্পনাৰে ক্ষুদ্ৰ চাহ খেতিয়কসকলক প্ৰতি কেজি চাহত এক লাভজনক মূল্য প্ৰদান কৰে। তাকে দেখি থলুৱা অসমীয়া মানুহে (বিশেষকৈ উজনি অসমত) উত্তৰাধিকাৰী সূত্ৰে পোৱা ওখ পৈতৃক সম্পত্তিৰ মাটিবোৰত চাহ বাগান খুলিলে। এনেকৈয়ে পূৰ্বতে বাঁহ, মূল্যৱান গছ, ফলমূল, কল, কুঁহিয়াৰ থকা ভাল বাৰীবোৰৰ ঠাই ল'লে চাহ বাগানে। বহুজাতিক কোম্পানীৰ লক্ষ্য অনুযায়ী যেতিয়া চাহ বাগান উপযোগী থলুৱা লোকৰ মাটিত বাগান খোলা হৈ গ'ল তেতিয়া চক্ৰান্তমূলক ভাৱে কেঁচা চাহপাতৰ মূল্য কমাই আনিলে। ক'ভিডৰ আগমনৰ আগত ক্ষুদ্ৰ চাহ খেতিয়কসকলে কেঁচা চাহপাতৰ সঠিক মূল্য নোপোৱাত অৱস্থা শোচনীয় হৈ পৰিছিল। হতাশাত বহুতে চাহ বাগান ভাঙি পুনৰ অন্য খেতি আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছিল। যোৱা তিনিটা বছৰত আন্তৰ্জাতিক বাণিজ্যিক পৰিস্থিতি পৰিৱৰ্তন হৈছে। চাহ উৎপাদনশীল ৰাষ্ট্ৰকেইখন হ'ল, 'ভাৰতবৰ্ষ, শ্ৰীলংকা, চীন আৰু কেনিয়া। শ্ৰীলংকাত ঘপহকৈ উৎপাদন কমি আহিল। য'ত এতিয়া দুৰ্ভিক্ষ হৈছে। কৰ'না ভাইৰাছৰ দৰে জৈৱিক অস্ত্ৰ নিৰ্মাণ কৰাৰ অভিযোগ তুলি বহু দেশে চীনৰ সৈতে বাণিজ্যিক লেনদেন কৰিবলৈ অসন্মত হৈছে। বহুতে ইতিমধ্যে সম্পৰ্ক ছেদ কৰিছেই। গতিকে আন্তৰ্জাতিকভাৱে চাহৰ বজাৰখনত ভাৰতে আধিপত্য বিস্তাৰ কৰাৰ সুযোগ পাইছে। কৰ'না ভাইৰাছৰ আলম লৈ বিগত তিনিটা বছৰত কেঁচা চাহপাতৰ মূল্য কিছু বাঢ়িছে যদিও তাৰ সমান্তৰালভাৱে দৰৱৰ মূল্য, সাৰৰ মূল্য, শ্ৰমিকৰ মজুৰি বৃদ্ধি পাইছে। আন্তৰ্জাতিক বজাৰত অসম তথা ভাৰতৰ চাহৰ গুৰুত্ব আৰু মূল্য বাঢ়িছে যদিও কোম্পানীয়ে ক্ষুদ্ৰ চাহ খেতিয়কসকলক লাভজনক মূল্য দিয়া নাই। আনহাতে পূৰ্বতে উল্লেখ কৰিছো যে, অসম এখন গ্ৰাম্য প্ৰধান অঞ্চল। পূৰ্বতে ধানখেতিয়েই আছিল গ্ৰাম্য অৰ্থনীতিৰ মেৰুদণ্ড। আজিৰ পৰা দুটা তিনিটা দশকৰ আগত ধানখেতি কৰা এজন কৃষকে নিজৰ ল'ৰা-ছোৱালীক ধান বিক্ৰী কৰি সমস্ত পঢ়াৰ খৰচ যোগাৰ কৰাৰ লগতে পৰিয়াল পোহপাল দিছিল। কেতিয়াবা খেতিৰ বাবে ৰখা হালোৱা গৰু এটা বিক্ৰী কৰিও জোৰা-তাপলি মাৰিছিল। ধানখেতিৰ পাছত ৰবি শস্য, শাক-পাচলিৰ খেতি আৰম্ভ হয়। সৰিয়হ খেতিৰ পৰা মিঠাতেল, ঘেঁহুৰ পৰা আটা, মাটিমাহৰ পৰা মাটিদাইল উৎপাদন কৰি লৈছিল। আলু, পিঁয়াজ, নহৰু, আদা আদি ঘৰৰ বাৰীতেই খেতি কৰে। হাঁহ, কুকুৰা, ছাগলী, গৰু, গাহৰি, মীন, এৰীপলু, মুগা পলু পালনৰ যোগেদিও ঘৰুৱা উৰ্পাজনলৈ টকা আহিছিল। তামোল-পাণ, কল, কুহিয়াৰ, নাৰিকল, ৰবাব টেঙা, বৰ টেঙা, নেমু টেঙা, ঔ টেঙা, নানা ধৰণৰ থলুৱা ফলমূল আদিবোৰ বাৰীতেই থাকে। কচু, ঢেঁকীয়া, বেঁতগাজ, নলটেঙা, টিকনি বৰুৱা, চেঙমৰা আদিৰ দৰে বনৰীয়া শাক হাবি-জংঘল য'তে-ত'তেই পোৱা যায়। কাৰো ওপৰত নিৰ্ভৰ নকৰাকৈ স্বতন্ত্ৰ অৰ্থনীতিৰে জীয়াই থাকিব পৰা এটা উৎপাদন ব্যৱস্থা। কিন্তু দুখৰ বিষয় মাটিখিনি খেতি নকৰাকৈ পেলাই থোৱা দেখা গৈছে। শ্ৰমজীৱীসকলেও পূৰ্বৰ দৰে শ্ৰম কৰিবলৈ এৰিছে। বিনামূলীয়া চাউল, বিভিন্ন চৰকাৰী আঁচনিৰ জৰিয়তে বিনা কষ্টৰ টকা পাইছে। গতিকে শ্ৰম নকৰিলেও চৰকাৰৰ অনুগ্ৰহত জীয়াই থকাৰ সুবিধা হৈছে। বাৰিষা বতৰৰ পাছত শাক-পাচলিৰ খেতি খেতিয়কে একেলগে আৰম্ভ কৰে। আঘোণ পুহ, মাঘ মাহত পুৰঠ বা গুটি ধৰে। একেসময়তে খেতি আৰম্ভ কৰে বাবে একে সময়তে উৎপাদনো হয়। অধিক ফচলত গ্ৰাহকৰ সংখ্যা কমে। নামনি অসমত আলু খেতিয়কে উপযুক্ত পাপ্য নাপাই হাহাকাৰ কৰা আমি সকলোৱে দেখিছো। শাক-পাচলি খেতি কৰা খেতিয়কে উপযুক্ত বজাৰ নাপাই উৎপাদিত সামগ্ৰী ৰাজপথত পেলাই দিয়া উদাহৰণও বহুত। এনে বহু কাৰণত মানুহৰ উৎপাদন প্ৰক্ৰিয়াটোৰ প্ৰতি অনীহা আহিছে। মানুহে এতিয়া খেতি পথাৰ, চাহ বাগান, শাক-পাচলি বাৰী এৰি চৰকাৰে দিয়া বিনামূলীয়া চাউল, বিনামূলীয়া ঘৰ, চৰকাৰী আঁচনিৰ টকাৰ পাছে পাছে দৌৰিছে। মানুহবোৰক চৰকাৰ মুখাপেক্ষী কৰাটো জাতিৰ, দেশৰ ভৱিষ্যতৰ বাবে মংগলজনক নে? এখন দেশৰ উন্নতি নিৰ্ভৰ কৰে সেই দেশখনৰ উৎপাদন ব্যৱস্থাৰ ওপৰত। ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা মিছাইল বিজ্ঞানী এ পি জে আব্দুল কালামেও দেশৰ জনগণক উৎপাদন প্ৰক্ৰিয়াটোৰ লগত জড়িত হ'বলৈ পৰামৰ্শ দি গৈছে।

সম্প্ৰতি অসমৰ কৃষি অৰ্থনীতি বিপৰ্যস্ত হৈছে। চৰকাৰে শাসনত টিকি থকাৰ স্বাৰ্থত জনসাধাৰণক বিনামূলীয়া চাউল যোগান, বিভিন্ন আঁচনিৰ জৰিয়তে বিনা কষ্টৰে টকা, খাল-বিল, নলা-নৰ্দমা, বাটপথ নিৰ্মাণৰ বাবে চৰকাৰে গ্ৰহণ কৰা জবকাৰ্ড আঁচনি। যি আঁচনিৰ জৰিয়তে এজন জৱকাৰ্ড হল্ডাৰে গাঁৱৰ আন জৱকাৰ্ড হল্ডাৰবোৰৰ লগত সমূহীয়াভাৱে শ্ৰমদান কৰিব লাগে। এই জবকাৰ্ড আঁচনিৰ কাম-কাজ মন কৰিবলগীয়া। কোনোৱে জৱকাৰ্ডত কাম কৰিবলৈ আহি অদৌ-বদৌকে সময়খিনি ব্যয় কৰি আবেলি হাজিৰা লৈ গুচি যায়। কোনোৱে আকৌ কৰ্মস্থলিলৈ নহাকৈয়ে বহি বহি হাজিৰা খায়। কৃষকৰ নামত চৰকাৰে হিতাধিকাৰীৰ একাউন্টত টকা ভৰাই দিছে। দুখৰ বিষয় গৰিষ্ঠসংখ্যক খেতি-বাতিৰ লগত জড়িত নোহোৱা লোকে চৰকাৰী টকা খাইছে; আনকি চৰকাৰী চাকৰি-বাকৰি কৰা মানুহেও কৃষকৰ নামত অহা টকাবোৰ আত্মসাৎ কৰিছে। এনেকৈয়ে চৰকাৰী পুঁজিৰ ব্যাপক অপচয় কৰা দেখা গৈছে। আজি বহু বছৰ ধৰি ধানৰ মূল্য অপৰিৱৰ্তিত হৈ আছে। এফালে উৎপাদনৰ ব্যয় বাঢ়িছে আনফালে বিক্ৰী মূল্য কমিছে। এক বিঘা মাটিত খেতি কৰিলে যিমান পৰিমাণৰ টকা ব্যয় হয়, বিঘাত উৎপাদিত হোৱা ধান বিক্ৰী কৰিলেও সেই খৰচৰ মূল্য নোলায়। বিনামূলীয়া চাউলে ঘৰুৱা ধান-চাউলৰ বজাৰখন ধ্বংস কৰি পেলালে। চৰকাৰে এফ চি আইৰ যোগেদি থলুৱা ধান ক্ৰয় কৰাৰ কথা কৈছে। এই প্ৰক্ৰিয়াত কৃষকে ধানখেতি কৰা মাটিখিনিৰ ম্যাদী পট্টা দেখুৱাব লাগে। দ্বিতীয়তে, মিহলি নোহোৱা এক জাতৰ ধান হ'ব লাগিব। প্ৰক্ৰিয়াটো আসোঁৱাহপূৰ্ণ। কৃষকে বিক্ৰী মূল্যও যথা সময়ত নাপায়। লেহেমিয়া এক প্ৰক্ৰিয়া। কৃষকৰ বাবে ধান পকে মানে টুনী) মৰণৰ দৰে হয়। ধান খেতিৰ জৰিয়তে লাভান্বিত হ'ব শেহতীয়াভাৱে শ্ৰীলংকাৰ পৰিস্থিতি আমি সকলোৱে দেখিছো। উৎপাদন প্ৰক্ৰিয়াটো আওকাণ কৰি চলা কাৰণে শ্ৰীলংকাৰ জনসাধাৰণে এসাঁজ ভাত, এখন ৰুটিৰ কাৰণে এতিয়া হাহাকাৰ কৰিব লগা হৈছে। চৰকাৰী পৃষ্ঠপোষকতাত দেশৰ উৎপাদন প্ৰক্ৰিয়াটো ধ্বংস কৰা হৈছে। গতিকে অসম তথা ভাৰতবৰ্ষতো যে শ্ৰীলংকাৰ পৰিস্থিতি নহ'ব তাৰ কোনো গেৰান্টি নাই। চৰকাৰে ভোট বেংকৰ স্বাৰ্থত বনোৱা হিতাধিকাৰী ৰাজনীতি পৰিহাৰ কৰি দেশৰ জনগণক কৰ্মমুখী কৰি তোলক। তেতিয়াহে দেশ আৰু জাতিৰ ভৱিষ্যত সুৰক্ষিত হ'ব। উৎপাদনক উৎসাহিত কৰিবলৈ হ'লে কৃষকৰ উৎপাদিত সামগ্ৰীৰ সঠিক মূল্য ব্যৱস্থা হ'ব লাগিব। প্ৰথমে চাহখেতিয়ক সকলে যাতে উপযুক্ত প্ৰাপ্য পায়, তাৰ ওপৰত চৰকাৰে গুৰুত্ব দিব লাগিব। অসমৰ চাহৰ সাম্ৰাজ্যখন বহিৰাগত লবীৰ দ্বাৰা লালিত-পালিত। অসমৰ চাহ উৎপাদনত কোম্পানীৰ বাগানৰ উপৰি ক্ষুদ্ৰ চাহ খেতিয়কসকলে এক গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰি আহিছে। নিজৰ লাভালাভৰ বাবে কোম্পানী বাগানৰ অধীনস্থ চাহ ফেক্টৰী বিলাকে বা কেৱল চাহ প্ৰস্তুতৰ বাবে নিৰ্মাণ কৰা চাহফেক্ট্ৰৰী মালিকসকলে ক্ষুদ্ৰ চাহ খেতিয়কসকলক কেঁচা চাহপাতৰ উপযুক্ত দাম নিদিয়ে। গতিকে চৰকাৰৰ হস্তক্ষেপ অতি জৰুৰী হৈ পৰিছে। অসমৰ চাহ যিহেতু পৃথিৱী বিখ্যাত। চাহপাত উৎপাদন কৰিলে বজাৰ নোপোৱা কথা নাই। আন্তৰ্জাতিক বজাৰত অসমৰ চাহৰ মূল্য, যাতায়াতৰ ব্যয়, এক কেজি শুকান চাহপাত প্ৰস্তুত কৰোতে প্ৰয়োজন হোৱা কেঁচা চাহপাত, শ্ৰমিকৰ ব্যয়, ফেক্টৰী ব্যয় আদি উলিয়াই চৰকাৰে মূল্য নিৰ্ধাৰণত চকু ৰাখি পুঁজিপতি চাহগোষ্ঠীটোক হস্তক্ষেপ কৰিব লাগে। তেতিয়া নিশ্চিতভাৱে ক্ষুদ্ৰ চাহ খেতিয়ক সকল উপকৃত হ'ব। এই বিষয়টো এই কাৰণেই অধিক গুৰুত্ব আৰোপ কৰা হৈছে যে, চাহ খেতিত অসমৰ পঞ্চাশ লাখতকৈ অধিক কৃষক জড়িত হৈ আছে আৰু ই আন্তৰ্জাতিক গুৰুত্ব থকা কৃষি। ধান-চাউল, সৰিয়হ, ঘেঁহু, মাকৈ, থলুৱা ফলমূল, শাক-পাচলি বিক্ৰী কৰিবৰ কাৰণে এখন বজাৰৰ প্ৰয়োজন। গতিকে পূবৰ বন্ধ দুৱাৰখন খুলিব লাগিব। এই দুৱাৰ খুলিবলৈ হ'লে ষ্টীলৱেল পথ নিৰ্মাণ কৰি ম্যানমাৰ, থাইলেণ্ড, চীন, ভিয়েটনাম, কম্বোদিয়া, লাউচ, টাইৱান, বাংলাদেশ আদি ৰাষ্ট্ৰৰ স'তে সংযোগ স্থাপন কৰিব পৰা যাব আৰু এই সংযোগ পথেৰে ওপৰত উল্লেখিত কৃষকৰ উৎপাদিত সামগ্ৰীবোৰ বিক্ৰী কৰিবলৈ এখন উপযুক্ত বজাৰ সৃষ্টি কৰিব পৰা যাব। অসমত চাউলৰ মূল্য যিমান, ম্যানমাৰত তাৰ দুগুণ। অসমত কেতিয়াবা কবি, শাকৰ মূল্য প্ৰতিকেজিত দুই-তিনি টকা পৰ্যন্ত হয়। যদি এই কবি, শাক ওপৰত উল্লেখিত ৰাষ্ট্ৰকেইখনত নি বিক্ৰী কৰাৰ সুবিধা কৰিব পৰা যায় তেতিয়া নিশ্চিতভাৱে এক লাভজনক মূল্য পোৱা যাব। গৰু, ম'হ, ছাগলী বাংলাদেশৰ বজাৰত বিক্ৰী মূল্য বহুত বেছি। ইয়াত এটা গৰুৰ দাম যিমান বাংলাদেশত তাৰ দুগুণ-তিনিগুণ। অসমত উৎপাদিত খাদ্যসামগ্ৰীৰ বহুবোৰ অন্য ৰাষ্ট্ৰত উৎপাদিত নহয়। এনে প্ৰেক্ষাপটত আমি সুযোগৰ সদ্ ব্যৱহাৰ কৰিব লাগে। বৰাচাউল, জহাচাউল হ'ল অসমৰ অতি দুৰ্লভ প্ৰজাতিৰ দুবিধ চাউল। ইয়াক আন্তৰ্জাতিক পৰ্যায়লৈ লৈ যাব পাৰিলে অসমৰ ধান খেতিয়কসকল লাভবান হোৱাৰ উপৰি খেতিৰ প্ৰতি আগ্ৰহ বাঢ়িব। যেনেকৈ অসম আৰু ত্ৰিপুৰাত উৎপাদিত হোৱা কঁঠাল আটাইতকৈ উৎকৃষ্টমানৰ বুলি কোৱা হয়। এই কঁঠালৰো বাণিজ্যিক সম্ভাৱনা নথকা নহয়। এই লিখনিৰ যোগেদি চৰকাৰক আহ্বান জনাব বিচাৰো যে, ষ্টীলৱেল পথ নিৰ্মাণ কৰি পূবৰ দুৱাৰ খোলক আৰু এই পথে সংযোগ কৰা ৰাষ্ট্ৰকেইখনৰ লগত বাণিজ্যিক সম্পৰ্ক গঢ়ি তোলক; যাতে অসমৰ গ্ৰাম্য কৃষি অৰ্থনীতি পুনৰ জীপাল হৈ উঠে। শাসনত টিকি থকাৰ বাবে ভোট বেংক ৰাজনীতি পৰিহাৰ কৰি জাতিৰ ভৱিষ্যত সুৰক্ষিত কৰাত ব্ৰতী হওক। অসমীয়া এটা পৰমুখাপেক্ষী জাতি হৈ থকাতকৈ স্বাধীন অৰ্থনীতিৰ সমৃদ্ধিশালী জাতি হিচাপে প্ৰতিষ্ঠা হওক আৰু তেনেকৈ বিশ্বই আমাক চিনি পাওক।



*ফোন ঃ ৯৯৫৭৯৬০৫৪৪*



## জম্মু-কাশ্মীৰত ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হ'ব ২৫ লাখ নতুন ভোটদাতা

**নিউজ ব্যুৰ',শ্ৰীনগৰ, ১৯ আগষ্ট ঃ** অহা নৱেম্বৰ-ডিচেম্বৰত জম্মু-কাশ্মীৰত নিৰ্বাচন অনুষ্ঠিত হ'ব পাৰে। নিৰ্বাচনৰ পূৰ্বে চৰকাৰে প্ৰথমবাৰৰ বাবে ৰাজ্যখনত অকাশ্মিৰী বাসিন্দাকো ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তকৰণৰ অনুমতি দিলে। অৰ্থাৎ কাশ্মীৰৰ স্থায়ী বাসিন্দা নোহোৱা লোকেও ৰাজ্যখনৰ ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিব পাৰিব। প্ৰকাশিত বাতৰি অনুসৰি চৰকাৰৰ এই সিদ্ধান্তৰ ফলত ৰাজ্যখনৰ ভোটাৰ তালিকাত ২০-২৫ লাখ নতুন ভোটদাতাৰ নাম অন্তৰ্ভুক্ত কৰা হ'ব। এইসকল নতুন ভোটদাতাৰ সৰহ সংখ্যকে হ'ব ৰাজ্যখনত নিয়োজিত নিৰাপত্তা বাহিনীৰ জোৱান আৰু প্ৰব্ৰজনকাৰী শ্ৰমিক।

## গাডকাৰীয়ে মুকলি কৰিলে ভাৰতৰ প্ৰথম বৈদ্যুতিক ডবল ডেকাৰ বাছ





**নিউজ ব্যুৰ', মুম্বাই, ১৯ আগষ্ট ঃ** অশোক লীলেণ্ডৰ ইলেক্ট্ৰিক ভেহিকল শাখা আৰু ছুইচ ম'বিলিটিয়ে ভাৰতত প্ৰথমখন ইলেক্ট্ৰিক ডবল ডেকাৰ বাতানুকুল বাছ মুকলি কৰিলে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় পথ আৰু পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীও উপস্থিত আছিল। ভাষণ প্ৰসংগত মন্ত্ৰীজনে কয় যে আজি মুম্বাইত অশোক লীলেণ্ডে বৈদ্যুতিক ডবল ডেকাৰ বাছ মুকলি কৰাত তেওঁ যথেষ্ট আনন্দ অনুভৱ কৰিছে। বৈদ্যুতিক বাছখনৰ নিৰ্মাতা সংস্থাই প্ৰকাশ কৰা অনুসৰি এইবাৰ সম্পূৰ্ণকৈ বেটাৰী চাৰ্জ কৰাৰ পাছত এইখন বাছে ২৫০ কিলোমিটাৰলৈকে যাত্ৰা কৰিব পাৰিব। কোম্পানীটোৱে প্ৰকাশ কৰা মতে, তেওঁলোকে মুম্বাইত চলাচলৰ বাবে ২০০ বৈদ্যুতিক ডবল ডেকাৰ বাছ নিৰ্মাণৰ অৰ্ডাৰ লাভ কৰিছে। অশোক লীলেণ্ডে এইখন বৈদ্যুতিক বাছৰ ডিজাইন আৰু নিৰ্মাণ ভাৰততে সম্পূৰ্ণ কৰিছে।

## দেশত পুনৰ দৈনিক আক্ৰান্ত ১৫ হেজাৰৰ অধিক হ'ল, মৃত্যু ৪৭ জনৰ




**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ আগষ্ট ঃ** ভাৰতত দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা পুনৰ উৰ্ধ্বমুখী হ'বলৈ ধৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত দেশত ১৫,৭৫৪ জন লোক ক'ভিডত সংক্ৰমিত হ'ল। কালি আক্ৰান্তৰ সংখ্যা আছিল ১২ হেজাৰৰ অধিক। ইফালে, বিগত ২৪ ঘণ্টাত ক'ভিডত সংক্ৰমিত হোৱা দেশৰ বিভিন্ন ৰাজ্যৰ ৪৭ জন ৰোগীৰ মৃত্যু হ'ল। বৰ্তমানলৈকে ভাৰতত পাঁচ লাখ ২৭ হেজাৰ ২৫৩ জন লোকৰ ক'ভিডত মৃত্যু হ'ল। ইফালে, নতুনকৈ কৰ'নাৰ সংক্ৰমণৰ সন্দৰ্ভত সকীয়নি দি বিশ্ব স্বাস্থ্য সংস্থাই কয় যে ক'ভিডে এতিয়াও বিদায় লোৱা নাই আৰু বিশ্ববাসীয়ে প্ৰয়োজনীয় সকলো সতৰ্কতা অৱলম্বন অব্যাহত ৰাখিব লাগিব।

## ত্ৰিপুৰাত ভাৰত-বাংলাদেশ সীমান্তত সংঘৰ্ষত বি এছ এফৰ জোৱান ছহিদ



**নিউজ ব্যুৰ', কাঞ্চনপুৰ, ১৯ আগষ্ট ঃ** উত্তৰ ত্ৰিপুৰাৰ কাঞ্চনপুৰৰ ভাৰত-বাংলাদেশ সীমান্তৰ এন এল এফ টিৰ সন্দেহজনক সন্ত্ৰাসবাদীৰ স'তে হোৱা এক সংঘৰ্ষৰ ঘটনাত ছহিদ হ'ল সীমান্ত নিৰাপত্তা বাহিনী (বি এছ এফ)ৰ এজন জোৱান। এন এল এফ টিৰ সদস্যৰ স'তে নিৰাপত্তা বাহিনীৰ হোৱা গুলীয়াগুলিৰ ঘটনাত বি এছ এফৰ এজন জোৱান গুৰুতৰভাৱে আহত হৈছিল আৰু তেওঁক লগে লগে চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে জোৱানজনক মৃত ঘোষণা কৰে। ছহিদ জোৱানজনৰ নাম গিৰিজেশ কুমাৰ আৰু তেওঁ বি এছ এফৰ ১৪৫ বেটেলিয়নৰ জোৱান আছিল।

## আমেৰিকাৰ নিউ য়ৰ্কত দুষ্কৃতিকাৰীয়ে ভাঙিলে মহাত্মা গান্ধীৰ মূৰ্তি



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ১৯ আগষ্ট ঃ** আমেৰিকাৰ নিউ য়ৰ্কত মহাত্মা গান্ধীৰ এটা মূৰ্তি দুষ্কৃতিকাৰীয়ে লণ্ডভণ্ড কৰিলে। গান্ধীৰ এই মূৰ্তিটো কুইন্স কাউণ্টিৰ এটা হিন্দু মন্দিৰৰ বাহিৰত স্থাপন কৰা হৈছিল। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, ছজন লোকে মন্দিৰটোলৈ আহি মন্দিৰ মূৰ্তিটো ভাঙি পেলাইছিল। বিগত দুসপ্তাহত মূৰ্তি ভঙাৰ দ্বিতীয়টো ঘটনা আমেৰিকাত সংঘটিত হ'ল। ইয়াৰ পূৰ্বে যোৱা তিনি আগষ্টত একাংশ লোকে এই মূৰ্তিটো ভাঙি দিছিল। যোৱা নিশা পুনৰ ছজন লোক শ্ৰীতুলসী মন্দিৰলৈ আহি মূৰ্তিটো ধ্বংস কৰি পুনৰ এখন গাড়ীত উঠি পলায়ন কৰিছিল। ঘটনাৰ সন্দৰ্ভত নিউ য়ৰ্ক আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

### লেবাৰ পাৰ্টিৰ প্ৰতি ভাৰতীয় বংশোদ্ভূতৰ সমৰ্থন হ্ৰাস পাবলৈ ধৰিছে ঃ দলৰ পুঁজিৰ পৰিমাণো প্ৰায় ৫০ লাখ পাউণ্ড হ্ৰাস

# ব্ৰিটেইনত গভীৰ সংকটত লেবাৰ পাৰ্টি, এবছৰত এক লাখ সদস্য হ্ৰাস

**নিউজ ব্যুৰ' লণ্ডন, ১৯ আগষ্ট ঃ** সম্প্ৰতি গভীৰ সংকটৰ সন্মুখীন হৈছে ব্ৰিটেইনৰ অন্যতম ৰাজনৈতিক দল লেবাৰ পাৰ্টি। দলটোৰ সদস্যৰ সংখ্যা দিনকদিনে হ্ৰাস পাবলৈ ধৰিছে। পৰিসংখ্যা অনুসৰি বিগত এবছৰত লেবাৰ পাৰ্টিয়ে হেৰুৱালে প্ৰায় এক লাখ সদস্য। ইফালে, দলৰ পুঁজিৰ পৰিমাণো প্ৰায় ৫০ লাখ পাউণ্ড হ্ৰাস পালে। ব্ৰিটেইনৰ নিৰ্বাচন



আয়োগৰ এক প্ৰতিবেদনত এই তথ্য প্ৰকাশ পালে। উক্ত প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি ২০২০ বৰ্ষত লেবাৰ পাৰ্টিৰ সদস্যৰ সংখ্যা আছিল পাঁচ লাখ ২৩ হেজাৰ ৩৩২ জন। বিগত এবছৰত দলটোৰ সদস্যৰ সংখ্যা চাৰি লাখ ৩২ হেজাৰ ২১৩ জনলৈ হ্ৰাস পালে।

ব্ৰিটেইনত ভাৰতীয় বংশোদ্ভূতৰ ভোট বেংকৰ এক বৃহৎ অংশই লেবাৰ পাৰ্টিক সমৰ্থন জনাই আহিছে। কিন্তু শেহতীয়াভাৱে লেবাৰ পাৰ্টিৰ প্ৰতি ভাৰতীয় বংশোদ্ভূতৰ সমৰ্থনো হ্ৰাস পাবলৈ ধৰিছে। ব্ৰিটেইনত ভাৰতীয় বংশোদ্ভূতৰ প্ৰায় চাৰে ১০ লাখ ভোটাৰ আছে। বিগত কেইবছৰমানত এইসকল ভাৰতীয় বংশোদ্ভূত ভোটাৰৰ সিংহভাগৰ সমৰ্থন লেবাৰ পাৰ্টিৰ পৰিৱৰ্তে কনজাৰভেটিভ পাৰ্টিয়ে লাভ কৰিবলৈ সফল হৈছে।

## মুম্বাইৰ ব'ৰিবলীত ৪০ বছৰীয়া অট্টালিকা পৰিল খহি, কমেও ১৫ জনৰ মৃত্যুৰ শংকা



**নিউজ ব্যুৰ', মুম্বাই, ১৯ আগষ্ট ঃ** মুম্বাইৰ ব'ৰিবলীৰ পশ্চিমত আজি এক বৃহৎ অঘটন সংঘটিত হ'ল। অঞ্চলটোৰ সাইবাবা নগৰত থকা এটা পাঁচ মহলীয়া অট্টালিকা হঠাতে খহি পৰাত কমেও ১৫ জন লোকৰ মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, শুকুৰবাৰে দুপৰীয়া ১২-৩০ বজাত হঠাতে এটা প্ৰকাণ্ড অট্টালিকা বাগৰি পৰি ধ্বংসস্তুপত পৰিণত হৈছিল। সেই সময়ত উক্ত অট্টালিকাৰ আশে-পাশে বহু লোকে অহা-যোৱা কৰি আছিল আৰু এনে কে'বাজনো লোক ধ্বংসপ্ৰাপ্ত অট্টালিকাৰ ধ্বংসস্তুপত আবদ্ধ হৈ থকা বুলি সন্দেহ কৰা হৈছে। প্ৰশাসনে ইতিমধ্যে ঘটনাস্থলীত উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। বৃহন মুম্বাই পৌৰ নিগম (বি এম চি)ৰ বিষয়াই প্ৰকাশ কৰা অনুসৰি ধ্বংসপ্ৰাপ্ত অট্টালিকাটো কমেও ৪০ বছৰৰ পুৰণি আছিল আৰু বি এম চিয়ে ইয়াক জৰাজীৰ্ণ ঘোষণা কৰাৰ পাছত বাসিন্দাসকলে অট্টালিকাটো খালী কৰি দিছিল।

## পুনৰ টাইৱানৰ আকাশমাৰ্গত অনুপ্ৰৱেশ ৫১ চীনা যুঁজাৰু বিমানৰ



**নিউজ ব্যুৰ' টাইপে, ১৯ আগষ্ট ঃ** চীন আৰু টাইৱানৰ মাজত অব্যাহত থকা সংঘাত পুনৰ বৃদ্ধি পালে। টাইৱানে আকৌ এবাৰ চীনৰ যুঁজাৰু বিমানে দেশখনৰ আকাশমাৰ্গত অনুপ্ৰৱেশ কৰাৰ অভিযোগ উত্থাপন কৰিলে। টাইৱানৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে দাবী কৰা অনুসৰি, শুকুৰবাৰে আকৌ এবাৰ টাইৱানৰ আকাশমাৰ্গত ৫১ খন চীনা যুঁজাৰু বিমানে অনুপ্ৰৱেশ কৰিছিল। উল্লেখ্য যে বিগত কে'বামাহ ধৰি চীনে এইদৰে টাইৱানৰ আকাশমাৰ্গলৈ চীনা যুঁজাৰু বিমান প্ৰেৰণৰে দেশখনক আক্ৰমণৰ ভাবুকি দি আহিছে। চীনৰ এনে পদক্ষেপৰ তীব্ৰ বিৰোধিতা কৰি আহিছে টাইৱানে।

## সুৰাপান কৰি নৃত্যত ব্যস্ত হ'ল ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী, নিষিদ্ধ ড্ৰাগছ গ্ৰহণৰ অভিযোগ বিৰোধীৰ

**নিউজ ব্যুৰ', হেলিচংকি, ১৯ আগষ্ট ঃ** ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী ছনা মৰিনৰ এক ভিডিঅ' সামাজিক মাধ্যমত শেহতীয়াভাৱে ভাইৰেল হৈছে। এই ভিডিঅ' প্ৰধানমন্ত্ৰীগৰাকীয়ে নিজৰ বন্ধুৰ স'তে সুৰাপান আৰু নৃত্য কৰাৰ দৃশ্য আবদ্ধ হৈছে। মৰিনৰ এই ভিডিঅ' পোহৰলৈ অহাৰ পাছত বিৰোধী নেতাই প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে নিষিদ্ধ ড্ৰাগছ গ্ৰহণ কৰাৰ অভিযোগ উত্থাপন কৰিলে। বিৰোধীয়ে উত্থাপন কৰা অভিযোগ অনুসৰি মৰিনে তেওঁৰ বন্ধুৰ স'তে ড্ৰাগছৰ পাৰ্টিত অংশ লৈছিল। বিৰোধীয়ে মৰিনৰ ড্ৰাগছ টেষ্ট কৰাবলৈকো দাবী জনাইছে। অৱশ্যে মৰিনে দাবী কৰা অনুসৰি উক্ত পাৰ্টিত তেওঁ কেৱল সুৰাপানহে কৰিছিল। ড্ৰাগছ গ্ৰহণৰ অভিযোগ সম্পূৰ্ণ মিছা বুলি দাবী কৰি মৰিনে কয়, 'মই নিজৰ বন্ধুৰ স'তে আছিলো। আমি পাৰ্টি কৰিছিলো। মই গান গাইছিলো আৰু নৃত্যও কৰিছিলো। মই কেতিয়াও ড্ৰাগছ গ্ৰহণ কৰা নাই। মোৰ বাবে লুকুৱাব লগা একো নাই। কিন্তু এয়া এক ব্যক্তিগত পাৰ্টি আছিল। ইয়াত এইদৰে ৰাজহুৱা কৰিব নালাগিছিল।' উল্লেখ্য যে এই ভিডিঅ' প্ৰথমে ইনষ্টাগ্ৰামত প'ষ্ট কৰা হৈছিল আৰু পাছত ভিডিঅ'টো ভাইৰেল হয়।



## প্ৰধানমন্ত্ৰীৰ দৌৰত পিছ পৰা ঋষিয়ে পত্নীসহ কৰিলে জন্মাষ্টমী পালন

**নিউজ ব্যুৰ', লণ্ডন, ১৯ আগষ্ট ঃ** ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী পদৰ দৌৰত সংগ্ৰাম অব্যাহত ৰখাৰ সময়তে আজি ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উৎসৱ পালন কৰিলে ভাৰতীয় মূলৰ কনজাৰভেটিভ দলৰ নেতা ঋষি ছুনকে। পত্নী অক্ষতা মূৰ্তিৰ স'তে ইংলণ্ডৰ ইস্কন মন্দিৰলৈ গৈ জন্মাষ্টমীৰ পূজা-অৰ্চনা কৰিলে ঋষিয়ে। ভগৱান শ্ৰীকৃষ্ণৰ জন্মদিন উদ্‌যাপন কৰিবলৈ বৃহস্পতিবাৰে নিশা ইস্কন মন্দিৰলৈ পত্নীসহ গৈছিল ঋষিয়ে। প্ৰসংগত উল্লেখ্য যে অহা পাঁচ ছেপ্টেম্বৰত কনজাৰভেটিভ দলে পৰৱৰ্তী দলীয় নেতাক নিৰ্বাচন কৰিব আৰু এই নেতাজনে ব্ৰিটেইনৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি লাভ কৰিব। দলীয় নেতা তথা প্ৰধানমন্ত্ৰী পদৰ বাবে পাঁচ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব লগা কনজাৰভেটিভ দলৰ সদস্যৰ নিৰ্বাচনত প্ৰাৰ্থী হিচাপে অৱতীৰ্ণ হৈছে



ঋষিৰ লগতে ইংলণ্ডৰ প্ৰাক্তন বিদেশ সচিব লীজ ট্ৰাছ। বিশেষজ্ঞৰ মতে, দলীয় ভোটদানত লীজৰ জয়ৰ সম্ভাৱনা অধিক আছে। শেহতীয়া সমীক্ষাত লীজে ৬৬ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে ঋষিয়ে মাত্ৰ ৩৪ শতাংশ ভোট লাভ কৰিব বুলি কোৱা হৈছে।

## প্ৰাণনাশৰ ভাবুকি লাভ কৰিলে এন চি বিৰ প্ৰাক্তন বিষয়া সমীৰে


**নিউজ ব্যুৰ', মুম্বাই, ১৯ আগষ্ট ঃ** সামাজিক মাধ্যমৰ জৰিয়তে প্ৰাণনাশৰ ভাবুকি লাভ কৰিলে নাৰ্ক'টিক্স কণ্ট্ৰ'ল ব্যুৰ' (এন চি বি)ৰ প্ৰাক্তন বিষয়া সমীৰ ৱাংখেড়ে। সম্প্ৰতি টুইটাৰত আমন নামৰ এজন ব্যক্তিয়ে হত্যাৰ ভাবুকি দিলে এন চি বিৰ প্ৰাক্তন বিষয়াজনক। এক টুইটত উক্ত ব্যক্তিয়ে সমীৰক উদ্দেশি এইদৰে লিখিলে, 'তুমি যি কৰিছিলা,



তাৰ বাবে তুমি শাস্তি লাভ কৰিব লাগিব। তোমাক শেষ কৰি দিম।' টুইটাৰত প্ৰাণনাশৰ ভাবুকি লাভৰ পাছতে সমীৰে এই সন্দৰ্ভত আৰক্ষীক অভিযোগ দিলে আৰু আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে ২০২১ৰ দুই অক্টোবৰত মুম্বাইৰ এখন বিলাস বহুল প্ৰমোৰতৰীত সমীৰৰ নেতৃত্বত এন চি বিয়ে নিষিদ্ধ ড্ৰাগছৰ সন্দৰ্ভত এক অভিযান চলাইছিল আৰু উক্ত অভিযানতে বলিউডৰ মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ জ্যেষ্ঠ পুত্ৰ আৰিয়ান খানক এন চি বিয়ে গ্ৰেপ্তাৰ কৰিছিল। এই ঘটনাৰ ২৬ দিনৰ পাছত আৰিয়ানে জামিনত মুক্তি লাভ কৰিছিল আৰু পৰৱৰ্তী সময়ত এন চি বিয়ে আৰিয়ানক উক্ত গোচৰত দোষমুক্ত ঘোষণা কৰিছিল।

## এটা কণীৰ মূল্য ২৫ টকা, ছয়াবিন-পিঁয়াজৰো ব্যাপক মূল্যবৃদ্ধি বাংলাদেশত

**নিউজ ব্যুৰ', ঢাকা, ১৯ আগষ্ট ঃ** কণী, পিঁয়াজ, ছয়াবিনসহ নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰীৰ ব্যাপক মূল্যবৃদ্ধি হৈছে বাংলাদেশত। ৰাজধানী ঢাকাত অত্যধিক মূল্যবৃদ্ধিৰ ফলত কণীৰ বিক্ৰী যথেষ্ট হ্ৰাস পাইছে। ঢাকাত সম্প্ৰতি এটা কণীৰ মূল্য ২৫ টকা হৈছে। কণীৰ এনে মূল্যবৃদ্ধিৰ কাৰণ বিদেশৰ পৰা কণী আমদানি কৰাৰ ফলত হোৱা বুলি দেশখনৰ বাণিজ্য মন্ত্ৰীয়ে দাবী কৰিছে। হাঁহ-কুকুৰা পালকে প্ৰকাশ কৰা অনুসৰি প'লট্ৰী খাদ্যৰ মূল্য যথেষ্ট বৃদ্ধি পোৱাৰ ফলত কণীৰ উৎপাদন ব্যয় বাঢ়িছে আৰু ইয়াৰ পৰিণতিত সম্প্ৰতি প্ৰতিটো কণীৰ মূল্য ২৫ টকালৈ বৃদ্ধি পাইছে। ইফালে, ছয়াবিনৰ মূল্যও দেশখনত যথেষ্ট বৃদ্ধি পাইছে। চাৰিদিন



পূৰ্বে ভাৰতৰ পৰা আমদানি কৰা পিঁয়াজৰ প্ৰতি কিলোৰ পাইকাৰী মূল্য ২৫-২৬ টকা আছিল আৰু খুচুৰা বজাৰত ২৮-৩০ টকাত বিক্ৰী হৈছিল। কিন্তু বৃহস্পতিবাৰে ঢাকাৰ পাইকাৰী বজাৰত কিলোত পিঁয়াজৰ মূল্য ৩৪-৩৬ টকা হোৱাত খুচুৰা বজাৰত ৩৮-৪০ টকা মূল্যত বিক্ৰী হৈছে।

## জাপানত পুনৰ ক'ভিড সংক্ৰমণ বৃদ্ধি, এদিনতে আঢ়ৈ লাখ লোক হ'ল সংক্ৰমিত




**নিউজ ব্যুৰ', টকিঅ', ১৯ আগষ্ট ঃ** শেহতীয়াভাৱে জাপানত ক'ভিড-১৯ৰ সংক্ৰমণ উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। দেশখনৰ স্বাস্থ্য মন্ত্ৰণালয়ৰ তথ্য অনুসৰি, ক'ভিড-১৯ৰ সংক্ৰমণৰ সপ্তমটো ঢৌত বিগত ১০ দিনৰ ভিতৰত বৃহস্পতিবাৰে দ্বিতীয়বাৰৰ বাবে জাপানত আঢ়ৈ লাখৰো অধিক লোক এই ভাইৰাছত আক্ৰান্ত হ'ল। পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত জাপানত ২,৫৫,৫৩৪ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। ইয়াৰ পূৰ্বে যোৱা ১০ আগষ্টত দেশখনত ২,৫০,৪০৩ জন ক'ভিড ৰোগী চিনাক্ত কৰা হৈছিল। দেশখনৰ বৰ্তমানলৈকে ২৮৭ জন লোকৰ ক'ভিডত মৃত্যু হৈছে। সম্প্ৰতি জাপানৰ বিভিন্ন চিকিৎসালয়ত ভৰ্তি হোৱা ৬১০ জন ক'ভিড ৰোগীৰ অৱস্থা সংকটজনক। আক্ৰান্তৰ সংখ্যা বৃদ্ধি লগে লগে দেশখনত চিকিৎসাধীন ক'ভিড ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে।

## অহা বছৰত ৬০ হেজাৰ টকালৈ বৃদ্ধি পাব পাৰে সোণৰ মূল্য, পূৰ্বাভাস বিশেষজ্ঞৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ আগষ্ট ঃ** প্ৰায় এবছৰ পাছত কেন্দ্ৰীয় বেংকসমূহে নিয়ম-নীতি শিথিল কৰাৰ সম্ভাৱনা আছে। কেন্দ্ৰীয় বেংকে নিয়ম শিথিল কৰিলে পুনৰ সকলোৱে সোণত বিনিয়োগ বৃদ্ধি কৰাৰ বিকল্প গ্ৰহণ কৰিব পাৰে। এনে পৰিস্থিতি উদ্ভৱ হ'লে পুনৰ এবাৰতে সোণৰ মূল্য যথেষ্ট বৃদ্ধি পাব পাৰে। বাণিজ্যিক বিশ্লেষকে এই তথ্য প্ৰকাশ কৰি জনোৱা অনুসৰি অহা বছৰত প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ৬০ হেজাৰ টকালৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ২০২০ বৰ্ষত আন্তৰ্জাতিক বজাৰত সোণৰ মূল্য মাত্ৰ চাৰি শতাংশ হ্ৰাস পালে। বৰ্তমানৰ সময়ত বিনিয়োগকাৰীয়ে সোণত বিনিয়োগত বিশেষ আগ্ৰহ প্ৰকাশ কৰা নাই। কিন্তু বিনিয়োগ বিশেষজ্ঞৰ মতে, কেন্দ্ৰীয় বেংকে বৰ্তমানৰ নিয়ম শিথিল কৰিলে পুনৰ সোণত বিনিয়োগ বৃদ্ধি পাব আৰু ইয়াৰ লগে লগে সোণৰ মূল্যও উৰ্ধ্বমুখী হ'ব।




## আমেৰিকাৰ নাগৰিক হ'ব বিচাৰিছে ৰাজাপক্ষে, গ্ৰীণ কাৰ্ডৰ বাবে আবেদন



**নিউজ ব্যুৰ', কলম্বো, ১৯ আগষ্ট ঃ** জনৰোষৰ পৰা হাত সাৰিবলৈ যোৱা মাহত দেশত্যাগ কৰি পলায়ন কৰিছিল শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষয়ে। বৰ্তমানে বেংককৰ এখন হোটেলত সপৰিয়ালে ৰাজাপক্ষয়ে আশ্ৰয় গ্ৰহণ কৰি আহিছে। প্ৰকাশিত বাতৰি অনুসৰি অহা ২৫ আগষ্টত ৰাজাপক্ষয়ে পুনৰ শ্ৰীলংকালৈ প্ৰত্যাৱৰ্তন কৰিব। কিন্তু দেশলৈ উভতি আহিলেও আমেৰিকাতে স্থায়ীভাৱে বসবাস কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে ৰাজাপক্ষয়ে। ইতিমধ্যে তেওঁৰ হৈ অধিবক্তাই আমেৰিকাত ৰাজাপক্ষৰ গ্ৰীণ কাৰ্ডৰ বাবে আবেদন দাখিল কৰিছে। আমেৰিকাৰ এক সংবাদ মাধ্যমৰ বাতৰিত এই কথা প্ৰকাশ। ৭৩ বছৰীয়া ৰাজাপক্ষয়ে শ্ৰীলংকাৰ সেনা বিভাগৰ পৰা নিৰ্ধাৰিত সময়ৰ পূৰ্বে অৱসৰ গ্ৰহণ কৰি ১৯৯৮ত আমেৰিকাৰ বাসিন্দা হৈছিল যদিও ২০০৫ত তেওঁ শ্ৰীলংকালৈ প্ৰত্যাৱৰ্তন কৰিছিল। ২০১৯ত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ নিজৰ মাৰ্কিন নাগৰিকত্ব ত্যাগ কৰিছিল ৰাজাপক্ষয়ে আৰু এতিয়া সেই নাগৰিকত্ব ওভতাই বিচাৰি তেওঁ গ্ৰীণ কাৰ্ডৰ বাবে আবেদন দাখিল কৰিলে।

## চৰকাৰী বৈঠকত ভিনিহিয়েকক লৈ উপস্থিত হ'ল তেজ প্ৰতাপ, বিষয়াক পৰামৰ্শও দিলে লালুকন্যাৰ স্বামীয়ে

**নিউজ ব্যুৰ', পাটনা, ১৯ আগষ্ট ঃ** বিহাৰত আৰ জে ডিৰ সমৰ্থনত নীতিশ কুমাৰে নতুনকৈ চৰকাৰ গঠন কৰাৰ পাছৰে পৰা আৰ জে ডিৰ একাধিক মন্ত্ৰীৰ বিৰুদ্ধে ন ন অভিযোগ উত্থাপিত হ'বলৈ ধৰিছে। আৰ জে ডিৰ মন্ত্ৰী কাৰ্তিকেয় কুমাৰ আৰু সুধাকৰ সিঙৰ পাছত এইবাৰ এক চাঞ্চল্যকৰ অনিয়মৰ অভিযোগ উত্থাপন হ'ল নীতিশ কেবিনেটৰ সদস্য তথা লালুপ্ৰসাদ যাদৱৰ জ্যেষ্ঠ পুত্ৰ তেজপ্ৰতাপ যাদৱৰ বিৰুদ্ধে। যোৱা ১৬ আগষ্টত মন্ত্ৰীপদৰ শপত লোৱাৰ পাছত কালি তেজপ্ৰতাপে তেওঁৰ ভিনিহিয়েক শৈলেশ যাদৱক লগত লৈ প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগৰ কাৰ্যালয়ৰ



গুৰুত্বপূৰ্ণ বৈঠকত অংশ লৈছিল। চৰকাৰী বৈঠকত তেজপ্ৰতাপে তেওঁৰ ভগ্নী মিছা ভাৰতীৰ স্বামী শৈলেশক আসন প্ৰদান কৰিছিল। আনকি বিভাগৰ স'তে কোনো ধৰণে জড়িত নোহোৱাৰ পাছতো উক্ত বৈঠকত চৰকাৰী বিষয়াক তেজপ্ৰতাপৰ ভিনিহিয়েকে নানা দিহা-পৰামৰ্শ দিছিল। এই ঘটনাৰ ভিডিঅ' সামাজিক মাধ্যমৰ জৰিয়তে ভাইৰেল হোৱাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## বাংলাদেশৰ প্ৰধানমন্ত্ৰীয়ে ক'লে, 'আমাৰ দেশত মোৰ অধিকাৰ যিমান, হিন্দুৰ সমান'



**নিউজ ব্যুৰ', ঢাকা, ১৯ আগষ্ট ঃ** বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই কয় যে দেশখনত তেওঁৰ অধিকাৰ যিমান, হিন্দুসকলৰো সমান অধিকাৰ আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে দুৰ্গা পূজাৰ সময়ত ঢাকাত যিমান সংখ্যক পূজা মণ্ডপৰ আয়োজন কৰা হয়, সেই সংখ্যা পশ্চিমবংগৰ তুলনাত যথেষ্ট অধিক হ'ব। হিন্দুসকলৰ পবিত্ৰ উৎসৱ জন্মাষ্টমী উপলক্ষে হিন্দু সম্প্ৰদায়ৰ নেতাৰে সাক্ষাতৰ সময়ত হাছিনাই অনুৰোধ জনাই কয় যে হিন্দুসহ অন্যান্য সকলো ধৰ্মবিশ্বাসী লোকে বাংলাদেশত কেতিয়াও নিজকে সংখ্যালঘু বুলি ভবাটো উচিত নহয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে স্পষ্টভাৱে কয় যে বাংলাদেশত সকলো ধৰ্মৰ লোকৰ সমান অধিকাৰ আছে। 'ঢাকা ট্ৰিবিউন' কাকতৰ বাতৰিত হাছিনাই এইদৰে কয়, 'আমি বিচাৰো যে সকলো ধৰ্মৰ লোকে সমান অধিকাৰ লাভ কৰক। আপোনালোক এই দেশৰ নাগৰিক। আপোনালোকে এই দেশত সমান অধিকাৰ লাভ কৰিছে। মোৰ হাতত যি অধিকাৰ আছে, আপোনালোকৰ হাততো সেই একেই অধিকাৰ আছে। এই দেশত জন্ম হোৱা প্ৰতিজন নাগৰিকে সমান অধিকাৰৰ অধিকাৰী।'

## কৰ'নাৰ পাছত বলিউডত দুৰ্দশা অব্যাহত কিয়? কি ক'লে অভিনেত্ৰী আলিয়াই?

**নিউজ ব্যুৰ', মুম্বাই, ১৯ আগষ্ট ঃ** ২০২২ বৰ্ষত বক্স অফিচত মুখথেকেচা খাইছে এখনৰ পাছত আন এখন বলিউডী ছবিয়ে। শেহতীয়াভাৱে আমিৰ খানৰ 'লাল সিং চড্ডা' আৰু অক্ষয় কুমাৰৰ 'ৰক্ষা বন্ধন' ছবি দুখনো বক্স অফিচত ব্যৰ্থ হ'ল। ইয়াৰ পূৰ্বে কংগনা ৰণৌটৰ 'ধকড়' আৰু ৰণবীৰ কপুৰৰ 'ছমশ্বেৰা' ছবি দুখনো বক্স অফিচত সফল হ'ব নোৱাৰিলে। চলিত বৰ্ষত মাত্ৰ তিনিখন বলিউডৰ ছবি ক্ৰমে 'দ্য কাশ্মীৰ ফাইলছ', 'গংগুবাই কাথিয়াৱাড়ী' আৰু 'ভুল ভুলাইয়া-২'-এ বক্স অফিচত ভাল ব্যৱসায় কৰিবলৈ সফল হ'ল। বলিউডৰ এই দুৰৱস্থাৰ সন্দৰ্ভত শেহতীয়াভাৱে কে'বাজনো চলচ্চিত্ৰ নিৰ্মাতা, অভিনেতা-অভিনেত্ৰীয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। এইবাৰ বলিউডৰ সাম্প্ৰতিক ব্যৰ্থতাৰ সন্দৰ্ভত মন্তব্য কৰিলে অভিনেত্ৰী আলিয়া ভাটে। বলিউডক এতিয়া দয়াৰ দৃষ্টিৰে চোৱা উচিত নেকি বুলি সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰ দি অভিনেত্ৰীগৰাকীয়ে কয়, 'আমি সকলোৱে কৈছো যে বছৰটো বলিউডৰ বাবে কঠিন হৈছে, কিন্তু কোনোবাই আমাৰ কিমানখন ছবিয়ে ভাল ব্যৱসায় কৰিছে, সেয়া লক্ষ্য কৰিছে নে? দক্ষিণৰো সকলোবোৰ ছবি ভাল নচলে। একেদৰে বলিউডৰো কিছুমান ছবি নচলে। মোৰ 'গংগুবাই'-এ ভাল উপাৰ্জন কৰিছিল। ভাল ছবিয়ে ভাল ফল লাভ কৰিবই। অৱশ্যে দুবছৰ ধৰি কৰ'নাৰ ফলত চিত্ৰগৃহ বন্ধ হোৱাৰ ফলত ইয়াৰ নেতিবাচক প্ৰভাৱ বলিউডত পৰাটো স্বাভাৱিক। একাংশ লোকে অ' টি টি মাধ্যমক আদৰি লৈছে। কিন্তু কাহিনী ভাল হ'লে দৰ্শকে চিনেমা চাবলৈ আহিবই। ইয়াৰ বাবে সময়ৰ প্ৰয়োজন হ'ব।'



# আগমনী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত অন্ধবিশ্বাস-কুসংস্কাৰৰ বিৰুদ্ধে ৰাইজ মেল



অগ্ৰদূত বাৰ্তা

**আগমনী, ১৯ আগষ্ট ঃ** অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ নিৰ্দেশৰ ভিত্তিত আগমনী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত কালি ছাগলীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে ৰাইজ মেল অনুষ্ঠিত হৈ যায়। ৰাইজ মেলত সমাজত প্ৰচলিত অন্ধবিশ্বাস আৰু কু-সংস্কাৰ সমূহক আঙুলিয়াই দি বিস্তৃত ভাৱে ভাষণ প্ৰদান কৰে গৌৰীপুৰৰ প্ৰমথেশ বৰুৱা কলেজৰ প্ৰবক্তা ড° আমিনুল ইছলাম, আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক প্ৰসাদ চন্দ্ৰ ৰায় আৰু আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ সহঃ শিক্ষক হবিবৰ ৰহমানে। সমাজত পূৰ্বৰে পৰা চলি অহা অন্ধবিশ্বাস, কু-সংস্কাৰ সমূহ ছাত্ৰ-ছাত্ৰী সকলে নিৰ্মূল কৰিব লাগিব আৰু ভাৰতবৰ্ষক সৰ্বদিশত আগুৱাই লৈ যোৱাৰ বাবে বক্তাত্ৰয়ে সকলোকে আহ্বান জনায়। গ্ৰীক দেশৰ পৰাই অন্ধবিশ্বাসৰ প্ৰচলন হৈ পুনৰ গ্ৰীক দেশৰ পৰাই ইয়াৰ নিৰ্মূলৰ আন্দোলন হোৱাৰ উদাহৰণেৰে আমাৰ ভাৰত বৰ্ষৰ পৰাও ক্ষতিকাৰক অন্ধবিশ্বাস আৰু কু-সংস্কাৰক নিৰ্মূল কৰি বৈজ্ঞানিক দৃষ্টিভংগীৰে দেশক আগুৱাই লৈ যোৱা দায়িত্ব ছাত্ৰ-ছাত্ৰী সকলে ল'ব লাগিব বুলিও কয় বক্তা সকলে। প্ৰজেক্টৰৰ মাধ্যমত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিভিন্ন ফটো দেখুৱাই তাৰ কোনো বৈজ্ঞানিক ভিত্তি নাই বুলি সমল ব্যক্তি প্ৰসাদ ৰায়ে ছাত্ৰ-ছাত্ৰীক বুজাই দিয়ে আৰু ছাত্ৰ-ছাত্ৰীক সংকল্প গ্ৰহণ কৰোৱায়। সভাত সভাপতিত্ব কৰে ছাগলীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আজিজুল হক সৰকাৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আগমনী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক নজৰুল ইছলামে। সভাত ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।

# স্মাৰ্ট মিটাৰ সলনিৰ দাবীৰে গোৱালপাৰাৰ উপায়ুক্তক স্মাৰক প্ৰদান

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৯ আগষ্ট ঃ** স্মাৰ্ট মিটাৰ সলনি কৰি পূৰ্বৰ মিটাৰ লগোৱাৰ দাবীৰে কালি গোৱালপাৰাৰ একাংশ উপভোক্তাই জিলা উপায়ুক্তক এখনি স্মাৰক পত্ৰ প্ৰদান কৰে । উক্ত স্মাৰক পত্ৰত উল্লেখ কৰা মতে স্মাৰ্ট মিটাৰসমূহ লগোৱাৰ পিচত বিগত চাৰি-পাঁচ মাহ ধৰি উপভোক্তা সকলে পাঁচ-ছয় গুণ অধিক বিদ্যুৎ বিল আদায় দিবলগীয়া হৈছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱাৰ সমান্তৰালকৈ অস্বাভাৱিক হাৰে বিদ্যুৎ বিল আদায় দিবলগীয়া হোৱাত উপভোক্তা ৰাইজৰ লগতে বিদ্যুতৰ ওপৰত নিৰ্ভৰশীল ক্ষুদ্ৰ ব্যৱসায়ী সকলে মূৰে কপালে হাত দিবলগীয়া হৈছে । সেয়েহে স্মাৰ্ট মিটাৰ সলনি কৰি পূৰ্বৰ মিটাৰ লগোৱাৰ দাবীৰে আজি চহৰৰ উপভোক্তা তথা সচেতন নাগৰিক আব্দুল হাই, ননী দাস, ইৰ্ছাদ আলী, আৰিফ আহমেদ আদি কৰি কে'বাগৰাকী লোকে জিলা উপায়ুক্ত খনিন্দ্ৰ চৌধুৰীক সাক্ষাৎ কৰি এখনি স্মাৰকপত্ৰ প্ৰদান কৰে ।

# গাঁৱে গাঁৱে চুকে-কোণে উদ্যোগীকৰণ-আত্মনিৰ্ভৰশীলতাৰ সজাগ কৰা হ'ব

■ চিৰাঙৰ আমলাইগুৰিত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ উদ্যোগত উদ্যোগীকৰণ উন্নয়ন শীৰ্ষক কাৰ্যসূচীত সাংসদ ৰণগৌৰা নাৰ্জাৰী



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১৯ আগষ্ট ঃ** কালি চিৰাং জিলাৰ আমলাইগুৰি আদৰ্শ গাঁৱত চিৰাং জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ উদ্যোগত আৰু অঞ্জালি সুখাতি আত্মসহায়ক গোট কোকৰাঝাৰৰ সহযোগত এদিনীয়া উদ্যোগীকৰণ উন্নয়নৰ সজাগতা কাৰ্যসূচী আয়োজন কৰে। অনুষ্ঠানত গ্ৰামাঞ্চলৰ পুৰুষ-মহিলাক উদ্যোগীকৰণৰ ক্ষেত্ৰত চৰকাৰে বিভিন্ন শিতানত ঋণদানেৰে সহায় কৰিব পাৰে সেই সন্দৰ্ভত কালি সজাগতাৰ উদ্দেশ্যে বিভিন্নজনে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰী, বিটিচিৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ কাৰ্যবাহী সদস্য ৰেওৱেৰা নাৰ্জিহাৰী, বিটিচিৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ মুৰব্বীসহ বহু বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। অনুষ্ঠানত সাংসদ নাৰ্জাৰীয়ে কয় যে বিটিআৰৰ গ্ৰামাঞ্চলৰ লোকসকলৰ উন্নয়নৰ বাবে চৰকাৰে বিভিন্ন শিতানত ঋণ প্ৰদানৰ ব্যৱস্থা কৰিছে। সেয়ে গ্ৰামাঞ্চলৰ লোকসকলে যাতে উদ্যোগীকৰণৰ বাবে আগবাঢ়ি আহি চৰকাৰে প্ৰদান কৰা সুবিধাসমূহ গ্ৰহণ কৰিব পাৰে তাৰ বাবে সজাগতা সৃষ্টিৰ প্ৰচেষ্টা লৈছে বিটিচি প্ৰশাসনে। বিটিচিৰ প্ৰতিটো প্ৰান্তৰ লোকসকলক উদ্যোগীকৰণৰ প্ৰতি আগ্ৰহী কৰা আৰু লোকসকলক আত্মনিৰ্ভৰ কৰি গঢ়ি তোলাৰ বাবে বহল ভিত্তিত সজাগতা কৰা হ'ব বুলি কয় সাংসদজনে। তেওঁ লগতে কয় যে আমলাইগুৰি গাঁওখন আদৰ্শগাঁৱৰ স্বীকৃতি লাভ কৰিছে। গতিকে গাঁওবাসীয়ে আদৰ্শ হ'ব লাগিব আৰু তাৰ বাবে গাঁৱৰ প্ৰতিজন লোকেই আত্মনিৰ্ভৰ হ'ব লাগিব। অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য ৰেওৱেৰা নাৰ্জিহাৰীয়ে কয় যে গঞাৰ উন্নয়নৰ বাবে চৰকাৰে বিভিন্ন সুবিধা প্ৰদান কৰিছে সেয়া আপোনালোকে আগবাঢ়ি আহি গ্ৰহণ কৰক বুলিও কয়। তেওঁ কয় যে আপোনালোকে জিলা উদ্যোগ আৰু বাণিজ্য বিভাগৰ পৰা কি কি সুবিধা দিছে সেই বিষয়ে বিতং তথ্য লাভ কৰি সুবিধা গ্ৰহণৰ বাবে আগুৱাই আহক আৰু নিজৰ লগতে দেশৰ উন্নয়নত সহযোগিতা কৰক। আজিৰ কাৰ্যসূচীত জৰিয়তে আমলাইগুৰি অঞ্চলৰ প্ৰায় এশ পুৰুষ-মহিলাক উদ্যোগ উন্নয়নৰ বাবে প্ৰশিক্ষণ দিয়াৰ কথাও জনায় বিটিচিৰ কাৰ্যবাহী সদস্যজনে। ৰেওৱেৰা নাৰ্জাৰীয়ে লগতে মহিলাসকলক এই ক্ষেত্ৰত আগবাঢ়ি আহি আগভাগ লোৱাৰ বাবে তেওঁলোকক ধন্যবাদ জনায়। আমলাইগুৰি আদৰ্শ গাঁৱৰ ঘৰে ঘৰে উদ্যোগ গঢ়ি তোলাৰ বাবে কাম কৰিব লাগিব বুলি আগবাঢ়ি আহিবলৈ অঞ্চলটোৰ ৰাইজক আহ্বান জনায়, লগতে বিটিচিৰ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ ফালৰ পৰা আৰু ব্যক্তিগতভাৱে সহায় কৰিব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য আগবঢ়ায়। গ্ৰামাঞ্চলত গাহৰি পালনকে আদি কৰি বিভিন্ন ধৰণৰ ঘৰচীয়া পশুপালন, ৰেছম বিভাগৰ পৰা সূতাকটা, সূতা বোৱা আদি কৰি বিভিন্ন ধৰণৰ কাৰ্যত পৰম্পৰাগতভাৱে নিয়োজিত হৈ থকা লোকসকলে চৰকাৰৰ পৰা সুবিধা গ্ৰহণ কৰি লাভান্বিত হ'বলৈ আহ্বান জনায় জিলা উদ্যোগ আৰু বাণিজ্য বিভাগৰ প্ৰৱন্ধক বিক্ৰম কলিতাই। অনুষ্ঠানত আমলাইগুৰি আদৰ্শ গাঁৱৰ লোকসকলৰ লগতে ওচৰ চুবুৰীয়া গাঁৱৰ বহু সংখ্যক লোক উপস্থিত থাকি এই সজাগতা অনুষ্ঠানত অংশগ্ৰহণ কৰে।

# যোৰহাটত 'কলাভূমি'ৰ আৰম্ভ

**যোৰহাট, ১৯ আগষ্ট ঃ** যোৰহাটৰ জনপ্ৰিয় অভিনেতা, পৰিচালক, নাট্যকাৰ, প্ৰতিষ্ঠিত ঘোষক দীপক নাথৰ ওপজাদিনৰ লগত সংগতি ৰাখি চোলাধৰাস্থিত ছেমফ'ৰ্ড বিদ্যালয়ত আৰম্ভ কৰা হয় কবিতা আবৃত্তি, অভিনয়, অনুষ্ঠানৰ আঁতধৰা আদি শিক্ষাৰ অনুষ্ঠান 'কলাভূমি'। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে ক্ৰমে বিশিষ্ট নাট্যকাৰ পৰিচালক ড° অৰূপ বৰঠাকুৰ, চিত্ৰশিল্পী তপন চাংকাকতি, সংগীতশিল্পী জয়ন্ত নাথ, অভিনেত্ৰী গীতাৱলী ৰাজকুমাৰী, ছেমফ'ৰ্ড বিদ্যালয়ৰ সঞ্চালক দিগন্ত দত্ত আৰু সমাজকৰ্মী শিখা বৰদলৈয়ে। অনুষ্ঠানৰ আৰম্ভণিতে এটি প্ৰাৰ্থনা গায় কণমানি অবিঘ্ন নাথে। দীপক নাথে বিদ্যালয়খনৰ যোগেদি উঠি অহা প্ৰজন্মৰ কণ কণ শিশু আৰু কিশোৰসকলৰ সৰ্বাংগীণ বিকাশৰ কথা চিন্তা কৰিয়েই এই আঁচনি হাতত লোৱা বুলি উল্লেখ কৰে। দীৰ্ঘদিন ধৰি অভিনয় জগতৰ প্ৰতিটো দিশৰ লগত অভিজ্ঞতা থকা দীপক নাথে মঞ্চৰ অভিনয়, একক অভিনয়, মূকাভিনয়, বাটৰ নাট, ৰেডিঅ' নাট আৰু বিশেষকৈ বোলছবি ধাৰাবাহিকৰ বাবে বেলেগে বেলেগে পাঠদান দিয়া হ'ব বুলি জনায়। অনুষ্ঠানত কণমানি স্বৰা সায়ন্তীনি আৰু অন্যোন কাশ্যপে কবিতা আবৃত্তি কৰে। লগতে কণমানি দ্বিজৰাজ বৰা, জাগ্ৰভ খাউণ্ড, প্ৰত্যুসা নাথে গীত পৰিৱেশন কৰে। অহা ছেপ্টেম্বৰৰ পৰাই ছেমফ'ৰ্ড বিদ্যালয়ত কলাভূমিৰ পাঠদান আৰম্ভ হ'ব বুলি জনাইছে।

# জীৱন বীমা নিগমৰ উদ্যোগত কৃষক সভাৰ সহযোগত ষাঠিকুছিত বান সাহায্য বিতৰণ



অগ্ৰদূত বাৰ্তা

**টিহু, ১৯ আগষ্ট ঃ** টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত গোৰৰাদলৰ ষাঠিকুছিস্থিত জয়হৰি পিতাৰ থানত কালি ভাৰতীয় জীৱন বীমা নিগমৰ এমপ্লইজ এছোচিয়েচন গুৱাহাটী সংমণ্ডল, পেঞ্চনাৰ এছোচিয়েচন গুৱাহাটী সংমণ্ডল ,উত্তৰ পূৰ্বাঞ্চল সাধাৰণ বীমা পেঞ্চনাৰ এছোচিয়েচন, উত্তৰ পূৰ্বাঞ্চল সাধাৰণ বীমা কৰ্মচাৰী সমিতিৰ সমূহীয়া উদ্যোগত আৰু অসম ৰাজ্যিক কৃষক সভাৰ সহযোগত বান বিধ্বস্ত দৰিদ্ৰ লোকৰ মাজত বস্ত্ৰ বিতৰণ কৰা হয়। এই উপলক্ষে অনুষ্ঠিত সভাত অসম ৰাজ্যিক কৃষক সভাৰ সম্পাদক টিকেন দাস, জীৱন বীমা পেঞ্চনাৰ এছোচিয়েচনৰ বিষয়ববীয়া মুকুল কুমাৰ দাস, চিটুৰ নেতা সতনজীৱ দাসে ভাষণ দিয়ে। নলবাৰী জিলা কৃষক সভাৰ সভাপতি কৰুণা কলিতা, নামবৰভাগ আঞ্চলিক কৃষক সভাৰ সম্পাদক বিজয় কলিতা আদিয়ে কাৰ্যসূচী পৰিচালনাত সহায় কৰে। স্থানীয় সমাজকৰ্মী যতীন্দ্ৰ কুমাৰ দাসে আঁত ধৰা অনুষ্ঠানটোত জীৱন বীমা নিগমৰ বিভিন্ন বিষয়া ক্ৰমে উমেশ দাস, ভবেন্দ্ৰ কুমাৰ কলিতা, ভূৱনেশ্বৰ বৰুৱা, বিনোদ কলিতা, চপল ভট্টাচাৰ্য, চিত্ত দাস, হৰমোহন তালুকদাৰ, গিৰিণ চক্ৰৱৰ্তী আৰু দেৰহাচা স্বৰ্গীয়াৰী আদিয়ে অংশ গ্ৰহণ কৰে। অনুষ্ঠানত অঞ্চলটোৰ তিনিশ পৰিয়ালক কম্বল, বিছনা চাদৰ, আঁঠুৱা আদি প্ৰদান কৰে।

# নতুন আলিত পুখুৰীত পৰি শিশুৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ১৯ আগষ্ট ঃ** নতুন আলিত পুখুৰীত পৰি এটি শিশু মৃত্যু হোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। তথ্য মতে কালিৰ পৰা সন্ধানহীন হৈ থকা নতুন আলিৰ মিথুন পাতৰৰ ছবছৰীয়া পুত্ৰ লক্ষীন্দ্ৰ পাতৰক আজি পুৱা ঘৰৰ কাষৰ এটা পুখুৰীত মৃত অৱস্থাত পৰিয়ালৰ লোকে প্ৰত্যক্ষ কৰে। পাছত ঘোঁৰামৰা আৰক্ষী চকীৰ আৰক্ষী আহি শিশুটিৰ মৃতদেহ উদ্ধাৰ কৰে। শিশুটিৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে আৰক্ষীয়ে।

# কৃষ্ণাক্ষী বৰাৰ চাহ কৃষি বিজ্ঞানত ডিষ্টিংচনসহ প্ৰথম বিভাগত স্নাতক ডিগ্ৰী



অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১৯ আগষ্ট ঃ** কৃষ্ণাক্ষী বৰাই অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা চাহ কৃষি আৰু প্ৰযুক্তিবিদ্যা বিজ্ঞান বিষয়ত ডিষ্টিংচনসহ প্ৰথম বিভাগত স্নাতক ডিগ্ৰী লাভ কৰিছে। তেওঁ প্ৰাথমিক বৃত্তি, মজলীয়া বৃত্তি, ৰাজ্যিক ভিত্তিত অনুষ্ঠিত মৌচাক বৃত্তিত তৃতীয় স্থান লাভ কৰাৰ উপৰি উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচনসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। গীত-নৃত্যত পাৰ্গত ছাত্ৰীগৰাকী ঝংকাৰ সংগীত আৰু চাৰুকলা বিদ্যালয়ৰ শাস্ত্ৰীয় সংগীতৰ ছাত্ৰী। উল্লেখ্য যে কৃষ্ণাক্ষী অসমৰ প্ৰথমগৰাকী ক্ষুদ্ৰ চাহ খেতিয়ক পূৰ্ণকান্ত বৰাৰ নাতি আৰু চেনিজানৰ ক্ষুদ্ৰ চাহ খেতিয়ক ৰিতুল কুমাৰ বৰা আৰু শিক্ষয়িত্ৰী পূৰ্ণিমা শইকীয়া বৰাৰ কন্যা।

# বজালীৰ বাঘমাৰাত এন কে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**জালাহ, ১৯ আগষ্ট ঃ** বজালী জিলাৰ বাঘমাৰাত অৱস্থিত নৰ্থ কামৰূপ মহাবিদ্যালয়ে আজি ৪৩ সংখ্যক বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰে। কাৰ্যক্ৰমণিকা অনুসৰি পুৱা পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিৰাজ পাঠকে। স্মৃতি তৰ্পণ কৰে নৰ্থ কামৰূপ কলেজ শিক্ষক গোটৰ সভাপতি ড° লীনা গোস্বামীয়ে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিৰাজ পাঠকৰ সভাপতিত্বত অনুষ্ঠিত সভাত মহাবিদ্যালয়খনৰ প্ৰশাসনীয় সভাপতি মুনীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে মুখ্য অতিথিৰূপে ভাষণ আগবঢ়ায়। তেওঁ ভাষণত নতুন শিক্ষা নীতি সম্পৰ্কে ব্যাখ্যা আগবঢ়াই কয় যে নতুন শিক্ষা নীতিয়ে শৈক্ষিক দিশত আমূল পৰিৱৰ্তন আনিব বুলি আশা কৰিব পাৰি। তেওঁ অভিভাৱকসকলক ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি নিজৰ সন্তানক স্থানীয় মহাবিদ্যালয়ত নামভৰ্তিৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। তেওঁ কয় যে ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয়তকৈ ৰাইজৰ উদ্যোগত স্থাপিত চৰকাৰী খণ্ডৰ মহাবিদ্যালয়ো নিশ্চয় শিক্ষাৰ ক্ষেত্ৰত কোনোগুণে কম নহয়। সভাত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সম্পাদক শশী মোহন কলিতাই বিশিষ্ট অতিথিৰূপে ভাষণ আগবঢ়ায়। সমজুৱাৰ ফালৰ পৰা ভাষণ আগবঢ়ায় মাণিকপুৰ সমবায় সমিতিৰ সভাপতি গিৰিজা মোহন কলিতাই। সভাত প্ৰাক্তন অধ্যক্ষ মুৰাৰী মোহন দত্ত, হৰকান্ত বড়ো, প্ৰফুল্ল কলিতা, লক্ষণ কলিতা, ৰবীন শৰ্মা প্ৰমুখ্যে ২০গৰাকী কলেজ প্ৰতিষ্ঠাৰ স'তে জড়িত বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনায়।



নামৰূপত গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ দৃশ্য।

# পাঠশালাত ৰাজমুকুট থিয়েটাৰৰ নাট্যযাত্ৰা মুকলি মন্ত্ৰী দাসৰ 'কিৰীটি' উন্মোচন

■ বহুকেইগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা

বিশেষ সংবাদদাতা

**পাঠশালা, ১৯ আগষ্ট ঃ** নাট্যনগৰী পাঠশালাৰ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কালিৰে পৰা ৰাজমুকুট থিয়েটাৰে ২০২২-২৩ৰ নাট্যযাত্ৰা আৰম্ভ কৰে। বিশিষ্ট পৰিচালক ৰাজেশ ভূঞাই বন্তি প্ৰজ্বলন কৰাৰ পাছত স্থানীয় বিধায়ক তথা জ্যেষ্ঠ কেবিনেট মন্ত্ৰী ৰণজিত কুমাৰ দাসে ২০২২-২৩ৰ নাট্যযাত্ৰা উদ্বোধন কৰি ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্মস্থানত ভ্ৰাম্যমাণ থিয়েটাৰৰ জয়যাত্ৰা চিৰকাললৈ বৰ্তি থকাৰ আশা ব্যক্ত কৰে। পাঠশালা উদয়ন সংঘৰ আমন্ত্ৰণ ক্ৰমে আজিৰে পৰা নদিনীয়া নাট্য পৰিক্ৰমা লৈ ৰাজমুকুট থিয়েটাৰে সপ্তম বৰ্ষৰ নাট্যযাত্ৰা আৰম্ভ কৰাৰ শুভ মুহূৰ্তৰ অনুষ্ঠানত বজালী জিলাৰ উপায়ুক্ত কাবেৰী বৰকাকতি শৰ্মা, আনন্দৰাম বৰুৱা একাডেমীৰ ৰেক্টৰ তথা বিশিষ্ট শিক্ষাবিদ ড° ৰণজিত ডেকা, উদয়ন সংঘৰ সভাপতি ৰুবুল কুমাৰ শৰ্মা, সম্পাদক ৰাতুল ৰয়, বজালী জিলা পৰিষদৰ অধ্যক্ষ ৰণজিত শালৈ, পাঠশালা পৌৰ সভাৰ পৌৰপতি জলী চৌধুৰী, বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জন চক্ৰৱৰ্তী, পাঠশালা বজাৰ কমিটীৰ সভাপতি গিৰিধৰ চৌধুৰী, ৰাজমুকুট থিয়েটাৰৰ প্ৰযোজক মানস কলিতা সমন্বিতে বহুসংখ্যক বিশিষ্ট লোকক সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত ৰূপক চৌধুৰীৰ সম্পাদনাত প্ৰকাশ পোৱা ৰাজমুকুট থিয়েটাৰৰ বাৰ্ষিক মুখপত্ৰ 'কিৰীটি' উন্মোচন কৰে মন্ত্ৰী বিমল বৰাই। মন্ত্ৰী বৰাই ভ্ৰাম্যমাণ থিয়েটাৰৰ অৱদান সদায় বন্দিত হৈ ৰ'ব বুলি মন্তব্য কৰি সমাজৰ প্ৰতি ভ্ৰাম্যমাণ থিয়েটাৰে এটা সুসংগঠিত ৰূপত অনুপ্ৰেৰণা জগাই অহা বুলি কয়। বিশিষ্ট নাট্যকাৰ ৰাজদ্বীপৰ বকুল ফুলৰ দৰে নাটকখনৰে ৰাজমুকুট থিয়েটাৰে আগন্তুক নাট্যযাত্ৰা আৰম্ভ কৰে।

# উদাৰবন্দত পানী যোগান আঁচনিত ব্যাপক অনিয়ম ঃ তদন্তৰ দাবী ৰাইজৰ

**শিলচৰ, ১৯ আগষ্ট ঃ** উদাৰবন্দ বিধানসভা সমষ্টিৰ অন্তৰ্গত গোসাঁইপুৰ প্ৰথম খণ্ডত পানী যোগান আঁচনিৰ নামত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। কে'বালাখ টকা ব্যয়ৰে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনৰ আঁচনিখন ঠিকাদাৰৰ মইমতালিতে বগা হাতীত পৰিণত হোৱা বুলি ৰাইজে অভিযোগ কৰিছে। আঁচনিখন ৰূপায়ণৰ নামত যথেষ্ট নিম্নমানৰ কাম কৰা বুলি ৰাইজে অভিযোগ কৰিছে। ইয়াৰ ফলতে পানী লাভৰ পৰা ৰাইজ বঞ্চিত হৈছে। অঞ্চলটোৰ গোট মেম্বাৰৰ প্ৰতিনিধি নিমাৰ আলী লস্কৰে ক্ষোভেৰে কয় যে আঁচনিখন ৰূপায়ণৰ ফলত ৰাইজৰ মাজত যি আশাৰ সঞ্চাৰ হৈছিল সেয়া নিৰ্বাপিত হৈছে। সেয়েহে বিষয়টো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, স্থানীয় বিধায়ক মিহিৰ কান্তি সোম আৰু জিলা উপায়ুক্তৰ দৃষ্টি আকৰ্ষণ হ'ব বুলি ৰাইজে আশা ব্যক্ত কৰিছে। এই অনিয়মৰ তদন্ত কৰি দোষীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

# 'চতিয়া দিৱস' উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তাাপন

**চতিয়া, ১৯ আগষ্ট ঃ** ইতিহাস প্ৰসদ্ধি তথা ব্ৰিটিছৰ আমোলত ১৮৩২ত স্থাপন হোৱা ঐতিহাসিক চতিয়া থানাত ১৯৪২ৰ ২০ আগষ্টত ভাৰতৰ ভিতৰতে পোনপ্ৰথমে ত্ৰিৰংগা উৰুৱাই ব্ৰিটিছৰ দমনমূলক শাসনৰ বিৰোধীতাৰে প্ৰকাশ্য বিদ্ৰোহ ঘোষণা কৰি স্বাধীনতা সংগ্ৰামৰ গৌৰৱোজ্জ্বল ইতিহাসত নিজৰ নাম খোদিত কৰিছিল। চতিয়া থানাৰ অমৃতময় ইতিহাসৰ গাথা নৱপ্ৰজন্মলৈ প্ৰবাহিত কৰাৰ প্ৰয়াসৰে যোৱা আঠ আগষ্টত অনুষ্ঠিত ৰাজহুৱা সভাই পোন প্ৰথমবাৰৰ বাবে থানা চৌহদত 'চতিয়া দিৱস' উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰি এক কাৰ্যসূচী প্ৰস্তুত কৰিছে। কাৰ্যসূচী অনুসৰি, পুৱা ৭-৩০ বজাত মানৱ শৃংখল উদ্বোধন কৰিব বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে, পুৱা ন বজাত পতাকা উত্তোলন কৰিব মুক্তিযোদ্ধা হৰিপ্ৰসাদ মিশ্ৰই, পুৱা ৯ বজাত ছহিদ তৰ্পণ তথা স্বাধীনতা সেনানীসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাব বিশ্বনাথ জিলাৰ উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে, ১০ বজাত ১৯৪২ৰ ২০ আগষ্টৰ ঐতিহাসিক ক্ষণৰ ৰোমন্থন কৰিব ছয়দুৱাৰ কলেজৰ অধ্যক্ষ ড° অঞ্জন ওজাই। সন্ধিয়া চতিয়া থানাৰ চৌহদত বন্তি প্ৰজ্বলন কৰাৰ লগতে সদৌ চতিয়াবাসীয়ে নিজা গৃহতে এগছি বন্তি প্ৰজ্বলন কৰিব। এইদৰে প্ৰতি বছৰে চতিয়াবাসীয়ে ২৯ আগষ্টৰ দিনটোত চতিয়াত চতিয়া দিৱস হিচাপে উদ্‌যাপন কৰা হ'ব বুলি জানিবলৈ দিছে।

# নাজিৰাৰ নিচামুক্ত কেন্দ্ৰ ৰিক'ভাৰী ফাউণ্ডেছনৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**নামতি, ১৯ আগষ্ট ঃ** নাজিৰাৰ বৰতলাত উদীয়মান যুৱক তুহিন হাজৰিকাৰ লগতে কে'বাজনো যুৱকৰ প্ৰচেষ্টাত ২০২১ গঢ়ি উঠা নিচামুক্ত কেন্দ্ৰৰ ৰিক'ভাৰী ফাউণ্ডেছনে ১৭ আগষ্টত এবছৰ সম্পূৰ্ণ কৰিলে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ নিচাসক্ত যুৱক তথা ব্যক্তিক কিদৰে সুপথলৈ আনি সু-নাগৰিক হিচাপে গঢ়ি তুলিব পাৰি তাৰ বাবে আপ্ৰাণ প্ৰচেষ্টা চলাই আহিছে নাজিৰাৰ এই ৰিক'ভাৰী ফাউণ্ডেছনে। প্ৰতিষ্ঠা দিৱসৰ শুভক্ষণত অসম ৰাজ্যিক নিচাযুক্ত আৰু নিষেধাজ্ঞা আয়োগৰ উপাধ্যক্ষ জিতু বৰগোহাঁই আৰু সংবাদসেৱী তথা নাজিৰা মহকুমা অনুসূচিত জাতি উন্নয়ন ব'ৰ্ডৰ প্ৰাক্তন সভাপতি দিলীপ হাজৰিকাই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা বৰ্ষপূৰ্তি অনুষ্ঠানত আৱাসীসকলৰ লগত মত বিনিময় কৰাৰ লগতে বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়াই নিচাসক্তসকলক নিচামুক্ত কৰি সমাজখনক কেনেদৰে ধ্বংসৰ পৰা ৰক্ষা কৰিব পাৰি সেই বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত অসম ৰাজ্যিক নিচাযুক্ত নিষেধাজ্ঞা আয়োগৰ উপাধ্যক্ষ জিতু বৰগোহাঁই, কাউঞ্চিলৰ মাধুৰী বড়া, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি বিদ্যুৎ দাস, সাধাৰণ সম্পাদক মৃদুল দাস, অসম যুৱ পৰিষদৰ উপ-সভাপতি সুশান্ত দত্ত, জ্যোতিষ ফুকন, আইফলং গগৈ, অৰুণ কোঁৱৰ আদিকে ধৰি বহুকেইজনে বিশিষ্ট ব্যক্তি উপস্থিত থাকি ৰিক'ভাৰী ফাউণ্ডেছনৰ আৱাসীসকলৰ স'তে মত বিনিময় কৰে আৰু নিচামুক্ত কেন্দ্ৰটো পৰিদৰ্শন কৰি বিভিন্ন দিশ আলোচনা কৰে

# ডুবাইত অনুষ্ঠিত লোকনৃত্য প্ৰতিযোগিতাত শীৰ্ষস্থান তৃস্মিতাৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৯ আগষ্ট ঃ** ডুবাইত অনুষ্ঠিত লোকনৃত্য প্ৰতিযোগিতাত শীৰ্ষস্থান অধিকাৰ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে বিশ্বনাথ চাৰিআলিৰ নগাঁৱৰ তৃস্মিতা বৰাই। নগাঁৱৰ দিগন্ত বৰা আৰু ৰূপজ্যোতি বৰাৰ কন্যা তৃস্মিতাই অসমলৈ এই গৌৰৱ কঢ়িয়াই অনাত উৎফুল্লিত হৈ পৰিছে বিশ্বনাথবাসী। শোণিতপুৰ জিলাৰ বালিপৰাৰ অসম ভেলী স্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰী তৃস্মিতা বৰা। ছাত্ৰীগৰাকীয়ে ডুবাইত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ বিহু নৃত্য প্ৰদৰ্শন কৰি প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। ভাৰতীয় কলা-সাংস্কৃতিক সংস্থা আৰু শ্ৰীচ ডান্স ষ্টুডিঅ', চলাপুৰৰ উদ্যোগত ডুবাইৰ মল অৱ এমিৰেটত অনুষ্ঠিত হৈছিল এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা। ১৩ৰ পৰা ১৬ আগষ্টলৈ 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি অনুষ্ঠিত প্ৰতিযোগিতাত ভাৰত, মালয়েছিয়া, ইণ্ডোনেছিয়া, ডুবাই, কলম্বিয়া আদি ৰাষ্ট্ৰৰ বহুসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। অনুষ্ঠানত নৃত্য, সংগীত, ফেশ্বন শ্ব' প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। অসম ভেলী স্কুলৰ পৰা এই প্ৰতিযোগিতাত তৃস্মিতাৰ উপৰি আৰু ১৫গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অসম ভেলী স্কুলৰ শিক্ষয়িত্ৰী ৰুবি বৰা বৰদলৈৰ তত্ত্বাৱধানত প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে গৈছিল প্ৰতিযোগী দলটো।

# নৰ্থ-ইষ্ট কেন্সাৰ হাস্পতালৰ ১৪ সংখ্যক বৰ্ষপূৰ্তি

■ অত্যাধুনিক নতুন ৰেডিয়েচন যন্ত্ৰ সংস্থাপন ■ চিকিৎসাৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ১৯ আগষ্ট ঃ** মহানগৰীৰ সমীপৱৰ্তী ১১ মাইল আমৰিগোগস্থিত নৰ্থ-ইষ্ট কেন্সাৰ হাস্পতাল এণ্ড ৰিচাৰ্ছ ইনষ্টিটিউটে কাইলৈ পূৰ্ণ কৰিব ১৪ সংখ্যক বৰ্ষপূৰ্তিৰ। এই উপলক্ষে চিকিৎসালয়খনৰ কৰ্তৃপক্ষই কালি এক সংবাদমেল অনুষ্ঠিত কৰে। সংবাদমেলত চিকিৎসালয়খনৰ অধীক্ষক ডাঃ ৰবীন গোহাঁয়ে কয় যে উত্তৰ-পূৰ্বাঞ্চলত সজাগতাৰ অভাৱৰ বাবেই বছৰি ৩০১ পৰা ৪০ হেজাৰ লোক কৰ্কট ৰোগত আক্ৰান্ত হয়। ইয়াৰে অকল অসমতে বছৰি ১৬ হেজাৰ কৰ্কট আক্ৰান্ত ৰোগী মৃত্যু মুখত পৰে। কৰ্কট ৰোগীক উপযুক্ত তথা উন্নত সেৱা আগবঢ়াবলৈ নৰ্থ-ইষ্ট কেন্সাৰ হাস্পতাল আৰু ৰিচাৰ্ছ ইনষ্টিটিউট বদ্ধপৰিকৰ। সেয়ে ১৪ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে চিকিৎসালয়খনে আমেৰিকাৰ পৰা অত্যাধুনিক প্ৰযুক্তি সম্পন্ন আইএমআৰটি আৰু আইজিআৰটি ভেৰিয়েন্ট কম্পেনীৰ নিউ ৰেডিয়েচন যন্ত্ৰ ক্ৰয় কৰি সংস্থাপন কৰিছে। অচিৰে চিকিৎসালয়খনে এই ৰেডিয়েচন যন্ত্ৰ মুকলি কৰিব আৰু ইয়ে উত্তৰ-পূব



তথা অসমৰ কৰ্কট চিকিৎসাৰ বাবে এক যুগান্তকাৰী পদক্ষেপ হ'ব। আনহাতে, চিকিৎসালয়খনৰ আন এগৰাকী কৰ্কট ৰোগ বিশেষজ্ঞা ডাঃ জুমি বৰগোহাঞিয়ে এই অত্যাধুনিক প্ৰযুক্তিৰ ৰেডিয়েচন যন্ত্ৰৰ দ্বাৰা কৰা চিকিৎসা পাৰ্শ্বক্ৰীয়াবিহীন আৰু যি স্থানত কৰ্কট ৰোগ ধৰা পৰে সেই স্থানতহে ৰে দিয়া হয়। ফলত শৰীৰৰ অন্যান্য অংগ অথবা স্থানৰ কোনো ক্ষতি নহয়। সেয়ে এতিয়াৰে পৰা উত্তৰ-পূবৰ কৰ্কটৰোগীসকলে উন্নত চিকিৎসৰ বাবে আৰু বাহিৰলৈ যোৱাৰ প্ৰয়োজনীয়তা নাথাকিব। উল্লেখ্য যে ২০০৮ৰ ১৯ আগষ্টত তদনান্তীন মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে এই চিকিৎসালয়খন মুকলি কৰিছিল। সংবাদমেলত চিকিৎসালয়খনৰ অধ্যক্ষ গণেশ তামুলী, উপ-অধীক্ষক ডাঃ ধীৰেন কুমাৰ নাথো উপস্থিত থাকে।





# বিবি মহন্তৰ 'শাওণৰ আকাশত মেঘমল্লাৰ গান' শীৰ্ষক কবিতাপুথি উন্মোচন

অগ্ৰদূত বাৰ্তা

**নামৰূপ, ১৯ আগষ্ট ঃ** নামৰূপ 'সমলয় কবি চক্ৰ'ৰ কাব্যপ্ৰাণা কৰ্মী বিবি মহন্তৰ 'শাওণৰ আকাশত মেঘমল্লাৰ গান' শীৰ্ষক এখনি কবিতা পুথিৰ কালি উন্মোচন কৰা হয়। উল্লেখ্য যে তাহানিৰ অসম আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মী তথা নাৰী সৱলীকৰণৰ বাবে আজীৱন কাম কৰি যোৱা মহন্তই একেধাৰে কে'বাটাও দশক ধৰি সাহিত্য চৰ্চা কৰি আহিছে। গভীৰ অন্তৰ্দৃষ্টি, অধ্যয়ন আৰু সৃজনীশীলতাৰে সাহিত্য চৰ্চা অব্যাহত ৰখা কবিগৰাকীৰ কে'বাটাও স্বৰচিত গল্প, প্ৰৱন্ধ গুচ্ছ আৰু কবিতা ৰাজ্যিক পৰ্যায়ত একাধিকবাৰ পুৰস্কৃতও হৈছে। কাব্যভাবনাৰে জীপাল হৈ থকা কবিজনৰ ৭০ সংখ্যক জন্ম দিনটোতে নামৰূপ সংগীত মহাবিদ্যালয় প্ৰেক্ষাগৃহত পুত্ৰ সৌমিন মহন্ত আৰু পুত্ৰ-বোৱাৰী ৰীমা কটকী মহন্তৰ প্ৰচেষ্টাত আয়োজিত এক বৰ্ণাঢ্য কাৰ্যসূচীত কবি, প্ৰবন্ধকাৰ মনিকান্ত চেতিয়াই কাব্য পুথিখন উন্মোচন কৰে। তেওঁক সহযোগিতা আগবঢ়ায় বিদেশী বিতাড়ন আন্দোলনৰ অগ্ৰণী সেনানী তথ্য বৰ্ষীয়ান সমাজসেৱিকা ক্ৰমে লাবন্য শইকীয়া, পুতুমনি বড়া আৰু নিৰলা পাটিৰে। ইফালে, কবি, সাহিত্যিক জিতুমনি শইকীয়া আৰু শিল্পী, নৃত্য বিশাৰদ অলিমনি দত্ত শইকীয়াই আঁতধৰা অনুষ্ঠানৰ নাম আৰু শংখ ধ্বনিৰে উদ্বোধন কৰে শংকৰী কলা কৃষ্টিৰ বিশিষ্ট সাধক তথা চুপহা সত্ৰৰ ডেকা সত্ৰাধিকাৰ গীৰিন মহন্তই। অনুষ্ঠানত কণমানি আবৃত্তিকাৰ অভিশ্ৰুতি মহন্ত, বিশিষ্ট কবি অনিমা বৰুৱা দেউৰীকে ধৰি মল্লিকা বেগম, জয়শ্ৰী গগৈ, অনিতা গগৈ, বৰ্ণালী চেতিয়া, অন্তৰীক্ষা চেতিয়া, মামনি বৰকাকতি, গৌৰী চুবেদাৰ বড়া, লক্ষ্মী মহিলাৰী, প্ৰীতিৰেখা মহন্ত, কাৰ্তিক তালুকদাৰে কবিতা আবৃত্তি কৰাৰ লগতে বৰ্ণালী বুঢ়াগোহাঁই, তৌচিফ আহমেদ, স্মৃতিৰেখা কলিতা আৰু গোপা গোস্বামীয়ে গীত পৰিবেশনেৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ইয়াৰ উপৰি অনুষ্ঠানত নাহৰকটীয়াৰ, সাংবাদিক বুলন কুমাৰ শইকীয়া, সাংবাদিক কল্পদ্বীপ মহন, দীপ্তি গগৈ, ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক মানসজ্যোতি চাংমাই, প্ৰদীপ গগৈ, মিন্টু সোণোৱাল, সমাজকৰ্মী জ্যোতিৰেখা বেগম, দীপাংকৰ গগৈকে ধৰি নামৰূপৰ শতাধিক লোক উপস্থিত থাকে।

■ ঘগ্ৰাপাৰত কাবেৰী নাট্যদলৰ শুভ মহুৰত

# যুৱ নাট্যকাৰ অভিজিৎ বৈশ্যৰ 'দাদা তুমি ভগৱান' মঞ্চায়নৰ প্ৰস্তুতি



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৯ আগষ্ট ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ আগশাৰীৰ নাট্যগোষ্ঠী কাবেৰী নাট্যদলে যোৱা ১৭ আগষ্টৰ সন্ধিয়া ঘগ্ৰাপাৰ হৰিমন্দিৰ প্ৰাংগণত যুৱ নাট্যকাৰ অভিজিৎ বৈশ্যৰ 'দাদা তুমি ভগৱান' নাটখনৰ শুভ মহুৰত সম্পন্ন কৰে। সাংবাদিক বীৰেন কলিতাই সঞ্চালনা কৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষাকৰ্মী তথা নাট্যকৰ্মী মজাফৰ আলীয়ে। ইয়াৰ পাছতে নাটকখন উন্মোচন কৰি মহুৰত সম্পন্ন কৰে অৱসৰপ্ৰাপ্ত শিক্ষাবিদ তথা পূৱ নলবাৰী সাংস্কৃতিক পৰিষদৰ কাৰ্যকৰী সভাপতি ধীৰেন শৰ্মাই। নাটখনিৰ পৰিচালনা কৰিব কাৱেৰী নাট্যদলৰ নাট্যকৰ্মী নৱজ্যোতি কলিতাই। আগন্তুক ২০২২-২৩ৰ বাবে নাট্যদলটোৰ মঞ্চস্থ কৰিবলগীয়া নাটক 'দাদা তুমি ভগৱান'ৰ ইতিমধ্যেই প্ৰস্তুতি সম্পন্ন হৈছে। অনুষ্ঠানত সাংস্কৃতিক কৰ্মী তথা আৱকাৰী পৰিদৰ্শক তপন কলিতা, ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক মনহৰি কলিতা, সাংস্কৃতিক কৰ্মী ফণীধৰ দাস, থানেশ্বৰ দাস, নৰপতি তালুকদাৰ, সাংবাদিক ৰবীন্দ্ৰ নাথ কলিতা, সমাজকৰ্মী থানেশ্বৰ লহকৰ আদিয়ে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ মুৰব্বীকে ধৰি শতাধিক ৰাইজে অংশগ্ৰহণ কৰে। উল্লেখ্য যে আজিৰ পৰা প্ৰায় ৩০ বছৰ পূৰ্বে ঘগ্ৰাপাৰ অঞ্চলৰ কেইজনমান উৎসাহী আৰু সাংস্কৃতিক ব্যক্তিৰ সুপ্ৰচেষ্টাত কাবেৰী নাট্য দলটোৰ জন্ম হৈছিল।



*তামুলপুৰত ছহিদ বাবুল কুমাৰ ব্ৰহ্মলৈ শ্ৰদ্ধাঞ্জলি সদৌ বিটিআৰ সুলভ মূল্য দোকানী সন্থাৰ।*

# তেতেলিগুৰি হাইস্কুলত শিক্ষকৰ মইমতালিত অতিষ্ঠ ৰাইজ

■ বিদ্যালয়ত সময়মতে উপস্থিত নোহোৱাৰ অভিযোগ ৰাইজৰ

অগ্ৰদূত বাৰ্তা

**দোতমা/ফকিৰাগ্ৰাম, ১৯ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ দোতমা শিক্ষাখণ্ডৰ অন্তৰ্গত তেতেলিগুৰী হাইস্কুলত শিক্ষকৰ মইমতালিৰ অভিযোগ উত্থাপন হৈছে। চৰকাৰৰ নিৰ্দেশনাক অৱমাননা কৰি নিজৰ খেয়াল-খুচি মতে বিদ্যালয়ত উপস্থিত হৈ পাঠদান কৰায় ছাত্ৰ-ছাত্ৰীক। শিক্ষকসকলে সময়মতে বিদ্যালয়ত উপস্থিত নোহোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীক ভালদৰে পাঠদান নকৰাৰ অভিযোগ



স্থানীয় ৰাইজৰ। চৰকাৰী দৰমহা ভোগ কৰি ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ হেতালি খেলা শিক্ষকৰ বিৰুদ্ধে উচিত ব্যৱস্থা ল'বলৈ ৰাইজে উৰ্ধতম কৰ্তৃপক্ষৰ ওচৰত দাবী জনায়। শিক্ষকসকলৰ দায়িত্বহীনতাৰ বাবেই শিক্ষাৰ্থীসকলৰ ভৱিষ্যৎ অন্ধকাৰ দিশলৈ আগবাঢ়িছে বুলিও অভিযোগ তুলিছে সচেতন মহলে। যি সময়ত অসম চৰকাৰে শিক্ষাৰ মান উন্নত কৰিবলৈ বিভিন্ন ধৰণৰ আঁচনি প্ৰস্তুত কৰি আছে, তেনে সময়তে তেতেলিগুৰী হাইস্কুলৰ শিক্ষকসকলৰ এনে মইমতালিত শিক্ষা বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

# জন্মাষ্টমীত ঢেঁকীয়াখোৱা বৰনামঘৰত যুৱ-ছাত্ৰ পৰিষদে আগবঢ়ালে ডাষ্টবিন

■ নামঘৰ পৰিচালনা সমিতিয়ে জনালে কৃতজ্ঞতা

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১৯ আগষ্ট ঃ** আজি শ্ৰীকৃষ্ণৰ জন্মাষ্টমী। সমগ্ৰ দেশতে উদ্‌যাপন হৈছে জন্মাষ্টমীৰ কাৰ্যসূচী। ব্যতিক্ৰম নহয় টীয়কৰ ঐতিহাসিক মাধৱদেৱ প্ৰতিষ্ঠিত ঢেঁকীয়াখোৱা বৰনামঘৰো। জন্মাষ্টমীৰ এই শুভ ক্ষণত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ টীয়ক আঞ্চলিক সমিতিৰ সদস্যসকলে ঢেঁকীয়াখোৱা বৰনামঘৰত উপস্থিত হৈ ৰাজ্যবাসীৰ মংগলৰ বাবে নেদেখাজনৰ চৰণত সেৱা জনায়। উল্লেখ্য যে অশেষ কষ্ট স্বীকাৰ কৰি ঢেঁকীয়াখোৱা বৰনামঘৰ পৰিচালনা সমিতিয়ে তথা ঢেঁকীয়াখোৱাবাসীয়ে এই তীৰ্থস্থান উজনি অসমৰ অন্যতম আকৰ্ষণীয় তথা ভকত বৈষ্ণৱৰ সৰ্বতো প্ৰকাৰৰ সুবিধাৰ্থে যি ব্যৱস্থা গ্ৰহণ কৰিছে তাক শ্ৰদ্ধা জনাই বৰনামঘৰ পৰিচালনা সমিতিৰ সভাপতি-সম্পাদক প্ৰমুখ্যে কে'বাগৰাকীও বৈষ্ণৱক একোখনকৈ গামোচা, অংগবস্ত্ৰ আৰু সম্বৰ্ধনা পত্ৰ প্ৰদান কৰি কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে নামঘৰৰ চৌপাশ চাফ-চিকুণ কৰি ৰখাৰ ক্ষেত্ৰত সহায় হোৱাকৈ কুৰিটা ডাষ্টবিন প্ৰদান কৰে। জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ টীয়ক আঞ্চলিকৰ সম্পাদক প্ৰশান্ত দত্তই আঁতধৰা উক্ত কাৰ্যসূচীত টীয়ক পৌৰসভাৰ পৌৰপতি লাকী বৰবৰা গগৈ, ৱাৰ্ড আয়ুক্ত তুলতুল হাজৰিকা, সমাজকৰ্মী প্ৰদীপ শইকীয়া, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ যোৰহাট জিলাৰ সাধাৰণ সম্পাদক বাবু দত্ত, টীয়ক আঞ্চলিক সমিতিৰ সভাপতি হিমাংশু বৰুৱা, পাপু কলিতা, বিতু ৰাজখোৱা, অসীম দলৈ, টীয়ক প্ৰেছ ক্লাবৰ জ্যেষ্ঠ সদস্য ৰিজু কুমাৰ শইকীয়াকে ধৰি ভালেসংখ্যক শুভাকাংক্ষী উপস্থিত থাকি সহযোগিতা আগবঢ়ায়।

# পালেঙীৰ সৰবৰহী মহিলা ৰুবী বৰগোহাঁইৰ আদ্যশ্ৰাদ্ধ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১৯ আগষ্ট ঃ** যোৱা ১০ আগষ্টৰ দিনা সকলোকে মৰ্মাহত কৰি আকস্মিকভাৱে মৃত্যুক সাবটি লোৱা ডিমৌ পালেঙীৰ সৰবৰহী, সমাজহিতৈষী মহিলা ৰুবী বৰগোহাঁই(৪৬)ৰ আজি আদ্যশ্ৰাদ্ধ সম্পন্ন হয়। দীৰ্ঘদিনৰ পৰা জণ্ডিছ ৰোগত আক্ৰান্ত হৈ চিকিৎসা গ্ৰহণ কৰি আৰোগ্য লাভ কৰাৰ পাছতো হঠাতে অসুস্থ হৈ মহিলাগৰাকীয়ে মৃত্যুক আঁকোৱালি লয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী অগ্ৰণী সেৱিকা, অভিনেত্ৰী তথা মহিলা সমাজকৰ্মী ৰুবী বৰগোহাঁইৰ অকাল মৃত্যুৰে সমগ্ৰ ডিমৌ আৰু পালেঙী অঞ্চলত শোকৰ ছাঁ পেলায়। মৃত্যুৰ সময়ত বৰগোহাঁইয়ে গাঁও পঞ্চায়তৰ সচিব স্বামী ৰঞ্জন বৰগোহাঁই আৰু দুই পুত্ৰ-কন্যাক ইহ সংসাৰত এৰি থৈ যায়।

# গোৱালপাৰা লয়াৰ্ছ এছ'চিয়েছনৰ নিৰ্বাচন সম্পন্ন

## জিতেন দাস সভাপতি নিৰ্বাচিত

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৯ আগষ্ট ঃ** গোৱালপাৰা আইন মহাবিদ্যালয়ৰ ৰেক্টৰ তথা জিলা আদালতৰ জ্যেষ্ঠ অধিবক্তা জিতেন দাস গোৱালপাৰা লয়াৰ্ছ এছ'চিয়েছনৰ সভাপতিৰূপে নিৰ্বাচিত হৈছে। উল্লেখ্য যে কালি অনুষ্ঠিত গোৱালপাৰা লয়াৰ্ছ এছ'চিয়েছনৰ নিৰ্বাচনত সভাপতি আৰু সম্পাদক পদৰ বাবে দুগৰাকীকৈ লোকে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ লগতে উপ-সভাপতিৰ দুটা পদৰ বিপৰীতে পাঁচগৰাকী, যুটীয়া সম্পাদকৰ দুটা পদৰ বিপৰীতে চাৰিগৰাকী, মহিলাৰ বাবে সংৰক্ষিত তিনিখন আসনৰ বিপৰীতে চাৰিগৰাকী, যুৱ সদস্যৰ বাবে সংৰক্ষিত দুখন আসনৰ বিপৰীতে সাতগৰাকী আৰু সদস্য (মুক্ত কেটেগৰি)ৰ ১০ আসনৰ বিপৰীতে ১৬ গৰাকীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। ইয়াৰে জিতেন দাসে সভাপতি আৰু ওৱাজেদ আলীয়ে সম্পাদকৰূপে নিৰ্বাচিত হোৱাৰ লগতে উপ-সভাপতি হিচাপে আনোৱাৰ হুছেইন আৰু ছোলেমান আলী, যুটীয়া সম্পাদকৰ পদত দেৱজিৎ অধিকাৰী আৰু ছহিদুৰ ৰহমান, মহিলাৰ বাবে সংৰক্ষিত আসনত সৰিফা ইয়াছমিন, ববিতা চক্ৰৱৰ্তী আৰু গীতাশ্ৰী নাথ, যুৱ সদস্যৰ সংৰক্ষিত আসনত অসীম মোবাৰক আৰু হাছেন আলী, মুক্ত কেটেগৰিৰ সদস্য হিচাপে মনোৱাৰ হুছেইন, বিজয় কুমাৰ দাস, পুষ্পধৰ নাথ, ধনৰাজ পাণ্ডিয়া, সহিদুৰ ৰহমান, হাছান মাহমুদ, আশ্ৰাফ উদ্দিন মোল্লা (তাজু), মফিদুল ইছলাম, আয়ুব জিন্না, জহিৰুল হক প্ৰধানী আৰু নুৰ ইছলাম আহমেদ নিৰ্বাচিত হয়। জ্যেষ্ঠ অধিবক্তা ছফিয়ৰ ৰহমানৰ পৰিচালনাত অনুষ্ঠিত এই নিৰ্বাচনত নিশা প্ৰায় দুই বজালৈ ভোট গণনা চলে। মুঠ ৩৩৮ গৰাকী ভোটাৰৰ ভিতৰত ৩০৮ গৰাকীয়ে ভোটদান সাব্যস্ত কৰা বুলি জনা গৈছে। ইয়াৰে সভাপতি পদত জয়ী হোৱা জিতেন দাসে ১৮৮ টা ভোট লাভ কৰাৰ বিপৰীতে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী আমজাদ আলীয়ে লাভ কৰে ১২০টা ভোট। ইপিনে, সম্পাদক পদত জয়ী হোৱা ওৱাজেদ আলীয়ে ২০১ টা ভোট লাভ কৰাৰ বিপৰীতে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী হাৰুনুৰ ৰছিদে ১০৪ টা ভোট লাভ কৰে। উল্লেখ্য যে গোৱালপাৰা লয়াৰ্ছ এছ'চিয়েছনৰ এইবেলিৰ নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰতিগৰাকী প্ৰাৰ্থীয়ে শক্তিশালী ৰূপত প্ৰচাৰ অভিযান চলাইছিল।

# পূব কৰঙা মধ্য ইংৰাজী বিদ্যালয়লৈ ধপাতমুক্ত বিদ্যালয়ৰ স্বীকৃতি

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১৯ আগষ্ট ঃ** দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱসৰ দিনা পূব-কৰঙা মধ্য ইংৰাজী বিদ্যালয়ক যোৰহাট জিলা প্ৰশাসন আৰু যোৰহাট জিলা ধপাত নিয়ন্ত্ৰণ কোষে ধপাতমুক্ত বিদ্যালয়ৰূপে স্বীকৃতি প্ৰদান কৰে। ২০১৭ৰ পৰা বিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীৰ লগতে দাঁতি-কাষৰীয়া ঠাইত বিভিন্ন ধপাতৰ অপকাৰিতাৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰি আহিছে। বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰুবী বৰাই ৰাজ্যসভাৰ সাংসদ কামাখ্যাপ্ৰসাদ তাছাৰ পৰা স্বীকৃতিৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰে। বিদ্যালয় কৰ্তৃপক্ষ আৰু স্থানীয় ৰাইজে জিলা প্ৰশাসন আৰু ধপাত নিয়ন্ত্ৰণ কোষৰ বিষয়ববীয়াসকলক স্বীকৃতিৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

# জটিল ৰোগত আক্ৰান্ত ৰতন গগৈ সহায়ৰ আহ্বান

**চেলেংহাট, ১৯ আগষ্ট ঃ** যোৰহাট জিলাৰ চেলেংহাট বৰনগঞা গাঁৱৰ নিবাসী দৰিদ্ৰ পৰিয়ালৰ যুৱক ৰতন গগৈ আজিৰে পৰা দুটা বছৰ আগতে হৃদৰোগত আক্ৰান্ত হৈ বহু কষ্টৰে মাটি-বাৰী বিক্ৰী কৰি গুৱাহাটীৰ হায়াত হাস্পতালত মৃত্যুৰ মুখৰ পৰা বাছি আহিছিল। কিন্তু দুখে যেন লগ নেৰা হ'ল দুৰ্ভগীয়া দৰিদ্ৰ পৰিয়ালটোৰ। মাতৃ, পত্নী আৰু একমাত্ৰ কন্যাক লৈ আৰ্থিক দৈন্যক নেওচি কোনোমতে, ভাত মুঠি মুকলি কৰি থকা ঘৰখনৰ একমাত্ৰ উপাৰ্জনৰ পথ যুৱকজন পুনৰ আক্ৰান্ত হৈছে অন্য এক জটিল ৰোগত। আগৰ হৃদৰোগৰ অস্ত্ৰোপচাৰ কৰোতে ঘৰখনৰ কঁকাল ভাঙি পৰা অৰ্থাৎ সকলো মাটিবাৰী বিক্ৰী শেষ কৰা পৰিয়ালটোৱে এতিয়া বিচাৰিছে চৰকাৰ তথা হৃদয়বানজনৰ সহায়ৰ হাত। সাঁচতীয়া ধনৰ নামত বৰ্তমান ফুটাকড়ি এটাও নাই দুৰ্ভগীয়া পৰিয়ালটোৰ। এতিয়া দুৰ্ভগীয়া যুৱকজনক লাগে অলপ আৰ্থিক সহায়। কোনো হৃদয়বান লোকে যদি যুৱকজনক সহায় কৰিব বিচাৰে তেন্তে তেওঁৰ অসম গ্ৰামীণ বিকাশ বেংকৰ একাউণ্ট নম্বৰ ৭২০৫০২৬০১৪৭৪২ আৰু আইএফএছচি-পিইউএনবি, আৰআৰবিএজিবিত আৰ্থিক অনুদান আগবঢ়োৱাৰ বাবে অনুৰোধ জনাইছে পৰিয়ালৰ লোকে। লগতে পোনপটীয়াকৈ ৯১০১১৯৫৫৯৩ নম্বৰত যোগাযোগ কৰিও সহায় কৰিব পাৰিব।

# অৱসৰপ্ৰাপ্ত কৰ্মচাৰী নিত্যা হাজৰিকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১৯ আগষ্ট ঃ** অসম চৰকাৰৰ ৰাজহ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, মেলেং লাহদৈগড়ৰ নিবাসী, শ্ৰীমন্ত শংকৰদেৱ সংঘ, মেলেং আঞ্চলিক শাখাৰ নামঘৰৰ ভূমিদাতা নিত্যা হাজৰিকা আজি পুৱতি নিশা নিজা বাসভৱনত (৯০) বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত হাজৰিকাই দুই পুত্ৰ-বোৱাৰী আৰু এগৰাকী কন্যা, জোঁৱাইসহ বহুতো আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। হাজৰিকাৰ মৃত্যুত শ্ৰীমন্ত শংকৰদেৱ সংঘ, মেলেং আঞ্চলিক শাখা, লহকৰ, বৰখেলীয়া প্ৰাথমিক শাখাই গভাৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে আৰু শোকাকুল পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# তৃতীয় শ্ৰেণীৰ গণিত-পৰিৱেশ বিজ্ঞান ইংৰাজী ভাষাত শিক্ষাদানৰ বিৰোধিতা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৯ আগষ্ট ঃ** মাতৃভাষাত পাঠদানৰ পোষকতাৰে তথা তৃতীয় শ্ৰেণীৰ গণিত আৰু পৰিৱেশ বিজ্ঞান বিষয় দুটা ইংৰাজী ভাষাত পাঠদানৰ বাবে চৰকাৰে লোৱা সিদ্ধান্তৰ বিৰোধিতাৰে গোৱালপাৰা জিলাৰ মাটিয়া গাৰোপাৰা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত যোৱা ১২ আগষ্টত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। মাটিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত একাংশ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু সচেতন অভিভাৱকৰ উদ্যোগত আয়োজিত সভাখনত পৌৰোহিত্য কৰে অৱসৰপ্ৰাপ্ত শিক্ষক অখিল চন্দ্ৰ দেৱশৰ্মাই। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি বলবৎ হোৱা সময়ৰ পৰা চৰকাৰী বিদ্যালয়সমূহত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু পৰিৱেশ বিজ্ঞান বিষয় দুটা ইংৰাজী ভাষাত শিক্ষাদান কৰাৰ ওপৰত চৰকাৰে গ্ৰহণ কৰা ঘোষণাৰ তীব্ৰ সমালোচনা কৰি সভাত বক্তব্য ৰাখে অৱসৰপ্ৰাপ্ত

## মাতৃভাষাৰ পাঠদানৰ পোষকতাৰে মাটিয়াত গুৰুত্বপূৰ্ণ সভা

শিক্ষক কেৰামত আলী শ্বেখ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিসকল যথাক্ৰমে মনজিত দাস, কাঞ্চন শৰ্মা, জহিৰুল ইছলাম, আব্দুল মালেক, জনাব আলী, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি অখিল চন্দ্ৰ নাথ আৰু সমাজকৰ্মী ননী দাসে। সভাৰ সিদ্ধান্ত মৰ্মে অসমীয়া ভাষা ৰক্ষাৰ স্বাৰ্থত উক্ত বিষয় দুটি পূৰ্বৰ দৰে মাতৃভাষাত পাঠদানৰ পোষকতা কৰাৰ উপৰি ৫০ আৰু শতবৰ্ষ গৰকা প্ৰাথমিক বিদ্যালয়সমূহ একত্ৰীকৰণ বন্ধ কৰা, প্ৰাথমিক বিদ্যালয়ৰ লগত মজলীয়া বা উচ্চ মাধ্যমিক বিদ্যালয় একত্ৰীকৰণ কৰাৰ পৰা বিৰত থাকিবলৈ আজিৰ সভাৰ জৰিয়তে শিক্ষা মন্ত্ৰীক আহ্বান জনায়। এই উদ্দেশ্য আগত ৰাখি সভাই নজনীয়া এখন আহ্বায়ক সমিতি গঠন কৰি পৰৱৰ্তী পৰ্যায়ত বৰ্ধিত আকাৰে সমিতি গঠন কৰি কাৰ্যব্যৱস্থা হাতত লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

# মন্ত্ৰী জয়ন্ত মল্লক সম্বৰ্ধনা বৰখালা শ্ৰীশ্ৰীলক্ষ্মীনাৰায়ণ যজ্ঞৰ শতবৰ্ষ উদ্‌যাপন সমিতিৰ



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৯ আগষ্ট ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ সমীপৰ আগশাৰীৰ ধৰ্মীয় অনুষ্ঠান বৰখালাৰ ঐতিহ্যমণ্ডিত সাৰ্বজনীন শ্ৰীশ্ৰীলক্ষ্মীনাৰায়ণ যজ্ঞৰ শতবৰ্ষ উৎসৱ উদ্‌যাপন সমিতিয়ে আজি নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰে। বৰখালাৰ শ্ৰীশ্ৰীলক্ষ্মীনাৰায়ণ যজ্ঞৰ শতবৰ্ষ উদ্‌যাপন সমিতিৰ সভাপতি ভূপেন চন্দ্ৰ দাস, সম্পাদক চন্দ্ৰশেখৰ দাস, সাংস্কৃতিক সম্পাদক দ্বীজেন দাসসহ পৰিচালনা সমিতিৰ গুৰুত্বপূৰ্ণ দায়িত্বত থকা হৰিদেৱ ভট্টাচাৰ্য, নৃপেন চক্ৰৱৰ্তী, কুলেশ দাস, দিলীপ ভট্টাচাৰ্যৰ নেতৃত্বত যোৱা সঁজাতী দলটোৱে দুপৰীয়াৰ ভাগত নলবাৰী সমষ্টিৰ বিধায়ক তথা কে'বাটাও দায়িত্বত থকা কেবিনেট মন্ত্ৰী জয়ন্তমল্লৰ গুৱাহাটীস্থিত চৰকাৰী বাসভৱনত লগ ধৰি গামোচা, জাপি, বঁটা, মানপত্ৰ আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। লগতে অহা দুই এপ্ৰিলৰ পৰা পাঁচদিনীয়াকৈ হ'বলগীয়া বৰখালাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীলক্ষ্মী নাৰায়ণ যজ্ঞৰ শতবৰ্ষ উৎসৱ, কথা-বাৰ্তা সহায়-সহযোগিতা আদিৰ ওপৰত আলোচনা হয়। মন্ত্ৰীজনে সম্বৰ্ধনা গ্ৰহণ কৰি উক্ত ধৰ্মীয় অনুষ্ঠানৰ শতবৰ্ষ উৎসৱত সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়া বুলি আশ্বাস দিয়ে।

# পুনৰ জুৱাৰ আড্ডাথলীত পৰিণত কচুৱা

অগ্ৰদূত বাৰ্তা

**কচুৱা, ১৯ আগষ্ট ঃ** নগাঁও জিলাৰ কচুৱা সম্প্ৰতি মদ-জুৱাৰ মুক্ত আড্ডাথলীত পৰিণত হৈ পৰিছে। শ শ জুৱাৰীৰ মুক্ত বিচৰণ হৈ পৰিছে কচুৱা বজাৰ। কচুৱা আৰক্ষী থানাৰ পৰা মাত্ৰ দুশ মিটাৰ দূৰত্বত এখন আমবাগানত দিনে-নিশা চলি আহিছে জুৱাৰ এই আড্ডা। প্ৰায় এশৰ পৰা ডেৰশ জুৱাৰীয়ে আহি এই জুৱাৰ আড্ডাত বহে। নিতৌ ৩০-৪০ লাখ টকাৰ জুৱা খেল হয়। যেন জুৱাৰ মেলা বজাৰহে। কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন প্ৰান্তৰ উপৰি সুদূৰ ডিমাপুৰ, বোকাজান, মৰিগাঁও, ধিং, বেচামাৰী, তেজপুৰ, লাহৰিঘাট আদি বিভিন্ন প্ৰান্তৰ পৰা আহে জুৱাৰীৰ দল। কচুৱা আৰক্ষীৰ চকুৰ আগত এনে মুক্তভাৱে বাধা নোপোৱাকৈ চলিব ধৰিছে জুৱা খলৰ মেলা। জুৱাৰ আড্ডাথলীত একেলগে চলে মদ, ভাঙৰো আড্ডা। জুৱাৰীসকলে সদৰী কৰা মতে কচুৱা আৰক্ষী থানাক মেনেজ কৰিহে জুৱাৰ এই মুক্ত মেলা বহাইছে। লক্ষ্যণীয় কথা হ'ল একাংশ সুদৰ ব্যৱসায়ী লাখ লাখ টকা লৈ জুৱাৰ আড্ডাথলীত বহি থাকে। জুৱাৰীসকলে দৈনিক সুদত টকা লৈ জুৱা খেলি হাৰি গ'লে চাৰিচকীয়া-দুচকীয়া বাহনসমূহ বন্ধক আৰু বিক্ৰী কৰি সৰ্বহাৰা হয়। স্থানীয় একাংশ সচেতন লোকে আৰক্ষীক জুৱাৰ মুক্ত মেলা বন্ধ কৰিবলৈ আহ্বান জনোৱাত যোৱা ১৭ আগষ্টৰ সন্ধিয়া আৰক্ষীয়ে নামমাত্ৰ জুৱাৰ আড্ডাথলীৰ পৰা জুৱাৰীক দৌৰাই ছত্ৰ ভংগ দিয়াত সেই নিশাটো জুৱা বন্ধ থাকে। কিন্তু কালি পুনৰ জুৱাৰ আড্ডা বহাত কচুৱাৰ এটি সাংবাদিকৰ দলে সন্ধিয়া জুৱাৰ আড্ডাথলীত যোৱাৰ লগে লগে জুৱাৰীৰ দলে একঁকাল বোকা পানীৰ মাজেদি দৌৰি পলাই পত্ৰং দিয়ে। পিছে পিছে দৌৰি সাংবাদিকসকলেও ফটো লোৱাৰ লগতে ভিডিঅ' কৰে। আৰক্ষীৰ সোপাঢিলা নীতিৰ বাবেই কচুৱাত পুনৰ জুৱাখেলৰ আড্ডা ঠন ধৰি উঠাত সচেতন মহল চিন্তিত হৈ পৰিছে।

## সাংবাদিকে খেদিলে জুৱাৰীক, থানাৰ কাষতে বহে দৈনিক জুৱাৰ মেলা

# কানৈ কলেজৰ অধ্যক্ষক 'অতি উৎসাহী ব্যক্তি' ৰূপে স্বীকৃতি

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১৯ আগষ্ট ঃ** নতুন দিল্লীৰ 'দ্যা কুইষ্ট' নামৰ এক অনুষ্ঠানে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক 'অতি উৎসাহী ব্যক্তি' ৰূপে স্বীকৃতি প্ৰদান কৰে। 'দ্যা কুইষ্ট'ৰ উদ্যোগত ১৭ পৰা ২৭ জুলাইলৈ



অধ্যক্ষজনক ভিয়েটনাম ভ্ৰমণৰ সময়ছোৱাত দেখুওৱা পাৰদৰ্শিতা, নিয়মানুৱৰ্তিতা, ব্যৱহাৰ, দক্ষতাৰ বাবে এনে স্বীকৃতি দিয়া হয়। উল্লেখ্য যে অনেক সন্মান, সম্বৰ্ধনা লাভ কৰা অধ্যক্ষজনক ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদেও তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতেদি 'কৰ্মসূৰ্য' উপাধি প্ৰদান কৰিছিল। অধ্যক্ষজনৰ 'দ্যা কুইষ্ট'এ এনে স্বীকৃতি জনোৱাত মহাবিদ্যালয়ৰ অধ্যাপক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উৎফুল্লিত হৈ পৰে।

# মৰিয়নিত প্ৰথমটো অংগনৱাড়ী কেন্দ্ৰ মুকলি

■ অংগনৱাড়ী কেন্দ্ৰসমূহ সেৱাৰ থলী হওঁক

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৯ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ প্ৰাক্কক্ষণত যোৱা ১৪ আগষ্টত মৰিয়নিত দুটাকৈ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ মুকলি কৰা হয়। ৰাজ্যৰ মহিলা আৰু শিশু বিকাশ বিভাগ আৰু বিত্ত বিভাগৰ মন্ত্ৰী অজন্তা নেওগে কেন্দ্ৰ দুটা উদ্বোধন কৰে। মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত ডকলঙীয়া আৰু ফুকনহাবি অঞ্চলত এই আদৰ্শ কেন্দ্ৰ দুটা স্থাপন কৰা হয়। আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ দুটাৰ ফিটা কাটি মুকলি কৰাৰ লগতে ফলক উন্মোচন কৰি উদ্বোধন কৰে। মন্ত্ৰী নেওগে যোৱা ১৪ আগষ্টত কণ কণ শিশুৰ স'তে ওমলাও পৰিলক্ষিত হয়। কেন্দ্ৰ দুটা উদ্বোধন কৰি মন্ত্ৰী নেওগে কয় যে শিশু আৰু মহিলাৰ স্বাস্থ্যৰ যতনৰ বাবে অসম চৰকাৰে চিন্তা কৰিছে। তাৰ বাবেই অংগনৱাড়ী কেন্দ্ৰসমূহৰ কিছু সংখ্যক আদৰ্শ অংগনৱাড়ী কেন্দ্ৰলৈ উন্নীত কৰি নতুনকৈ নিৰ্মাণ কৰা হৈছে। তেওঁ কয় যে অসমৰ মুঠ ৬১ হেজাৰ অংগনৱাড়ী কেন্দ্ৰৰ ভিতৰত ১৫ হেজাৰ অংগনৱাড়ী কেন্দ্ৰক আদৰ্শ অংগনৱাড়ী কেন্দ্ৰলৈ উন্নীত কৰা হ'ব। আনহাতে, মৰিয়নি সমষ্টিত এইবাৰ ১১টা কেন্দ্ৰক আদৰ্শ কেন্দ্ৰ হিচাপে উন্নীত কৰা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে আৰু পুনৰ ২১ টা কেন্দ্ৰক উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি কয়। ১৪ আগষ্টত কৰা আটাইবোৰ আৰ্দশ অংগনৱাড়ী কেন্দ্ৰ অসমৰ প্ৰয়াত মুক্তিযোদ্ধাসকলৰ নামত উৎসৰ্গিত কৰা হৈছে বুলি মন্ত্ৰী নেওগে ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে অসমৰ চাহ বাগিচা অঞ্চলৰ প্ৰসূতি আৰু শিশুৰ মৃত্যুৰ হাৰ যথেষ্ট বেছি। চাহ বাগিচা অঞ্চলৰ জনসাধাৰণৰ মাজত এই সম্পৰ্কে সজাগ কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। বিশেষকৈ মহিলা আৰু শিশুৰ স্বাস্থ্যৰ যতন চৰকাৰে ল'বৰ বাবে সংকল্প গ্ৰহণ কৰিছে। তাৰেই অংশস্বৰূপে নতুনকৈ নিৰ্মাণ কৰা দুহেজাৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ ভিতৰত ৮০০ টাই চাহ বাগিচা অঞ্চলত নিৰ্মাণ কৰা হৈছে। যাতে চাহ বাগিচা অঞ্চলৰ মহিলা আৰু শিশুৰ স্বাস্থ্যৰ ক্ষেত্ৰত কিছু যতন ল'ব পৰা যায় বুলিও মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে। তেওঁ কয় যে ৰাজ্যৰ সকলো মহিলা আৰু শিশুৰ সমবিকাশ হ'ব লাগিব। আনহাতে, চৰকাৰৰ এই প্ৰচেষ্টা সমগ্ৰ দেশৰ ভিতৰতেই প্ৰথম প্ৰচেষ্টা। উল্লেখ্য যে ২৫ লাখ টকাকৈ নিৰ্মাণ হোৱা এই আদৰ্শ অংগনৱাড়ী কেন্দ্ৰসমূহ ঠিকাদাৰৰ পৰিৱৰ্তে জিলা উপায়ুক্তৰ তত্বাৱধানত গঠন কৰা নিৰ্মাণ সমিতিৰ দ্বাৰা নিৰ্মাণ কৰা হৈছে। প্ৰতিটো আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ পূৰ্বৰ আওপুৰণি ঘৰৰ বিপৰীতে আহল-বহল আৰু আটকধুনীয়াকৈ নিৰ্মাণ কৰা হৈছে। আনহাতে, মন্ত্ৰী নেওগে প্ৰতিটো অংগনৱাড়ী কেন্দ্ৰক সেৱাৰ থলী হিচাপে ব্যৱহাৰ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। অংগনৱাড়ী কৰ্মী আৰু সহায়িয়কাসকলে ইয়াৰ প্ৰতি প্ৰকৃত সেৱা আগবঢ়ালেহে শিশুসকলৰ প্ৰকৃততে উন্নয়ন হ'ব বুলি তেওঁ লগতে তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। ইফালে, ডকলঙীয়া সভাস্থলীৰ পৰাই টীয়ক বিধানসভা সমষ্টিৰ ঔগুৰি আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ ভাৰ্চুৱেলী উদ্বোধন কৰে মন্ত্ৰী নেওগে। ইয়াৰ পূৰ্বে ডকলঙীয়া সভাত আদৰণি ভাষণ প্ৰদান কৰি ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই শিক্ষাদানৰ ব্যৱস্থাটো তলৰ পৰ্যায়ৰ পৰাই ভাল কৰিলেহে তাৰ উদ্দেশ্যত প্ৰকৃততে সফল হ'ব পৰা যাব বুলি মন্তব্য কৰে।

# ঘগ্ৰাপাৰত বানে বিধ্বস্ত কৰা পথ-দলং নিৰ্মাণৰ দাবী আছু, যুৱ-ছাত্ৰৰ



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ১৯ আগষ্ট ঃ** নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ অঞ্চলাধীন দুই নম্বৰ নিমুৰা লাটিমা গাঁৱত আজিৰে পৰা প্ৰায় দুমাহ পূৰ্বে প্ৰলয়ংকৰী বানে বিধ্বস্ত কৰা পথৰ ওপৰত যাতায়াতৰ সুবিধাৰ বাবে ৰাইজে গাঠিৰ ধন ভাঙি নিৰ্মাণ কৰিছিল এখন বাঁহৰ দলং। কিন্তু দুখ আৰু পৰিতাপৰ বিষয় যে পথটোৰ নিৰ্মাণ কাৰ্যৰ দায়িত্ব থকা ঠিকাদাৰজন দূৰৈৰ কথা বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে আজি পৰ্যন্ত এই স্থান, পৰিদৰ্শন কৰিবলৈ সময়ৰ আহৰি পোৱা নাই বুলি ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ নৱ নিৰ্বাচিত সভাপতি ফাৰ্ডিক হুছেইন আৰু সাধাৰণ সম্পাদক সমীৰণ শৰ্মা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ সভাপতি আনোৱাৰ হুছেইন আৰু সাধাৰণ সম্পাদক নৱজ্যোতি কলিতাই অভিযোগ কৰিছে। উল্লেখ্য যে যোৱা ১৬ জুনত সমষ্টিটোৰ নাৰিকুছি (বিলপাৰ) বৰখলা সংযোগী লোক নিৰ্মাণ বিভাগৰ উক্ত স্থানত এটা কালভাৰ্ট বাঢ়নী পানীয়ে উটুৱাই নিয়াৰ ১১ দিন পৰ্যন্ত ঠিকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষই কোনো গুৰুত্ব নিদিয়াত পথটোৰে যাতায়াত বন্ধ হৈ আছে। যাৰ পৰিপ্ৰেক্ষিতত ৰাইজে বিগত দিনত যাতায়াতৰ ক্ষেত্ৰত নৰক যন্ত্ৰণা ভোগ কৰি আহিছিল যদিও ৰাইজে নিজৰ গাঁঠিৰ ধন খৰচ কৰি এখন বাঁহৰ দলং সাজি কোনোমতে মটৰ চাইকেল, চাইকেল পাৰাপাৰ কৰি যাতায়াত কৰি আহিছে যদিও চাৰিচকীয়া বাহন পাৰ হ'ব পৰা নাই। যাৰ ফলত ৰাইজে ভীষণ সমস্যাত পৰাই নহয় বিগত দিনত বহু ৰোগী, ছাত্ৰ-ছাত্ৰী বিপদত পৰিছে। পথটোৰ নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰ কুশল বেজবৰুৱা আৰু নলবাৰী লোক নিৰ্মাণৰ বৰমূৰীয়া তথা কৰ্মচাৰীয়ে আজি পৰ্যন্ত উক্ত স্থানত উপস্থিত নোহোৱাত স্থানীয় ৰাইজ, ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থা, যুৱ-ছাত্ৰ পৰিষদ ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে ক্ষোভ প্ৰকাশ কৰাৰ লগতে শীঘ্ৰে উক্ত স্থানত পকী দলং এখন নিৰ্মাণ কৰাৰ বাবে চৰকাৰ আৰু নলবাৰী বিধায়ক তথা মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক দাবী জনাইছে। উল্লেখ্য যে উক্ত পথটোৰে নিৰ্মাণ কাৰ্য ইমানেই লেহেমীয়া হৈছে যে বিলপাৰ-নাৰিকুছি চ'কত আজি প্ৰায় তিনি বছৰে নলাৰ কাম অসম্পূৰ্ণ হৈ আছে বুলি আছু আৰু যুৱ-ছাত্ৰ পৰিষদে অভিযোগ তুলিছে। পিছে এই ক্ষেত্ৰত নলবাৰী বিধায়ক তথা মন্ত্ৰীজনে কি ব্যৱস্থা লয় সেৱা লক্ষ্যণীয় হ'ব। তথাপি ৰাইজে মন্ত্ৰীয়ে কি ভূমিকা লয় সেয়া অধিক আগ্ৰহেৰে বাট চাইছে।

# জ্যেষ্ঠ কংগ্ৰেছ নেতা বাপাৰাম দাসৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ১৯ আগষ্ট ঃ** লখিমপুৰ জিলা কংগ্ৰেছৰ পিতামহস্বৰূপ বাপাৰাম দাস (৮৮)ৰ যোৱা ১৬ আগষ্টত পুৱতি নিশা ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় হাস্পতালত পৰলোকপ্ৰাপ্তি ঘটে। লখিমপুৰ তেলাহী শলাল গাঁৱৰ নিবাসী দাসৰ মৃত্যুত জিলা কংগ্ৰেছৰ লগতে বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে। উল্লেখ্য যে কিছুদিন ধৰি কংগ্ৰেছৰ জ্যেষ্ঠ নেতাজন গুৰুতৰ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। উল্লেখ্য যে তেওঁ অবিভক্ত লখিমপুৰ ব্লক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি, তেলাহী ব্লক কংগ্ৰেছৰ প্ৰাক্তন সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি লখিমপুৰ জিলা কংগ্ৰেছৰ উপ-সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। জিলা কংগ্ৰেছৰ ১৩ পৃষ্ঠাত চাওক

# বন্যহস্তীৰ সন্ত্ৰাসৰ বাবে মৰঙিত ছন পৰি ৰৈছে ২০ হেজাৰৰো অধিক কৃষিভূমি

## ■ গোলাঘাটত হাতী-মানুহৰ সংঘাতৰ ভয়ংকৰ পৰিণতি ঃ ছাত্ৰ মুক্তিৰ সংবাদমেল

**অগ্ৰদূত বাৰ্তা**
**নুমলীগড়, ১৯ আগষ্ট ঃ** গোলাঘাটত বন্যহস্তীৰ উপদ্ৰৱ আৰু হস্তী-মানুহৰ সংঘাতে এতিয়া দিনকদিনে ভয়াবহ ৰূপ ধাৰণ কৰিছে। বিশেষকৈ জিলাখনৰ সৰুপথাৰ সমষ্টিৰ এটা বৃহৎ অংশত দৈনিক বন্যহস্তীৰ উপদ্ৰৱ আৰু হস্তী-মানুহৰ সংঘাতৰ লগতে অঞ্চলটো এতিয়া বন্যহস্তীৰ ৰম্যভূমিলৈ পৰিণত হৈছে। দুই লাখ ন শ ৪৬ বিঘা তিনি কঠা ছয় লেচা বৃহৎ মাটিকালিৰে আবৃত মৰঙি মৌজাত এই দুৰ্দশা ভুগিছে কৃষক সমাজে। কালি মৰঙি অঞ্চলত হস্তী-মানুহৰ সংঘাতৰ ভয়ংকৰ পৰিস্থিতিৰ কথা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে সংবাদমেলযোগে সমগ্ৰ ৰাইজৰ লগতে চৰকাৰৰ দৃষ্টিগোচৰ কৰাৰ বাবে পদক্ষেপ লয়। গোলাঘাটৰ মৰঙি অঞ্চলৰ সচেতন যুৱক তথা ছাত্ৰ মুক্তিৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক পিন্টু গগৈয়ে সংবাদমেল সম্বোধন কৰি কয় যে যোৱা প্ৰায় এটা দশকৰো অধিক কাল বৃহত্তৰ মৰঙি অঞ্চলৰ ৰাইজে বন্যহস্তীৰ উপদ্ৰৱৰ দ্বাৰা ক্ষতিগ্ৰস্ত হৈছে আৰু বিগত কে'বাবৰ্ষৰে পৰা জনসাধাৰণৰ খেতি-বাতিৰ লগতে জীৱন-জীৱিকা নাইকিয়া হৈ গৈছে। প্ৰত্যেক বছৰে একোটা কৃষক পৰিয়ালে পৰম্পৰাগত জীৱিকা হেৰুৱাই দৰিদ্ৰৰ পৰা দৰিদ্ৰতৰ অৱস্থালৈ গতি কৰিছে। মৰঙি অঞ্চলৰ অধিকাংশ ৰাইজৰ মূল জীৱিকাৰ আধাৰ স্বৰূপ ধান খেতি, কুঁহিয়াৰ, বামখেতি আদি দিনকদিনে কৰিব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। এইবাৰ বৃহত্তৰ মৰঙি অঞ্চলটোত ছাত্ৰ মুক্তিৰ মৰঙি আঞ্চলিক সমিতিয়ে কৰা ক্ষেত্ৰ ভিত্তিক অধ্যয়নত প্ৰাপ্ত তথ্য অনুসৰি এইবাৰ মৰঙি অঞ্চলত বন্যহস্তীয়ে খেতিপথাৰত কৰা সন্ত্ৰাসৰ বাবে প্ৰায় ২০ হেজাৰৰো অধিক বিঘা কৃষিভূমি কৃষকে বাধ্যত পৰি খেতি এৰিব লগাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। অৰ্থাৎ সমগ্ৰ অঞ্চলটোত ২০ হেজাৰৰো ১৩ পৃষ্ঠাত চাওক



# বৰহোলাৰ নগালেণ্ড সীমান্তৰ পথত অবৈধ বালিভৰ্তি গাড়ীৰ দৌৰাত্ম্য

## ■ কাণসাৰ নাই বন বিভাগ-আৰক্ষী প্ৰশাসনৰ

**বিশেষ সংবাদদাতা**
**নগাবাট, ১৯ আগষ্ট ঃ** তিতাবৰ মহকুমাৰ অসম-নগালেণ্ড সীমান্তৰ পথেৰে দৈনিক অবৈধ বালিভৰ্তি গাড়ীৰ দৌৰাত্ম্য ব্যাপক হাৰত বৃদ্ধি পাইছে যদিও এইসমূহ নিয়ন্ত্ৰণত একেবাৰে গুৰুত্ব নাই স্থানীয় আৰক্ষী প্ৰশাসনৰ। উল্লেখ্য যে মহকুমাটোৰ বিশেষকৈ বৰহোলা, নগাবাট আৰু বেকাজানৰ ৰাজপথেৰে দৈনিক ইখনৰ পাছত সিখন গাড়ীত চোৰাং বালি সৰবৰাহ হৈ আছে যদিও ৰহস্যজনক কাৰণত চকুমুদা কুলিৰ ভাওজুৰি আছে স্থানীয় আৰক্ষীয়ে। ইয়াৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোত চোৰাং কাৰ্যকলাপ ব্যাপক হাৰত বৃদ্ধি পোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। তথ্য মতে, গোলাঘাট জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা ভুৰা টি পি আৰু অধিক বোজাইবাহী ট্ৰাকেৰে ক'লাজান হৈ বেকাজান, বৰহোলা, নগাবাটৰ মাজেৰে তিতাবৰ পৰ্যন্ত এই চোৰাং বালি সৰবৰাহ হৈ আছে। চোৰাং বালিভৰ্তি অধিকাংশ ট্ৰাক, ডাম্পাৰসমূহত নম্বৰ প্লেট নাথাকে। কোনোবা এখনত থাকিলেও পঢ়িবলৈ পৰাকৈ সুবিধাজনক স্থানত নাথাকে বা অস্পষ্ট হৈ থাকে। কিন্তু তিতাবৰ বন বিভাগ আৰু স্থানীয় বৰহোলা, পানীখেতি, বেকাজান আৰক্ষীয়ে এইসমূহ চোৰাং বালিৰ গাড়ীক নাকী লগাবলৈ আজিকোপতি একেবাৰে সাহস গোটাব পৰা নাই। ফলত দিন দুপৰতে অবৈধ বালি সৰবৰাহ কৰাৰ ক্ষেত্ৰত আৰক্ষীক তিলমানো কেৰেপ নকৰা হৈছে অসাধু বেপাৰীবোৰে। স্থানীয় দল-সংগঠনসমূহে বিভিন্ন সময়ত এনেধৰণৰ অবৈধ কাৰ্যকলাপসমূহ আঙুলিয়াই দিয়ে যদিও আজিকোপতি কোনো এখন গাড়ী আৰক্ষীৰ জালত নপৰা বিষয়টোৱে ৰাইজক অধিক সন্দিহান কৰি তুলিছে। বৰহোলা, নগাবাট, বেকাজান অঞ্চলটোত বৃদ্ধি পাব ধৰা অবৈধ বালি সৰবৰাহ কাৰ্য ৰোধৰ ক্ষেত্ৰত শীঘ্ৰে শক্তিশালী পদক্ষেপ গ্ৰহণৰ বাবে যোৰহাট জিলা আৰক্ষী অধীক্ষকৰ হস্তক্ষেপ দাবী কৰিছে সচেতন ৰাইজে।

# সৰুপথাৰত পুনৰ দুজন ড্ৰাগছ সৰবৰাহকাৰীক আটক



**সৰুপথাৰ, ১৯ আগষ্ট ঃ** সৰুপথাৰত বৃহস্পতিবাৰে নিশা ধনশিৰি মহকুমাৰ আৰক্ষী বিষয়াৰ নেতৃত্বত সৰুপথাৰ আৰক্ষীয়ে ৰাইজৰ সহযোগত পুনৰ দুই ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰী যুৱক দুজন ক্ৰমে সৰুপথাৰ এক নম্বৰ গন্ধকবৈ গাঁৱৰ অসীম শইকীয়া আৰু সৰুপথাৰ নগাজৰি দ' চুক গাঁৱৰ পুটু গগৈ। নিশা সৰুপথাৰ ৰেল ষ্টেছনৰ ওচৰত সন্দেহজনকভাৱে ঘূৰি ফুৰা দেখি আৰক্ষীয়ে ৰাইজৰ সহযোগত যুৱৰ দুজনক আটক কৰি তালাচী চলায়। আৰক্ষীৰ তালাচীত যুৱক দুজনৰ পৰা ১.১৫ গ্ৰাম সন্দেহজনক ড্ৰাগছ উদ্ধাৰ হোৱাৰ লগতে ধৃত ড্ৰাগছ সৰবৰাহকাৰী কেইজনৰ পৰা দুটা ড্ৰাগছভৰ্তি সৰু টেমা আৰু ম'বাইল ফোন উদ্ধাৰ কৰে। তেওঁলোকে গোলাঘাট জিলাৰ সীমান্তৱৰ্তী কাৰ্বি আংলং জিলাৰ পৰা ড্ৰাগছ সৰবৰাহ কৰাৰ কথা ধনশিৰি মহকুমা আৰক্ষী বিষয়া ত্ৰিনয়ন ভূঞাই জানিবলৈ দিয়ে।

# তেজপুৰত বিশ্ব ফটোগ্ৰাফী দিৱস

## ■ জ্যেষ্ঠ ফটো সাংবাদিক সমীৰ কৰৰ 'ত্ৰিৰংগা' শীৰ্ষক আলোকচিত্ৰ প্ৰদৰ্শনী



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১৯ আগষ্ট ঃ** ১৮৩৯ৰ ১৯ আগষ্টৰ পৰাই উদ্‌যাপিত হৈ অহা বিশ্ব ফটোগ্ৰাফী দিৱসৰ স'তে সংগতি ৰাখি তেজপুৰৰ শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ প্ৰাংগণতো আজি এই দিৱস উদ্‌যাপন কৰা হয়। অন্তৰ্নিহিত কলা, সুকুমাৰ কলা, বিজ্ঞান তথা ইতিহাসৰ কথা মনত ৰাখি সৰ্বপ্ৰথম ফৰাচী চৰকাৰে ঘোষণা কৰা এই দিনটোত ৰাজ্যখনৰ সংবাদ ক্ষেত্ৰৰ স'তে দীৰ্ঘকাল ধৰি জড়িত এগৰাকী জ্যেষ্ঠ ফটো সাংবাদিক তেজপুৰৰ সমীৰ কৰৰ মুঠ ৬০খন নিৰ্বাচিত আলোকচিত্ৰৰে শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নত এই আলোকচিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰা হয়। দিনৰ ১১ বজাত তেজপুৰৰ বিধায়ক পৃথিৰাজ ৰাভাই প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰি কয় যে আলোকচিত্ৰ শিল্পী কৰৰ আলোকচিত্ৰই সদায়েই দৰ্শকক সন্মোহিত কৰি আহিছে। বিধায়ক ৰাভাই ৰাজ্যৰ বৰ্তমানৰ শ্ৰেষ্ঠ ফটো সাংবাদিকসকলৰ ভিতৰত এজন বুলি উল্লেখ কৰি লগতে কয় যে যিকোনো বিষয়ৰ আলোকচিত্ৰ গ্ৰহণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মুহূৰ্তৰ প্ৰকাশ কৰিবলৈ সক্ষম হয় কৰৰ আলোকচিত্ৰই। আনহাতে, শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই প্ৰদৰ্শনীত বন্তি প্ৰজ্বলন কৰি কয় যে আজিৰ প্ৰদৰ্শনীৰ বাবে যি বিষয় বাছনি কৰিলে সেয়া সঁচাকৈয়ে অনন্য। দেশৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা আৰু এইবাৰ ঘৰে ঘৰে ত্ৰিৰংগা কাৰ্যসূচীৰ এক দলিল স্বৰূপ হৈ পৰা কৰৰ এই প্ৰদৰ্শনীৰ আলোকচিত্ৰসমূহ উপযুক্তভাৱে সংৰক্ষণ কৰিবলৈ আহ্বান জনাই উপায়ুক্তই এইসমূহ আলোকচিত্ৰ ভৱিষ্যতে অতি গুৰুত্বপূৰ্ণ হৈ উঠিব বুলিও কয়। আনহাতে, ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰৰ সভাপতি তথা প্ৰবীণ শিল্পী বংকিম শৰ্মাই তাহানিৰ পৰা বৰ্তমানলৈকে আলোকচিত্ৰ গ্ৰহণত হোৱা পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰি লগতে কয় যে একোখন নিৰ্বাক আলোকচিত্ৰৰ তেনেদৰেই কথা কোৱাৰ সামৰ্থ থাকে। সাংবাদিক পুলক কুমাৰ ডেকাই আঁত ধৰা অনুষ্ঠানত সাহিত্যিক ড° ভূপেন শইকীয়া, সহকাৰী আয়ুক্ত বৰষা তালুকদাৰ, তথ্য আৰু জনসংযোগ বিষয়া নীনা বৰুৱা, এম্‌ট্ৰনৰ উপাধ্যক্ষ ঋতুবৰণ শৰ্মা, সমাজকৰ্মী দাদুল বৰকাকতিকে ধৰি উপস্থিত বিশিষ্ট ব্যক্তিসকলেও আলোকচিত্ৰ শিল্পী সমীৰ কৰলৈ শুভেচ্ছা জনাই তেওঁৰ এই সৃষ্টিৰ প্ৰশংসা কৰে। উল্লেখ্য যে তাহানি ব্যৱহাৰ হোৱা বিভিন্ন ধৰণৰ ১৫ বিধ কেমেৰা, ৰিল আদিও প্ৰদৰ্শন কৰা এই প্ৰদৰ্শনীত দেশে উদ্‌যাপন কৰা স্বাধীনতাৰ অমৃত মহোৎসৱৰ সময়ছোৱাত ঘৰে ঘৰে ত্ৰিৰংগা বিষয় বস্তুৰ আধাৰত এই সময়ৰ বিভিন্ন মুহূৰ্তৰ আলোকচিত্ৰৰে সমীৰ কৰে শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সহযোগত ত্ৰিৰংগা শীৰ্ষক আলোকচিত্ৰ প্ৰদৰ্শনীখন অনুষ্ঠিত কৰে। ১৯৮৬ৰ পৰা আলোকচিত্ৰ জগতখনৰে জড়িত হৈ পৰা ফটো সাংবাদিক কৰে ১৯৯৩ৰ পৰা সংবাদ মাধ্যমৰ স'তে জড়িত হৈ এই পৰ্যন্ত অজস্ৰ ফটো তুলি আহিছে। প্ৰদৰ্শনীলৈ আজি যথেষ্ট সংখ্যক দৰ্শকে সঁহাৰি জনায়।

# মৰাণত দুই চোৰক হাতে-লোটে উত্তম-মধ্যম ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ১৯ আগষ্ট ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত মৰাণ হাটখোলাত যোৱা নিশা চুৰি কৰি থকা অৱস্থাত স্থানীয় লোকে দুজন চোৰক হাতে-লোটে ধৰা পেলায়। অভিযুক্ত চোৰ দুজন হাটখোলাৰ ওচৰত ৩৭ নম্বৰ ঘাইপথৰ কাষৰ এখন দোকানত তলা ভাঙি চুৰি কৰি আছিল। তেতিয়াই স্থানীয় লোকে দুয়ো চোৰক হাতে-লোটে ধৰি উত্তম মধ্যম শোধায়। অভিযুক্ত চোৰ দুজন চকলিয়াৰ নাজিম হুছেইন (১৮) আৰু গোলাঘাটৰ বাহাৰুল ইছলাম (৩০)। ৰাইজে দুয়োজন চোৰক আৰক্ষীৰ হাতত গতাই দিয়ে।

# চিনামৰাত আটছা যোৰহাট শাখা সমিতিৰ উদ্যোগত কেৰিয়াৰ কাউন্সিল অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**
**চিনামৰা, ১৯ আগষ্ট ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) যোৰহাট শাখা সমিতিৰ আৰু যোৰহাট জিলা প্ৰশাসনৰ যৌথ উদ্যোগত আৰু আটছা চিনামৰা উপ-শাখাৰ লগতে চিনামৰা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত চিনামৰা মহাবিদ্যালয়ত এক কেৰিয়াৰ কাউন্সিল অনুষ্ঠান অনুষ্ঠিত হয়। আটছাৰ যোৰহাট শাখা সমিতিৰ সভাপতি কিৰণ তাঁতীৰ পৰিচালনাত অনুষ্ঠিত অনুষ্ঠানৰ আঁত ধৰে আটছা যোৰহাট শাখা সমিতিৰ সম্পাদক সিদ্ধান্ত তাঁতীয়ে। উদ্বোধনী বক্তব্যৰ মাজেৰে অনুষ্ঠান আৰম্ভ কৰে চিনামৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন শইকীয়াই। অনুষ্ঠানৰ সমল ব্যক্তি হিচাপে যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ চিভিল ইঞ্জিনিয়াৰিং বিভাগৰ সহযোগী অধ্যাপক অৰূপ ডেকাই ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক জীৱন সম্পৰ্কীয় বহুমূলীয়া বক্তব্য প্ৰদান কৰে। মুখ্য অতিথিৰূপে যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত অতিথিৰূপে আটছাৰ যোৰহাট শাখা সমিতিৰ মুখ্য উপদেষ্টা তথা কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য অশ্বিনী কুমাৰ তাছা, কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক সন্তোষ চিক, চিনামৰা কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষা নীহাৰিকা ৰাণী কোঁৱৰ, ১৩ পৃষ্ঠাত চাওক

# দুই ডিচেম্বৰৰ পৰা যোৰহাটত অসম গ্ৰন্থমেলাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ১৯ আগষ্ট ঃ** যোৰহাটৰ কাছাৰী ময়দানত অসম প্ৰকাশন পৰিষদ, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থা আৰু অসম শৈক্ষিক কেন্দ্ৰৰ যুটীয়া উদ্যোগত 'অসম গ্ৰন্থমেলা যোৰহাট' নামেৰে গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। প্ৰাৰম্ভিক অৱস্থাত অসম শৈক্ষিক কেন্দ্ৰই পূৰ্বৰ দৰে ত্ৰয়োদশ যোৰহাট গ্ৰন্থমেলাৰ বাবে প্ৰস্তুতি চলাইছিল যদিও অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই যুটীয়াকৈ অসমৰ শৈক্ষিক কেন্দ্ৰৰ স'তে যোৰহাট গ্ৰন্থমেলা আয়োজিত কৰাৰ পোষকতা কৰে আৰু তিনিওটা অনুষ্ঠানৰ মাজত হোৱা এখন বৈঠকত অসম গ্ৰন্থমেলা যোৰহাট নামেৰে অহা দুইৰ পৰা ১১ ডিচেম্বৰলৈ যোৰহাটত গ্ৰন্থমেলাখন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। উল্লেখ্য যে ১৯৯০ ত যোৰহাটত প্ৰথমখন গ্ৰন্থমেলা আৰু প্ৰকাশন পৰিষদ আৰু অসম শৈক্ষিক কেন্দ্ৰৰ যুটীয়া উদ্যোগত অনুষ্ঠিত হোৱাৰ পাছত পৰৱৰ্তী ১১ খন যোৰহাট গ্ৰন্থমেলা অসম শৈক্ষিক কেন্দ্ৰৰ একক উদ্যোগত অনুষ্ঠিত হৈছিল। ইতিমধ্যে গ্ৰন্থমেলাখনৰ প্ৰস্তুতিয়ে পূৰ্ণগতি লাভ কৰিছে। যোৰহাট গ্ৰন্থমেলাৰ অন্যতম বৈশিষ্ট্য বিদ্যায়তনিক কাৰ্যসূচী, সাংস্কৃতিক কাৰ্যসূচীসমূহ আৰু স্মৃতিগ্ৰন্থ প্ৰজ্ঞাৰ প্ৰকাশন পূৰ্বৰ দৰেই বাহাল থাকিব আৰু এইসমূহ শিতান অসমৰ শৈক্ষিক কেন্দ্ৰৰ পৰিচালনাতেই হ'ব। সেই অনুসৰি, সকলো কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে অসম শৈক্ষিক কেন্দ্ৰৰ সদস্য আৰু যোৰহাটবাসী বহুকেইজন ব্যক্তিক লৈ কে'বাখনো শক্তিশালী উপ-সমিতি গঠন কৰা হৈছে। আনহাতে, তিনিওটা উদ্যোক্তা অনুষ্ঠানৰ মাজত হোৱা আলোচনাৰ সিদ্ধান্ত মৰ্মে গ্ৰন্থমেলাত বহুতো নতুন কাৰ্যসূচী আৰু উপাদানৰ সংযোজন ঘটোৱা হৈছে। এক বিৰল সমাহাৰত আয়োজন কৰিবলৈ লোৱা অসম গ্ৰন্থমেলা যোৰহাটে পঢ়ুৱৈ সমাজ বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকল , গ্ৰন্থ প্ৰকাশক আৰু বিক্ৰেতাসকলৰ চাহিদা বহুলাংশে পূৰণ কৰাৰ লগতে যোৰহাট তথা দাঁতি-কাষৰীয়া অঞ্চলৰ বৌদ্ধিক পৰিৱেশৰো বিকাশ ঘটাব বুলি আশা কৰিব পাৰি। গ্ৰন্থমেলাৰ সমন্বয়কৰ দায়িত্বত থকা অসম শৈক্ষিক কেন্দ্ৰৰ সম্পাদক ৰমেন গগৈয়ে যোৰহাটবাসী ৰাইজৰ লগতে ওচৰ-চুবুৰীয়া জিলাৰ ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# দেশভক্ত সমবায় সমিতিৰ প্ৰাক্তন সচিব হাবেজ উদ্দিনৰ জানাজা সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**কয়াকুছি, ১৯ আগষ্ট ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ ভক্তৰডবাস্থিত দেশভক্ত সমবায় সমিতিৰ প্ৰাক্তন সচিব, হাবেজ উদ্দিন (৭৯)ৰ জানাজা নামাজ যোৱা নিশা প্ৰায় ন বজাত ১১ নম্বৰ কাৰৈমাৰী আঞ্চলিক কবৰস্থানত সম্পন্ন হয়। হাফিছ ইদ্ৰিছ আলীৰ ইমামতিত অনুষ্ঠিত জানাজা নামাজত সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰ, অগ্নি নিৰ্বাপক বাহিনীৰ আৰক্ষী অধীক্ষক ড° ছাদেক আলী আহমেদ, হৰেন্দ্ৰ-চিত্ৰ-মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাকিৰ হুছেইন, হৰেন্দ্ৰ-চিত্ৰ কনিষ্ঠ মহাবিদ্যালৰ অধ্যক্ষ ছৈয়দ তবিবৰ ৰহমান, দাঁতিড়বড়ী কৰাগাড়ী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক আব্দুল কাদেৰ আদি কে'বা হেজাৰ লোকে অংশগ্ৰহণ কৰে। জানাজাৰ আগমুহূৰ্তত প্ৰয়াত আহমেদৰ কৰ্মৰাজিৰ বিষয়ে বিভিন্নজনে আলোকপাত কৰে। উল্লেখ্য যে আহমেদ দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকাৰ পাছত কালি আবেলি প্ৰায় পাঁচ বজাত নিজ বাসভৱনত মৃত্যু হয়। আহমেদ জন্মলগ্নৰ পৰাই দেশভক্ত সমবায় সমিতিৰ ছেলছমেন আৰু পৰৱৰ্তী পৰ্যায়ত সচিবৰূপে কাৰ্যনিৰ্বাহ কৰি ২০১৬ত অৱসৰ গ্ৰহণ কৰে। আহমেদ দেশভক্ত সমবায় সমিতি, ভক্তৰডবা বজাৰ, নলীগাঁও ডাকঘৰ, হৰেন্দ্ৰ-চিত্ৰ মহাবিদ্যালয়, হৰেন্দ্ৰ-চিত্ৰ-কনিষ্ঠ মহাবিদ্যালয়, পশ্চিম পাকা আজাদ মম'ৰিয়েল হাইস্কুল পৰীক্ষা কেন্দ্ৰ, নলীগাঁও মছজিদ, উত্তৰ নলীগাঁও, ১১ নম্বৰ কাৰৈমাৰী আঞ্চলিক ঈদগাহ, কবৰস্থান আদি নিৰ্মাণ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। মৃত্যুৰ সময়ত আহমেদে পত্নীসহ সাংবাদিক-শিক্ষক ৰাহুল আমিৰ সহ তিনি পুত্ৰ আৰু দুই কন্যা ইহসংসাৰত এৰি যায়।

# অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ ইদ্ৰিছ আলীৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ১৯ আগষ্ট ঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বাঁহগড়া দুই নম্বৰ মাজৰচুবা গাঁৱৰ নিবাসী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আলহাজ ইদ্ৰীছ আলী (৯০)ৰ আজি দুপৰীয়া বিয়োগ ঘটে। এক নম্বৰ মাৰুৱাচকী প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা অৱসৰপ্ৰাপ্ত শিক্ষক আলী গণেশকুঁৱৰী, কলিতাপাৰা গাঁৱৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত আছিল। ২০২১ৰ আঠ ছেপ্টেম্বৰত ড° ভূপেন হাজৰিকাৰ ওপজা দিনত গণেশকুঁৱৰী কেতেকী শাখা সাহিত্য সভাই আলীক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰিছিল। মৃত্যুৰ সময়ত পত্নীসহ তিনিগৰাকী কন্যা, চাৰি পুত্ৰ-বোৱাৰী, নাতি-নাতিনীৰ লগতে অনেক গুণমুগ্ধক ইহসংসাৰত এৰি যায়। সৰবৰহী লোকজনৰ মৃত্যুত দুমুনিচকী বৰনৈ প্ৰেছ ক্লাব, কেতেকী শাখা সাহিত্য সভাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে।

# সামাজিক দায়বদ্ধতা নাথাকিলে বহু কীৰ্তিমান সময়ৰ বলুকাত হেৰাই যায়

## ■ নগাঁৱৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত শংকৰজ্যোতি বৰুৱা



**বিশেষ সংবাদদাতা**
**নগাঁও, ১৯ আগষ্ট ঃ** 'দুৰ্বাৰ হেঁপাহ, সপোন থাকিলে উজ্জ্বলতাৰ ভাব আহে। সেই উজ্জ্বলতা নিজেই বিচাৰি চাব লাগিব। তেতিয়াহে উজ্জ্বলতাই সাকাৰ ৰূপ ধাৰণ কৰে।' এই মন্তব্য সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ। আজি নগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু নগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত নগাঁও জিলা পুথিভঁৰালৰ সভাগৃহত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনাবৰ বাবে আয়োজন কৰা অভিনন্দন অনুষ্ঠানত অংশগ্ৰহণ কৰি বৰুৱাই এই মন্তব্য কৰি কয় যে মানুহ হ'বৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ দুৰ্বাৰ হেঁপাহ থাকিব লাগিব। সমাজৰ প্ৰতি দায়বদ্ধতা থাকিব লাগিব। কৃতী ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি দিয়া ভাষণত ছাত্ৰ নেতাজনে কয় যে সামাজিক দায়বদ্ধতা নথকাৰ বাবেই বহু কৃতীমান সময়ৰ বলুকাত হেৰাই যায়। উচ্চ শিক্ষা গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে চাকৰি কৰি নিজৰ লগতে পৰিয়ালক চোৰা-চিতা কৰা প্ৰয়োজন। কিন্তু চাকৰি কৰি চৰকাৰক কৰ দিলেও সামাজিক কৰদাতাৰূপে নিজকে প্ৰতিষ্ঠা কৰিব লাগিব। তেতিয়াহে সময়ৰ বলুকাত চিহ্নিত হৈ ৰ'ব। বৰ্তমান সময়ত চাকৰিমুখী চিন্তাত সকলো ব্ৰতী হৈ পৰাৰ কথা উল্লেখ কৰি বৰুৱাই কয় যে চাকৰিমুখী চিন্তাৰ সমান্তৰালভাৱে মানুহ হোৱাৰ চিন্তা মনত ৰাখিব লাগিব। নিজৰ মাতৃভাষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক দায়বদ্ধ হ'বলৈ আহ্বান জনাই তেওঁ কয় যে মাতৃভাষাক হৃদয়ৰ পৰা শ্ৰদ্ধাআ কৰিব লাগিব। সপোন দেখিবৰ বাবে মাতৃভাষাৰ প্ৰয়োজন। জিলা ছাত্ৰ সন্থাৰ সভাপতি গৌৰীশংকৰ শইকীয়াৰ সঞ্চালনাত ১৩ পৃষ্ঠাত চাওক

# ইন্দ্ৰ ৰাভাৰ মৃত্যুত টংলাত শোকৰ ছাঁ



**অগ্ৰদূত বাৰ্তা**
**টংলা, ১৯ আগষ্ট ঃ** ওদালগুৰি জিলাৰ টংলা মিলনপুৰ নিবাসী সৰবৰহী ব্যক্তি ইন্দ্ৰ ৰাভাৰ ১৫ আগষ্টত আকস্মিকভাৱে মৃত্যুক সাবটি লয়। বিভিন্ন সামাজিক অনুষ্ঠানৰ স'তে জড়িত ৰাভা ভাৰতীয় খাদ্য নিগমৰ টোকানকাটাস্থিত খাদ্য ভাণ্ডাৰৰ খাদ্য সামগ্ৰী সৰবৰাহ নিবিদাপ্ৰাপ্ত প্ৰতিষ্ঠানৰ অস্থায়ী কৰ্মী তথা টংলা সাৰ্বজনীন ৰাস উৎসৱৰ সক্ৰিয় কৰ্মী হোৱাৰ লগতে বহুকেইখন শিক্ষানুষ্ঠানৰ স'তে জড়িত আছিল। দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ থকা ৰাভা ১৫ আগষ্টৰ দিনা হঠাতে শাৰীৰিক অসুস্থতাত ভোগাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়ে যদিও আদবাটতে শেষ নিশ্বাস ত্যাগ কৰে। পত্নী, দুই পুত্ৰ, অজস্ৰ গুণমুগ্ধক ইহসংসাৰত এৰি যোৱা ৪৬ বছৰীয়া ৰাভাৰ মৃত্যুত বৃহত্তৰ টংলা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে।

# কলিয়াবৰত নেপালী ভাষাৰ মান্যতা দিৱস পালন ঃ বহুভাষিক কবি সন্মিলন



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১৯ আগষ্ট ঃ** কলিয়াবৰ ভানু সমিতিৰ পূব কলিয়াবৰ শাখাৰ উদ্যোগত জখলাবন্ধাৰ বাঘজানত আজি নেপালী ভাষাৰ ৩১সংখ্যক মান্যতা দিৱস পালন কৰা হয়। এই উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ লগতে এখন বহুভাষিক কবি সন্মিলনো অনুষ্ঠিত হয়। কবি সন্মিলনত নেপালী, অসমীয়া, বড়ো, চাহ বাগিচাৰ চাদ্ৰি আৰু উৰিয়া ভাষাৰ কবিতা পাঠ কৰে কুৰিৰো অধিক ভিন্ন ভাষিক কবিয়ে। ধ্ৰুৱজ্যোতি বৰগোহাঞিৰ সঞ্চালনাত অনুষ্ঠিত হোৱা কবি সন্মিলনত তোলন তাছা, ধন বাহাদুৰ ছেত্ৰী, ছোনিয়া মুক্তিয়াৰ, নিকু ভাগৱতী, তপন শইকীয়াকে ধৰি ভিন্ন ভাষী কবিসকলৰ কবিতাই পৰিৱেশ জীপাল কৰি তোলে। উল্লেখ্য যে ১৯৯২ৰ ২০ আগষ্টত ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হৈছিল ভাৰতীয় নেপালী গোৰ্খাসকলৰ ভাষা। এই বিশেষ দিনটোক স্মৰণ কৰিবলৈ প্ৰতিবছৰে পালন কৰি অহা হৈছে ভাষা মান্যতা দিৱস। কলিয়াবৰ ভানু সমিতিৰ সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি নিৰ্দিষ্ট দিনৰ এদিন পূৰ্বেই জখলাবন্ধাৰ বাঘজানত ভাষা মান্যতা দিৱস পালন কৰিলে কলিয়াবৰৰ বিভিন্ন প্ৰান্তত বাস কৰা নেপালী গোৰ্খা সম্প্ৰদায়ৰ লোকসকলে। পুৱাৰ ভাগত পতাকা উত্তোলন, স্মৃতি তৰ্পণ তথা মুকলি সভা অনুষ্ঠিত হোৱাৰ পাছতে নৃত্য-গীত আদিও পৰিৱেশন কৰা হয়।

# ভেৰগাঁও মহকুমা খাদ্য-অসামৰিক যোগান বিভাগত দুৰ্নীতি

## গৰুৱাঝাৰত ৰেছন কাৰ্ডৰ লগত আধাৰ সংযোগৰ নামত ধন দাবী কৰা সমবায় এজেণ্টৰ বিৰুদ্ধে প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৯ আগষ্ট ঃ** অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগত হিতাধিকাৰীৰ ৰেছন কাৰ্ডৰ স'তে আধাৰ কাৰ্ড সংলগ্ন কৰাৰ নামত ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমাত দুৰ্নীতিৰ পোহাৰ বহা বুলি অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত তথ্য মতে, খাদ্য আৰু অসামৰিক যোগান বিভাগে প্ৰকৃত হিতাধিকাৰীক খাদ্য সামগ্ৰী যোগানৰ বাবে ৰেছন কাৰ্ডৰ স'তে আধাৰ কাৰ্ডৰ সংলগ্ন কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিছে। সেই নিৰ্দেশ অনুসৰি, এচাম সমবায় এজেণ্টে নিষ্ঠা আৰু সততাৰে বিনামূলীয়াকৈ ৰেছন কাৰ্ডৰ স'তে আধাৰ কাৰ্ডৰ সংলগ্ন কৰাৰ সুব্যৱস্থা কৰাৰ বিপৰীতে কিন্তু এচাম দুৰ্নীতি পৰায়ণ, অসাধু সমবায় এজেণ্টে নিয়ম বহিৰ্ভূতভাৱে ৰেছন কাৰ্ডৰ স'তে আধাৰ কাৰ্ড সংলগ্ন কৰাৰ নামত হিতাধিকাৰীৰ পৰা ২০০ৰ পৰা ৩০০ টকালৈ ধন দাবী কৰি লোৱা বুলি অভিযোগ উঠিছে। শেহতীয়াভাৱে ভেৰগাঁও মহকুমাৰ অন্তৰ্গত চেখাৰ সমবায়ৰ এজেণ্ট দক্ষিণ গৰুৱাঝাৰৰ সুলভ মূল্যৰ দোকানী ৰাজেন্দ্ৰ দাসে ৰেছন কাৰ্ডৰ স'তে আধাৰ কাৰ্ড সংযোগ কৰাৰ বিনিময়ত প্ৰতিটো পৰিয়ালৰ প্ৰতিগৰাকী সদস্যৰ নামত ৩০০ টকাকৈ সংগ্ৰহ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। দক্ষিণ গৰুৱাঝাৰৰ এজেণ্ট ৰাজেন্দ্ৰ দাসৰ অধীনত থকা ৩৮০ গৰাকী হিতাধিকাৰীয়ে তেওঁৰ কু-কীৰ্তি জানিব পাৰি ৰেছন কাৰ্ডৰ স'তে আধাৰ কাৰ্ডৰ সংযোগ যে বিনামূলীয়াকৈ কৰিব পাৰি সেই কথা অৱগত হৈ হিতাধিকাৰীসকলে তেওঁৰ সুলভ মূল্যৰ দোকানৰ সন্মুখত ১৬ আগষ্টত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীয়ে 'গৰীৱ-দুখীয়াৰ পৰা টকা লোৱা নচলিব, সমবায় এজেণ্ট হুচিয়াৰ, আমাৰ টকা ঘূৰাই দিয়ক' আদি বিভিন্ন প্ৰতিবাদী শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে, নিজৰ বিপদৰ কথা জানিব পাৰি এজেণ্টজনে একাংশ দল-সংগঠনৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষৰ উপৰি সংবাদ মাধ্যমৰ লোককো মেনেজ কৰিবলৈ চেষ্টা চলোৱা বুলি অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে দক্ষিণ গৰুৱাঝাৰৰ সমবায় এজেণ্ট ৰাজেন্দ্ৰ দাস কেৱল উদাহৰণহে। জিলাখনৰ সমবায়সমূহৰ বহু এজেণ্টে হিতাধিকাৰীৰ পৰা এনেদৰে ৰেছন কাৰ্ডৰ লগত আধাৰ সংযোগ কৰাৰ নামত হিতাধিকাৰীৰ বিভিন্ন নথি-পত্ৰ কম থকাৰ আপত্তি দেখুৱাই ছলে বলে কৌশলেৰে ধন বিচাৰি হিতাধিকাৰীক হাৱাশাস্তি কৰাৰ অভিযোগ উঠি আহিছে। আনহাতে, একেখন ৰেছন কাৰ্ডৰ পৰা সদস্যৰ নাম পৃথক কৰি নতুনকৈ ৰেছন কাৰ্ড বনাবলৈ হিতাধিকাৰীৰ পৰা খাদ্য আৰু অসামৰিক যোগান বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে পাঁচ হেজাৰ টকা পৰ্যন্ত ধন বিচৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। এনে ক্ষেত্ৰত জিলা আৰু মহকুমা প্ৰশাসনৰ লগতে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ উৰ্দ্ধতন কৰ্তৃপক্ষই টকা লোভীয়া বিভাগীয় বিষয়া-কৰ্মচাৰীৰ উপৰি সংশ্লিষ্ট দৰিদ্ৰ হিতাধিকাৰীৰ ধন খোৱা এজেণ্টৰ বিৰুদ্ধে কি বিহিত ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

# শিৱসাগৰ গোহাঁইগাঁও নামঘৰৰ নাটঘৰত মহিলাৰ মঞ্চস্থ ৰুক্মিণীৰ সয়ম্বৰ-ৰুক্মবীৰৰ দৰ্পচূৰ্ণ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৯ আগষ্ট ঃ** শিৱসাগৰ নগৰৰ পুৰণা আমোলাপট্টি গোহাঁইগাঁও নামঘৰস্থিত নাটঘৰত কালি জানকী মহিলা সাংস্কৃতিক গোষ্ঠীৰ সৌজন্যত অংকুৰ দত্তৰ পৰিচালনাত 'ৰুক্মিণী সয়ম্বৰ, ৰুক্মবীৰৰ দৰ্পচূৰ্ণ নাটখনি মঞ্চস্থ কৰা হয়। বিশিষ্টা সমাজসেৱিকা তথা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীয়ৰী জয়শ্ৰী চলিহাই বন্তি প্ৰজ্বলনৰ পাছতেই চলিহাই নাটখন উদ্বোধন কৰা অনুষ্ঠানত ৰমেন বৰপাত্ৰ গোহাঁই ৰঞ্জিত গোহাঁই, ৰূপা বড়া, মৃণালী মহন্ত, বিভা গোহাঁইকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মামণি সন্দিকৈ বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠানত কে'বাগৰাকী লোকক সম্বৰ্ধনা জনোৱা হয়। মহিলাসকলৰ দ্বাৰা অভিনীত নাটখনত সূত্ৰধাৰৰ ভাওত বৰষা চাংমাই, শ্ৰীকৃষ্ণৰ ভাওত টুইংকল হাজোৰাৰী, ভীষ্মক ভাওত মিনাক্ষী বৰুৱা, মন্ত্ৰীৰ ভাওত প্ৰিয়া বড়া, ৰুক্মবীৰত জয়শ্ৰী দত্ত, ৰুক্মিণীৰ ভাওত সুদেষ্ণা বুঢ়াগোহাঁইৰ উপৰি মদন মঞ্জুৰীৰ ৰূপত পাল্কী গগৈ, হৰিদাসৰ ৰূপত বৰষা চাংমাই, নাৰদৰ ৰূপত টনময়ূৰী গগৈ, বেদনিধিৰ ৰূপত পাখি গগৈ, জৰাসন্ধৰ ভাওত স্মৃতি নেওগ, বিশ্ব কেতুৰ ভাওত নম্ৰতা গগৈ, দন্ত বক্ৰৰ ৰূপত অনুপমা সন্দিকৈ, শিশুপালত মনমি দত্ত, মহাভাৰতত প্ৰিয়া গগৈ, উদ্ধৱত প্ৰিয়দৰ্শিনী দুৱৰা, সুৰভীত বৰষা চাংমাই, বলোৰামত পাপৰী গগৈ আৰু সাত্যকীৰ ভাওত জ্যোতিৰেখা ফুকনৰ অভিনয়ে দৰ্শকক মুগ্ধ কৰি তোলে।

# জ্যেষ্ঠ কংগ্ৰেছ নেতা বাপাৰাম দাসৰ

*১২ পৃষ্ঠাৰ পৰা* প্ৰশাসনিক সাধাৰণ সম্পাদক গংগাজ্যোতি টায়েগাম প্ৰমুখ্যে অন্যান্য কৰ্মকৰ্তাই এক শোক বাৰ্তাযোগে জ্যেষ্ঠ নেতাজনৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে লখিমপুৰবাসীয়ে এজন দক্ষ ৰাজনীতিবিদক হেৰুৱালে বুলি উল্লেখ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। উল্লেখ্য যে তেওঁ ৰাজনীতিত জড়িত হোৱাৰ পূৰ্বে শিক্ষকতাৰ বৃত্তিত জড়িত হোৱাৰ বাবে শিক্ষা জগততো শোকৰ ছাঁ পৰে।

# চিনামৰাত আটছা যোৰহাট শাখা

*১২ পৃষ্ঠাৰ পৰা* চাহ জনগোষ্ঠী জাতীয় সন্মিলনৰ যোৰহাট জিলাৰ সম্পাদক সঞ্জয় কৃষ্ণ তাঁতী, চিনামৰা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ তত্ত্বাৱধায়ক তথা চিনামৰা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ৰঞ্জু ভৰালীৰ লগতে কে'বাজনো বক্তাই অনুষ্ঠানত নিজৰ বক্তব্য ৰাখে। অনুষ্ঠানত শিক্ষাৰ্থীসকলক লগতে আটছাৰ যোৰহাট জিলা সমিতিৰ সহকাৰী সম্পাদক মিন্টু কুৰ্মীৰ লগতে সংগঠনৰ বিষয়ববীয়া আৰু চিনামৰা মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকি সহযোগিতা আগবঢ়ায়।

# সামাজিক দায়বদ্ধতা নাথাকিলে বহু

*১২ পৃষ্ঠাৰ পৰা* অনুষ্ঠিত অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি ৰহা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বেদ কুমাৰ চলিহাই কয় যে শিক্ষানুষ্ঠানৰ শিক্ষাই শেষ শিক্ষা হ'ব নোৱাৰে। শিক্ষা এক অবিৰত যাত্ৰা। মৃত্যুৰ সময়লৈকে গোটেই জীৱনটোৱেই শিক্ষা। কৃতী ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায় ড° চলিতাই কয়, 'এয়া জীৱনৰ আৰম্ভণি। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লগতে অঞ্চল, গাঁও, ঘৰৰ বাবে কাম কৰিব লাগিব।' বৰ্তমানৰ প্ৰতিযোগিতামূলক বতৰত তিষ্ঠি থাকিবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক নিজকে প্ৰস্তুত কৰিবলৈ ড° চলিহাই আহ্বান জনায়। অনুষ্ঠানত ছাত্ৰ সন্থাৰ তথ্য সম্পাদক মৃদুল হাজৰিকা, কাৰ্যনিৰ্বাহক সদস্য ৰন্টু শৰ্মা, অসম উন্নতি সভাৰ অমৰজিৎ গোস্বামী, প্ৰবীণ সাংবাদিক মানস কুমাৰ মহন্ত আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত মানস কুমাৰ মহন্তৰ 'বিমূৰ্ত সময়ৰ দলিল' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক কংকনজ্যোতি বৰুৱাই আঁত ধৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে জিলা শিক্ষা সম্পাদক সঞ্জয় কাকতিয়ে। নগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নৰজ্যোতি কাকতি, সম্পাদক দুলাল শৰ্মা, শিক্ষা সম্পাদিকা মণিকা গগৈয়ে সহযোগিতা কৰা অনুষ্ঠানত উচ্চ আৰু উচ্চতৰ মাধ্যমিকত এইবাৰ সুখ্যাতিৰে উত্তীৰ্ণ জিলাখনৰ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়।

# বন্যহস্তীৰ সন্ত্ৰাসৰ বাবে মৰঙিত ছন পৰি

*১২ পৃষ্ঠাৰ পৰা* অধিক বিঘা কৃষিভূমি ছন পৰি ৰৈছে। যি সময়ত মৰঙি মৌজাৰ সৰ্বসাধাৰণ ৰাইজে খেতি কৰি ভঁৰালৰ এবস্তা ধান বিক্ৰী কৰিলেহে তাৰ টকাৰে লৰা-ছোৱালীক স্কুল-কলেজলৈ পঠাব পাৰে, চাইকেল এখন কিনি দিব পাৰে, প্ৰয়োজনীয় সামগ্ৰী কিনি দিয়ে, এবস্তা ধান বিক্ৰী কৰিহে ৰুগীয়া মাক-দেউতাকৰ চিকিৎসা কৰাই, এমুঠি ভাত মুকলি হয় কিন্তু এতিয়া এনে অৱস্থাত এই মানুহখিনিৰ পৰিয়ালৰ অৱস্থা কিমান দুৰ্যোগৰ মাজত আবদ্ধ হৈ আছে সেয়া গোলাঘাট জিলা প্ৰশাসন, বন বিভাগৰ লগতে চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষই অনুধাৱন কৰা উচিত বুলি মন্তব্য কৰে। কাৰোবাৰ ঘৰ ভঙা, মানুহ মৰা, হাতীৰ মৃত্যু মুঠতে অঞ্চলটোত এই ঘটনাবোৰ এতিয়া নিত্য নৈমিত্তিক ঘটনালৈ পৰিণত হৈছে। উল্লেখ্য যে বৃহত্তৰ মৰঙি অঞ্চলটোত এই বৰ্ষত বৰ্তমানলৈকে প্ৰায় দুহেজাৰৰো অধিক পৰিয়ালৰ ঘৰ ভাঙিছে। এই পৰিয়ালসমূহৰ ভিতৰতে বহু পৰিয়ালে এতিয়া সৰ্বস্বান্ত হৈ মাত্ৰ এখন চালিৰ তলত বসবাস কৰিব লগা হৈছে। কিন্তু, অতি পৰিতাপৰ কথা যে এই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহে বাৰম্বাৰ বিভাগীয় কৰ্তৃপক্ষক আবেদন-নিবেদন কৰাৰ পাছতো বিভাগীয় কৰ্তৃপক্ষই ক্ষতিপূৰণ দিয়া হ'ব বুলি মাথোঁ আবেদন লোৱাতে সামৰে। কোনো দুৰ্ভগীয়া পৰিয়ালে ক্ষতিপূৰণ অথবা সাহায্য আজি পৰ্যন্ত পোৱা নাই বুলি উল্লেখ কৰি বন্যহস্তীয়ে খেতিপথাৰ নষ্ট কৰা বা ঘৰ ভাঙি তহিলং কৰাৰ বাবদ অহা ক্ষতিপূৰণৰ টকাসমূহ কাৰ পকেটলৈ যায় বুলি বন বিভাগ তথা চৰকাৰক প্ৰশ্ন কৰে।

আনহাতে, যোৱা ২০২১-২২ত বৰ্তমানলৈকে সমগ্ৰ অঞ্চলটোত হাতীৰ আক্ৰমণত ২১ জন ব্যক্তিৰ মৃত্যু হৈছে। একেদৰে ২০২২ত হাতীৰো মৃত্যু হৈছে প্ৰায় ছটাৰো অধিক। গতিকে অঞ্চলটোত হাতী-মানুহৰ সংঘাতৰ দৈনিক হোৱা ঘটনাত কোনোবা এদিন হাতী মৰিছে, কোনোবা এদিন আকৌ মানুহ মৰিছে। বন্যপ্ৰাণী আৰু মানুহৰ সংঘাতৰ ইমান ভয়াবহ ৰূপ লোৱাৰ পাছতো বৰ্তমানলৈকে গোলাঘাট জিলা প্ৰশাসন, বন বিভাগ, অসম চৰকাৰৰ বিভাগীয় মন্ত্ৰী লগতে স্থানীয় সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে ৰাইজৰ সমস্যা সমাধানৰ বাবে কোনো গুৰুত্ব দিয়া নাই। বৰঞ্চ ৰাইজৰ টকাৰে দৰমহা খোৱা এই বিষয়াসকল আৰু জনপ্ৰতিনিধিজন এতিয়া কুম্ভকৰ্ণৰ নিদ্ৰাত শুই আছে বুলি ছাত্ৰ মুক্তিয়ে অভিযোগ উত্থাপন কৰে। লগতে গগৈয়ে কয় যে স্থানীয় বিধায়ক ফুকনে বিগত বিধানসভা নিৰ্বাচনৰ সময়ত সৰুপথাৰ সমষ্টিৰ বৃহৎ অংশ মৰঙি অঞ্চল য'ত প্ৰায় এক লাখ পাঁচ হেজাৰৰো অধিক ভোটাৰ আছে। এই অঞ্চলটোৰ ৰাইজক দিয়া মূল প্ৰতিশ্ৰুতিটোৱে আছিল হাতী-মানুহৰ সংঘাতৰ সমস্যাৰ পৰা ৰাইজক পৰিত্ৰাণ দিয়া। কিন্তু নিৰ্বাচনত জয়ী হোৱাৰ পাছত এই সমস্যা সমাধান পাছৰে কথা সমষ্টিটোৰ বিধায়ক হিচাপে ৰাইজৰ দুৰ্দশাৰ বুজ ল'বলৈও আহৰি নাই ফুকনৰ। লগতে বিধায়কজনে মৰঙি অঞ্চলৰ মূল সমস্যা হাতী-মানুহৰ সংঘাতৰ সমস্যাক লৈ কিয় বিধানসভাত এষাৰো মাত নামাতে বুলিও গগৈয়ে প্ৰশ্ন উত্থাপন কৰে।

ইপিনে, সংবাদমেলযোগে সংগঠনটোৱে বন্যহস্তীৰ সন্ত্ৰাসৰ ফলত যিসকল পৰিয়ালে জীৱিকা হেৰুৱাইছে বিশেষকৈ সেইসকলৰ বাবে জিলা কৃষি বিভাগ, মীন বিভাগ আৰু পশুপালন বিভাগে আঁচনি গ্ৰহণ কৰি সৰ্বস্বান্ত হোৱা মানুহখিনিক জীৱিকাৰ পথ দিবলৈ দাবী জনায়। বন্যহস্তীৰ সন্ত্ৰাসৰ ফলত বাধ্যত পৰি খেতি কৰিব নোৱাৰা হোৱা ২০ হেজাৰৰো অধিক বিঘা কৃষিভূমিৰ গৰাকী প্ৰতিজন কৃষকক প্ৰতি বিঘা মাটিত অতি কমেও ১৫,০০০ টকাকৈ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগে লগতে যিসকল পৰিয়ালৰ ঘৰ ভাঙিছে, ঘৰৰ আচবাব ভাঙিছে সেই সমূহ পৰিয়ালকো অতি কমেও তিনি লাখ টকাৰ ক্ষতিপূৰণ দিবৰ বাবে সংগঠনটোৱে চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষৰ লগতে বিশেষকৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনাইছে। চৰকাৰী ক্ষতিপূৰণৰ লগতে মৰঙি মৌজাত অৱস্থিত নুমলীগড় শোধনাগাৰ আৰু শোধনাগাৰৰ নগৰাঞ্চল যি ঠাইত স্থাপিত; সেই ঠাই বনৰীয়া হাতীৰ আৱাসস্থল হিচাপে চিহ্নিত হৈ আহিছিল। শোধনাগাৰ স্থাপনৰ পাছতেই নুমলীগড় শোধনাগাৰ অৱস্থিত বৃহত্তৰ মৰঙি মৌজাৰ লগতে সমগ্ৰ গোলাঘাট জিলাত হাতী-মানুহৰ সংঘাত তুংগত উঠিল। বনৰীয়া হাতীৰ বাবেই কৃষকে মুঠেই খেতি কৰিব নোৱাৰা এটা পৰ্যায় পালেগৈ। গতিকে নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষই বন্যহস্তীৰ সন্ত্ৰাসত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ বাবে বিশেষ আঁচনি প্ৰস্তুত কৰিব লাগে আৰু অতি কমেও ৩০ শতাংশ কেৱল শোধনাগাৰৰ সমীপৱৰ্তী বৃহত্তৰ মৰঙি অঞ্চলৰ কৃষক আৰু গোলাঘাট জিলাৰ কৃষকৰ ক্ষতিপূৰণৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হওক বুলি দাবী জনায়। সংবাদমেলত ছাত্ৰ মুক্তিয়ে বন্যহস্তীৰ উপদ্ৰৱ আৰু হস্তী-মানুহৰ সংঘাত ৰোধ কৰিবৰ বাবে গোলাঘাট জিলাৰ বন বিভাগ তথা অসম চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষক বহুকেইটা গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰা পৰিলক্ষিত হয়। এই দাবীসমূহ বন্যহস্তীৰ পৰম্পৰাগত হস্তীদণ্ডিসমূহ বন বিভাগৰ দ্বাৰা চিনাক্ত কৰি নামফলকৰ ব্যৱস্থা কৰিব লাগে লগতে হাতীৰ দণ্ডিসমূহ সকলো সময়তে মুক্ত কৰি ৰাখি বাধাহীনভাৱে হাতীৰ অহা-যোৱা কৰাৰ সুবিধা কৰি দিব লাগে। হাতীৰ দণ্ডিবিলাকত সৌৰশক্তি চালিত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰিব লাগে। হাতীৰ সমস্যাৰ অন্যতম সমস্যা ৰূপে চিহ্নিত হৈছে চৰকাৰী ভূমিত জধে-মধে গঢ়ি উঠা চাহ বাগিচা, বিভিন্ন প্ৰতিষ্ঠান আৰু উদ্যোগৰ ফলত আগতে যিসমূহ স্থানত জিৰণি লৈছিল বা বিচৰণ কৰিছিল সেই ঠাইসমূহ এতিয়া নোহোৱা হ'ল। গতিকে মৰঙি মৌজাৰ চৰকাৰী পতিত ভূমি, বিশেষকৈ চাহ বাহিচাসমূহৰ আশে- পাশে হাতীৰ উপযোগী খাদ্য যেনে কলগছ, ডিমৰু, ঔটেঙা, বাঁহ, উদ্ভিদজাতীয় শস্য ৰোপণ কৰিব লাগে লগতে বনানীকৰণ কৰি তুলিব লাগে।

# গমাৰিগুৰি সমবায় সমিতিৰ নিৰ্বাচনত বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত বিজেপি মিত্ৰজোঁট

**অগ্ৰদূত বাৰ্তা**


**ফৰকাটিং, ১৯ আগষ্ট ঃ** গোলাঘাট জিলা খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অন্তৰ্গত গমাৰিগুৰি সমবায় সমিতিৰ নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ ১৪ জন সঞ্চালক মণ্ডলীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। উল্লেখ্য যে বিজেপি মিত্ৰজোঁটৰ সঞ্চালক মণ্ডলীয়ে মনোনয়ন দাখিল কৰাৰ বিপৰীতে বিৰোধী পক্ষৰ পৰা কোনো মনোনয়ন পত্ৰ দাখিল নকৰাত মিত্ৰজোঁটৰ প্ৰাৰ্থীসকল বিজয়ী বুলি নিৰ্বাচিত কৰে। এই ১৪ সঞ্চালক মণ্ডলীৰ মাজৰ পৰা তপোবন বৰাক সভাপতি হিচাপে নিৰ্বাচিত কৰে। কালি নৱনিৰ্বাচিত সমিতিখনে বিভাগীয় বিষয়াসকলৰ উপস্থিতিত কাৰ্যভাৰ গ্ৰহণ কৰে।

# অৱসৰপ্ৰাপ্ত কৰ্মচাৰী গিৰীন্দ্ৰ প্ৰসাদ লহকৰৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**শিঙৰী, ১৯ আগষ্ট ঃ** ঢেকিয়াজুলি নগৰৰ এক নম্বৰ ৱাৰ্ড নিবাসী সমবায় বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, সমাজকৰ্মী গিৰীন্দ্ৰ প্ৰসাদ লহকৰ (৭৬)ৰ যোৱা নিশা নিজ বাসগৃহত মৃত্যু হয়। দুৰাৰোগ্য ৰোগত আক্ৰান্ত লহকৰে চিকিৎসকৰ পৰামৰ্শ লৈ নিজ গৃহতে চিকিৎসা গ্ৰহণ কৰিছিল। তেওঁ ঢেকিয়াজুলি শাখা চৰকাৰী পেঞ্চনাৰ সন্থাৰ সক্ৰিয় সদস্য আছিল। স্থানীয় নামঘৰ পৰিচালনা সমিতিৰ লগতে ইয়াৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত তেওঁ জড়িত আছিল। তেওঁৰ বিয়োগত ঢেকিয়াজুলি শাখা চৰকাৰী পেঞ্চনাৰ সন্থা, ঢেকিয়াজুলি মহকুমা নাগৰিক মঞ্চ, নামঘৰ পৰিচালনা সমিতিৰ লগতে এক নম্বৰ ৱাৰ্ডৰ ৰাইজে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ মৃত্যুৰ সময়ত পত্নীসহ, কন্যা-জোঁৱাই, ভতিজা-ভতিজী, বোৱাৰী, নাতি-নাতিনীসহ বহু আত্মীয়ক এৰি যায়।

# অৱসৰপ্ৰাপ্ত শিক্ষক, মোহন চন্দ্ৰ শইকীয়াৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৯ আগষ্ট ঃ** হাজো সমষ্টিৰ কঞাঁ বৰপূল্লা গাঁও পঞ্চায়তৰ অন্তৰ্গত পূৰ্ণখুমদুম নিবাসী তথা পশ্চিম বড়িগোগ লহকৰপাৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক মোহন চন্দ্ৰ শইকীয়া(৮৯)ৰ আজি দুপৰীয়া নিজ বাসভৱনত মৃত্যু হয়। তেওঁ ১৯৯৫ত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। জীৱিত কালত শইকীয়াই শিক্ষকতাৰ দায়িত্ব নিয়াৰিকৈ পালন কৰাৰ সমান্তৰালভাৱে বিভিন্ন ধৰ্মীয় আৰু সামাজিক কাম-কাজত জড়িত হৈ আছিল। তেওঁ একৰাহে কে'বাবছৰো ধৰি পুৰ্নখুমদুম গাঁও পৰিচালনা সমিতিৰ সভাপতি, সম্পাদকৰ দায়িত্ব নিয়াৰিকৈ চলাইছিল। ইয়াৰ উপৰি পুৰ্ণখুমদুম গাঁৰৰ কালীমন্দিৰ প্ৰতিষ্ঠা কালৰ সভাপতি, ডিঙৱা বাসন্তী পূজামণ্ডপৰ কে'বাবাৰো গুৰুদায়িত্ব বহন কৰাৰ লগতে সমগ্ৰ পশ্চিম বড়িগোগ মৌজাৰ প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠান আৰু শিক্ষানুষ্ঠান প্ৰতিষ্ঠাত ইতিবাচক ভূমিকা লৈছিল। আজি তেওঁৰ মৃত্যুত পুৰ্ণখুমদুম গাঁও উন্নয়ন সমিতি, পশ্চিম বড়িগোগ লহকৰপাৰা হাইস্কুল, পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়, পশ্চিম বড়িগোগ আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, উত্তৰ হাজো জ্যেষ্ঠ নাগৰিক মঞ্চ, পশ্চিম বড়িগোগ শাখা সাহিত্য সভা, পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থা আদি কৰি অসংখ্য দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ চাৰি পুত্ৰ, এগৰাকী কন্যা সন্তানৰ লগতে গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# সুদক্ষ অভিনেতা উপেন দাসৰ মৃত্যুত শোক



**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১৯ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ গাঁৰৰ নিবাসী, তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা অভিনেতা উপেন দাস (৬০)ৰ আজি পুৱা মৃত্যু হয়। মধুমেহ আৰু বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ নিজ বাসগৃহত মৃত্যু হোৱা শিল্পীগৰাকীয়ে মহাপুৰুষীয়া নাট ভাওনাত নাৰদৰ চৰিত্ৰত অভিনয় কৰি জিলা আৰু ৰাজ্যিক পৰ্যায়ত শ্ৰেষ্ঠ শিল্পীৰ সন্মান বুটলিবলৈও সক্ষম হৈছে। ছয় মাহৰ পূৰ্বে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা দাস শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ধ্ৰুৱজ্যোতি প্ৰাথমিক শাখাৰ এজন একনিষ্ঠ সেৱক আছিল। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকা শিল্পীগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে তেওঁৰ বাসগৃহত অনেক গুণমুগ্ধই আহি ভিৰ কৰাৰ লগতে শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জনায়। শিল্পীগৰাকীৰ মৃত্যুত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ধ্ৰুৱজ্যোতি শাখা, শিৱসাগৰ আঞ্চলিক শাখা, ৰূপহী প্ৰাথমিক, স্বেচ্ছাসেৱী অনুষ্ঠান কলগ্ধুপাৰ, পৃথিৱী, একশৰণ ভাগৱতী সমাজৰ শিৱসাগৰ জিলা শাখা, জিলা কৈৱৰ্ত ছাত্ৰ সন্থা, ৰুদ্ৰসাগৰ আঞ্চলিক কৈৱৰ্ত ছাত্ৰ সন্থা, নামদাং বৰনামঘৰ পৰিচালনা সমিতি, শ্ৰীশ্ৰীপ্ৰসিদ্ধ চন্দ্ৰ দেৱ মন্দিৰ আদি অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে। কৈৱৰ্ত ছাত্ৰ সন্থাৰ ৰুদ্ৰসাগৰ আঞ্চলিক সমিতিৰ সম্পাদক মাধৱ দাসৰ পিতৃ তথা শিল্পীগৰাকীয়ে মৃত্যুৰ সময়ত পত্নীসহ দুজন পুত্ৰ-বোৱাৰী, এগৰাকী কন্যা আৰু নাতি-নাতিনীকে ধৰি বহুতো আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# ৰাইজে জব্দ কৰা চোৰাং বালিৰ ট্ৰেক্টৰ খণ্ড বন বিষয়াই মোকলাই দিয়াক কেন্দ্ৰ কৰি মৰনৈত উত্তপ্ত পৰিস্থিতি

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৯ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ মৰনৈস্থিত বায়'টেক কোম্পানীৰ কামৰ বাবে অনা দুনকৈ চোৰাং বালিৰ ট্ৰেক্টৰ ৰাইজে জব্দ কৰাৰ পাছত স্থানীয় ডুবাপাৰা বন খণ্ডৰ বিষয়া জিতেন তালুকদাৰে মোকলাই দিয়াক কেন্দ্ৰ কৰি অঞ্চলটোত আজি আবেলি তিনি বজাত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অভিযোগ অনুসৰি বন খণ্ড বিষয়াজনে গোপন বুজাবুজি কৰি অসাধু চক্ৰই চালানবিহীনভাৱে মৰনৈস্থিত মাটিয়া উদ্যোগ বিকাশ কেন্দ্ৰ চৌহদত নিৰ্মাণ হৈ থকা বায়'টেক আৰু গুলচান পলিউলছ লিমিটেডৰ কামৰ বাবে বালি সৰবৰাহ কৰাটো এক পৰম্পৰাত পৰিণত হৈছে । এই সন্দৰ্ভত স্থানীয় ৰাইজে বন বিষয়াজন বাৰে বাৰে অভিযোগ দিয়াৰ পাছতো কোনো ধৰণৰ সুফল পোৱা নাই। সেয়েহে আজি আবেলি উদ্যোগ নিৰ্মাণৰ কামৰ বাবে চালান বিহীনভাৱে দুখনকৈ ট্ৰেক্টৰেৰে বালি সৰবৰাহ কৰাৰ সময়তে ৰাইজে জব্দ কৰি গোৱালপাৰাৰ বনাঞ্চলিক বিষয়াক খবৰ দিয়ে। পাছত ঘটনাস্থলীত উপস্থিত হৈ ডুবাপাৰা বন খণ্ডৰ বিষয়া জিতেন তালুকদাৰে চোৰাং বালিখিনি ৰাস্তাৰ কাষতে পেলাই ট্ৰেক্টৰ দুখন যাবলৈ দিয়ে। এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় । একাংশ উত্তেজিত ৰাইজে খণ্ড বন বিষয়াজনক জবাবদিহি কৰে। উল্লেখ্য যে বিভাগীয় বিষয়া-কৰ্মচাৰীৰ ছত্ৰছায়াত অসাধু চক্ৰই অঞ্চলটোত চোৰাং বালি, মাটি, কাঠ আদিৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। বিশেষকৈ মৰনৈস্থিত মাটিয়া উদ্যোগ বিকাশ কেন্দ্ৰ চৌহদত বিভিন্ন কোম্পানীৰ নিৰ্মাণ কাৰ্যত ৰাজহ ফাকিৰে শিল, বালি, মাটি, ছেণ্ডগ্ৰেভেল আদি সৰবৰাহ কৰি থকা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। কিন্তু বিভাগীয় কৰ্তৃপক্ষত বিহিত ব্যৱস্থা গ্ৰহণৰ পৰিৱৰ্তে অসাধু চক্ৰটোক ৰক্ষণাবেক্ষণ দিয়া বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। শিল-বালি-মাটিৰ চোৰাং কাৰবাৰ চলাৰ ফলত এফালে চৰকাৰে লাখ লাখ টকাৰ ৰাজহ হেৰুৱাই আহিছে যদিও আনফালে একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে নিজৰ নিজৰ পকেট গৰম কৰিবলৈ সক্ষম হোৱা বুলি ৰাইজৰ মাজত সৰৱ চৰ্চা চলিছে। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে জিলা উপায়ুক্তক দাবী জনাইছে সচেতন ৰাইজে।

# লাহৰীঘাটৰ গ্ৰামাঞ্চলত সুলভ হৈ পৰিছে নিষিদ্ধ ড্ৰাগছ

## ■ আৰক্ষীৰ অভিযান সত্ত্বেও অব্যাহত আছে ড্ৰাগছৰ সৰবৰাহ ■ ক্ৰমে বৃদ্ধি পাইছে ড্ৰাগছ আসক্তৰ সংখ্যা


**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ১৯ আগষ্ট ঃ** মৰিগাঁও জিলাৰ বৃহত্তৰ লাহৰীঘাট আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত ড্ৰাগছ আসক্ত যুৱকৰ সংখ্যা ক্ৰমে বৃদ্ধি পাই অহাৰ অভিযোগ উঠিছে। যুৱ প্ৰজন্মৰ বাবে অভিশাপ স্বৰূপ তথা তিলতিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়া মাৰাত্মক ড্ৰাগছে ছানি ধৰিছে লাহৰীঘাট, তিনিচুকীয়া, ঢেঙাগুৰি আদি কৰি বিভিন্ন অঞ্চলসমূহত। মূল বজাৰৰ পৰা আৰম্ভ কৰি গ্ৰামাঞ্চললৈকে সকলোতে সুলভ হৈ পৰিছে ড্ৰাগছ। নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে ৰাজ্যৰ আন প্ৰান্তৰ লগতে লাহৰীঘাটতো আৰক্ষীয়ে চলোৱা কঠোৰ অভিযানক লৈ ৰাইজৰ মাজত গভীৰ সন্তুষ্টি পৰিলক্ষিত হৈছে যদিও লাহৰীঘাট অঞ্চলৰ চোকে কোনে এতিয়াও মাৰাত্মক ড্ৰাগছৰ ৰমৰমীয়া বেহা চলি থকাৰ অভিযোগ উঠিছে। উল্লেখ্য যে নিষিদ্ধ হেৰ'ইন, ব্ৰাউন ছুগাৰ নিচাজাতীয় দ্ৰব্যৰ সৰবৰাহকাৰী এই বৃহৎ চক্ৰটো ইমানেই শক্তিশালী যে আজিলৈকে চক্ৰটোৰ মূল অপৰাধীসকলক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই বুলি সচেতন ৰাইজে মত প্ৰকাশ কৰে। যাৰ ফলত অঞ্চলসমূহত দ্ৰুতগতিত বৃদ্ধি পাইছে ড্ৰাগছ আসক্ত যুৱকৰ সংখ্যা। অৱশ্যে যোৱা কেইটামাহত লাহৰীঘাট আৰু বৰচলা আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছৰ ঘাটি উচ্ছেদ কৰাৰ লগতে ড্ৰাগছসহ বহু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ লগে লগে ড্ৰাগছ ব্যৱসায়ীসকলে পূৰ্বৰ সকলো নীতি-নিয়ম সলনি কৰি নতুন কৌশলেৰে চলাই গৈছে ড্ৰাগছৰ বেহা। এই মাৰাত্মক ড্ৰাগছৰ বেহা চলি থকাৰ বাবেই বৰ্তমান লাহৰীঘাট অঞ্চলত একাংশ ড্ৰাগছ আসক্ত যুৱকে ড্ৰাগছ ক্ৰয়ৰ ধন নাপাই বিভিন্ন অসামাজিক কাৰ্যত লিপ্ত হোৱাৰ অভিযোগ উঠিছে। বহু কিশোৰ-যুৱকে বিভিন্ন অপৰাধজনিত কাৰ্যত লিপ্ত হোৱাৰ মূল কাৰণটো হৈছে ড্ৰাগছ লোৱাৰ বাবে ধনৰ অভাৱ। বিশেষ সূত্ৰে জানিব পৰা মতে, বহিঃৰাজ্যৰ একাংশ শক্তিশালী লোকৰ পৃষ্ঠপোষকতাত অঞ্চলটোত গঢ়ি উঠিছে মাৰাত্মক ড্ৰাগছৰ বিশাল বজাৰখন। সেয়ে আৰক্ষী প্ৰশাসনে এই অসাধু ব্যৱসায়ীসকলৰ বিৰুদ্ধে আৰু অধিক কঠোৰ স্থিতি গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে।

# যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত 'অসম মিলেট মিছন'ৰ সজাগতা সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৯ আগষ্ট ঃ** যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত জিলাখনৰ কৃষি চক্ৰসমূহত অসম চৰকাৰৰ অন্যতম অভিলাষী আঁচনি 'অসম মিলেট মিছন' সম্পৰ্কীয় সজাগতা সভা অনুষ্ঠিত হৈ আছে। জিলাখনত ইতিমধ্যে সাতখন এনে সভা অনুষ্ঠিত হৈছে। উল্লেখ্য যে মানৱ দেহৰ পৰিপুষ্টিত তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰা মিলেট বা কণীধানৰ খেতিয়ে সাম্প্ৰতিক সময়ত বিশেষ গুৰুত্ব লাভ কৰিছে। ইপিনে, ২০২৩টো সমগ্ৰ বিশ্বতে 'আন্তঃৰাষ্ট্ৰীয় মিলেট মিছন' হিচাপে ঘোষণা কৰা হৈছে। অসমৰ মাটি আৰু জলবায়ু কণীধানৰ খেতিৰ বাবে উত্তম। যোৱা ১৭ আগষ্টত পূব যোৰহাট আৰু কলিয়াপানী উন্নয়ন খণ্ডৰ অন্তৰ্গত টীয়ক, চেলেংহাট আৰু নকছাৰী কৃষি উন্নয়ন খণ্ডৰ উদ্যোগী কৃষকসকলৰ মাজত ন নম্বৰ বলমা গাঁও পঞ্চায়তৰ কাৰ্যালয়ত 'অসম মিলেট মিছন'ৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত যোৰহাট জিলা কৃষি বিষয়া ড° নিতুমণি গগৈ, যোৰহাট আৰু মাজুলী জিলাৰ 'অসম মিলেট মিছন'ৰ নডেল বিষয়া ড° পৰাগজ্যোতি শইকীয়া, বলমা গাঁও পঞ্চায়তৰ সভাপতি প্ৰদীপ বৰুৱা, নকছাৰী কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া ৰূপম কাকতি, চেলেংহাট কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া পৃথ্বিৰাজ পেগু, যোৰহাট জিলা কৃষি বিভাগৰ মিডিয়া বিশেষজ্ঞ আভা ভৰালী, খণ্ড প্ৰযুক্তি প্ৰৱন্ধক জাহ্নৱী বৰা, সহকাৰী কৃষি পৰিদৰ্শক অতুল শৰ্মা, দিগন্ত শইকীয়া আৰু ললিত টাইদ উপস্থিত থাকে। টীয়ক, নকছাৰী আৰু চেলেংহাট অঞ্চলৰ যথেষ্ট সংখ্যক প্ৰগতিশীল কৃষকৰ উপস্থিতিত অনুষ্ঠিত সভাখনত মিলেট খেতিৰ জৰিয়তে জনসাধাৰণ উপকৃত হ'ব পৰা সকলো বিষয় আলোচনা কৰা হয়। আনহাতে, কালি যোৰহাট আৰু মাজুলী জিলা কৃষি বিভাগৰ তৎপৰতাত 'অসম মিলেট মিছন' সন্দৰ্ভত যোৰহাট জিলাৰ উত্তৰ-পশ্চিম উন্নয়ন খণ্ডৰ অন্তৰ্গত এলেংমৰা কৃষি চক্ৰৰ কলবাৰী কেন্দ্ৰত এটি সজাগতা শিবিৰ অনুষ্ঠিত হয়। নকছাৰী কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া ৰূপম কাকতি, এলেংমৰা কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া উৎপল ভূঞা, যোৰহাট জিলা কৃষি বিভাগৰ মিডিয়া বিশেষজ্ঞ আভা ভৰালী, ধনখুলৈ অঞ্চলৰ কৃষি সম্প্ৰসাৰণ সহায়ক তহিদুৰ ৰহমান নেওগ আৰু কনিষ্ঠ বৈজ্ঞানিক সহায়ক (মাটি) ৰাজীৱ শৰ্মাৰ উপস্থিতিত আয়োজিত সজাগতা শিবিৰত উদ্যোগী মহিলা তথা কাঠফুলা কৃষক ৰেখামণি দেউৰী আৰু অঞ্চলটোৰ ভালেসংখ্যক কৃষকক মিলেট উৎপাদনৰ পদ্ধতিৰ বিষয়ে সজাগ কৰা হয়। সভা দুখনত মিলেটক লৈ কৃষকসকল আগ্ৰহী হোৱা পৰিলক্ষিত হয়।



# গুৱাহাটীৰ মেচত ড্ৰ খেলিলে দিল্লী-কেৰালা ব্লাষ্টাৰ্ছে

## ১৩১সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবলৰ কলকাতাত ডিফেণ্ডিং চেম্পিয়ন এফচি গোৱাৰ জয়



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৯ আগষ্ট ঃ** চলিত ঐতিহ্যমণ্ডিত ১৩১সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আজি গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত নৈশালোকত অনুষ্ঠিত হোৱা গ্ৰুপ 'ডি'ৰ মেচখনত ১-১ গ'লত ড্ৰ খেলি পইণ্ট ভগাই লয় কেৰালা ব্লাষ্টাৰ্ছ এফচি আৰু সুডেবা দিল্লী এফচিয়ে। উভয় দলে আজি প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰে। খেলৰ ৪২ মিনিটত কেৰালা ব্লাষ্টাৰ্ছক প্ৰথমে অগ্ৰগতি দিয়ে মহম্মদ অছালে তীব্ৰ শ্বটৰে গ'ল কৰি, কিন্তু এই অগ্ৰগতি থাকে মাত্ৰ তিনি মিনিট। খেলৰ ৪৫ মিনিটত প্ৰত্যাৱৰ্তন কৰে দিল্লী এফচিয়ে। সতীৰ্থৰ পৰা বল লাভ কৰি মাংচং কুকিয়ে গ'ল কৰি মেচত সমতা স্থাপন কৰিবলৈ সক্ষম হয়। বিৰতিলৈ মেচ এই ব্যৱধানেৰে সমাপ্ত হয়। দ্বিতীয়াৰ্ধৰ্ত উভয় দলে গ'ল কৰাৰ চেষ্টা কৰিও সফল নহ'ল। গৰমৰ বাবে কাৰ্যতঃ ভাগৰি পৰে দুয়ো দলৰ খেলুৱৈ।

উল্লেখ্য যে কেৰালা ব্লাষ্টাৰ্ছে নিজৰ দ্বিতীয় মেচখন অহা ২৩ আগষ্টত প্ৰতিযোগিতাত চমকপ্ৰদ অভিযান আৰম্ভ কৰা ওড়িছা এফচিৰ বিৰুদ্ধে খেলিব। সেইদৰে দিল্লী এফচিয়ে অহা ২৫ আগষ্টত পৰৱৰ্তী মেচত মুখামুখি হ'ব আৰ্মি গ্ৰীণ দলৰ। গ্ৰুপ 'ডি'ৰ এই মেচ দুখন গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিক্‌ছ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ইফালে, আজি কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগণত অনুষ্ঠিত হোৱা দিনটোৰ প্ৰথমখন মেচত বিগত বৰ্ষৰ চেম্পিয়ন এফচি গোৱাই ১-০ গ'লত ভাৰতীয় বায়ু সেনাৰ দলক হৰুৱাই প্ৰতিযোগিতাত প্ৰথম বিজয় সাব্যস্ত কৰে। গ্ৰুপ 'এ'ৰ মেচখনত গোৱাৰ হৈ খেলৰ আঠ মিনিটত বিজয়সূচক গ'লটো দিয়ে মহম্মদ নমিলে। ইয়াৰ পূৰ্বে প্ৰথমখন মেচত গোৱা পৰাস্ত হৈছিল মহমেদান স্প'ৰ্টিঙৰ বিৰুদ্ধে। উক্ত মেচতো নমিলে প্ৰথমেই গ'ল দিছিল যদিও জয়লাভত ব্যৰ্থ হৈছিল গোৱা দল। এফচি গোৱাই নিজৰ তৃতীয় মেচত অহা ২৬ আগষ্টত কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত জামছেদপুৰ এফচিৰ মুখামুখি হোৱাৰ বিপৰীতে আজি প্ৰথম মেচ খেলা ভাৰতীয় বায়ু সেনা দলে অহা ২৩ আগষ্টত বাংগালুৰু এফচিৰ বিৰুদ্ধে পৰৱৰ্তী মেচখন খেলিব। এই মেচখন কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগণত অনুষ্ঠিত হ'ব।

প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া প্ৰথমখন মেচত চেন্নাইয়ান এফচিয়ে খেলিব আৰ্মি ৰেড দলৰ বিৰুদ্ধে। গ্ৰুপ 'চি' ৰ এই মেচখন দিনৰ তিনি বজাত ইম্ফলৰ খুমান লাম্পক ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ইফালে, দ্বিতীয় মেচখন নিশা ছয় বজাৰ পৰা কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত অনুষ্ঠিত হ'ব। গ্ৰুপ 'বি'ৰ এই মেচখনত এটিকে মোহন বাগানে খেলিব ৰাজস্থান ইউনাইটেড এফচিৰ বিৰুদ্ধে। উল্লেখ্য যে কাইলৈ চাৰিওটা দলে প্ৰতিযোগিতাৰ প্ৰথম মেচত অংশ ল'ব।

## নগাঁৱৰ নুৰুল আমিন ষ্টেডিয়ামত নষ্টালজিক হ'ল 'অৰ্জুন' হিমা দাস

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৯ আগষ্ট ঃ** নগাঁও জিলা আৰক্ষীৰ উদ্যোগত প্ৰয়াত আৰক্ষী উপ পৰিদৰ্শক সমুজ্জ্বল কাকতি সোঁৱৰণী নগাঁও জিলা আন্তঃআৰক্ষী নিৰেশ ফুটবল প্ৰতিযোগিতাৰ আজি চূড়ান্ত খেলখন উপভোগ কৰিবলৈ সন্মানীয় অতিথিৰূপে আমন্ত্ৰিত হৈ আহে আন্তৰ্জাতিক খ্যাতিসম্পন্ন খেলুৱৈ তথা উপ-আৰক্ষী অধীক্ষক হিমা দাস। জিলাখনৰ জাজৰি আৰক্ষী নিৰেশ ফুটবল দল আৰু ৰূপহীহাট আৰক্ষী নিৰেশ ফুটবল দলৰ মাজত অনুষ্ঠিত হৈছিল চূড়ান্ত খেলখন। খেলখনত ৰূপহীহাট আৰক্ষী নিৰেশ দলটোৱে জাজৰি আৰক্ষী নিৰেশ দলক ২-০ গ'লত পৰাজিত কৰি বিজয়ী খিতাপ অৰ্জন কৰে। ৰাৰ্ণাছআপ দলটোলৈ আগবঢ়োৱা হয় প্ৰয়াত আৰক্ষী ৰাজীৱ বৰদলৈ সোঁৱৰণী বঁটা। দীৰ্ঘদিনৰ বিৰতিৰ পাছত নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত উপস্থিত হৈ আন্তৰ্জাতিক খ্যাতিসম্পন্ন খেলুৱৈ হিমাই এইখন ষ্টেডিয়ামৰ পৰা খেলৰ জৰিয়তে জীৱন আৰম্ভ হৈছে বুলি কোৱাৰ লগতে অসম আৰক্ষীক আগলৈ এনেধৰণৰ ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ অনুৰোধ জনায়। ষ্টেডিয়ামখনক লৈ কিবা পৰিকল্পনা আছে নে বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত প্ৰথমতে নিজে প্ৰতিষ্ঠিত হৈ লওঁ বুলি 'অৰ্জুন' বঁটাপ্ৰাপক হিমাই গুৰুত্বপূৰ্ণ মন্তব্য কৰে। হিমাই নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক প্লাৱন বৰুৱাৰ স'তে ক্ৰীড়াৰ বিভিন্ন দিশ সামৰি মত-বিনিময়ো কৰে। আজিৰ খেলখনৰ সামৰণি অনুষ্ঠানত আৰক্ষী উপ-মহাপৰিদৰ্শক সত্যৰাজ হাজৰিকা আৰু নগাঁও জিলা আৰক্ষী অধীক্ষক লীনা দলেকে প্ৰমুখ্য কৰি আৰক্ষী বিভাগৰ কে'বাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। ৰূপহীহাট আৰক্ষী নিৰেশৰ দলটোৰ ছাদিকুল ইছলামে সৰ্বোচ্চ গ'লদাতা আৰু প্ৰজ্ঞান গগৈয়ে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে।



## তিনি শতাধিক প্ৰতিযোগীৰে তেজপুৰত ২৫সংখ্যক ৰাজ্যিক যোগ ক্ৰীড়া আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৯ আগষ্ট ঃ** 'এই পৃথিৱী এক ক্ৰীড়াংগন। ক্ৰীড়া হ'ল শান্তিৰ প্ৰাংগন।' শীৰ্ষক ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই তেজপুৰতে ৰচনা কৰা এই গীতৰ মাজত আজি ৰাজ্যখনৰ তিনি শতাধিক যোগ ক্ৰীড়াৰ প্ৰতিযোগীয়ে মুখৰিত কৰি তোলে তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰ প্ৰাংগণ। অসম ৰাজ্যিক যোগ সন্থাৰ ২৫সংখ্যক ৰাজ্যিক যোগ ক্ৰীড়া প্ৰতিযোগিতা আজিৰে পৰা তিনিদিনীয়াকৈ তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰত অনুষ্ঠিত হৈছে। শোণিতপুৰ জিলা যোগ সন্থাৰ উদ্যোগত অনুষ্ঠিত এই প্ৰতিযোগিতা আজি পুৱা আৰম্ভ হয় ৰাজ্যিক সন্থা আৰু জিলা সন্থাৰ দুখনকৈ পতাকা উত্তোলনৰে। ৰাজ্যিক সভাপতি তপন কুমাৰ দাস আৰু জিলা সন্থাৰ সভাপতি নীলকান্ত শৰ্মাৰ দ্বাৰা পতাকা উত্তোলনৰ পাছতেই যি দুজন লোকৰ সোঁৱৰণত প্ৰতিযোগিতাৰ মূল মঞ্চ উছৰ্গা কৰা হৈছে হেমন্ত কুমাৰ বৰুৱা আৰু জীৱন চন্দ্ৰ শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে সহধৰ্মিণী হিমাদ্ৰী বৰুৱা আৰু মিনু শৰ্মাই। ইয়াৰ পাছতেই সংগীত শিল্পী মনোজ নাথৰ পৰিচালনাত শোণিতপুৰ জিলা যোগ সন্থাৰ সদস্যাসকলে পৰিবেশন কৰে 'এই পৃথিৱী এক ক্ৰীড়াংগন' শীৰ্ষক গীত। উদ্‌যাপন সমিতিৰ প্ৰচাৰ উপ-সমিতিৰ সভাপতি পংকজ বৰুৱাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰা অসম চৰকাৰৰ ছাত্ৰ ক্ৰীড়া কল্যাণ উপদেষ্টা পৰিষদৰ সদস্য সচিব গীতাৰ্থ গোস্বামীয়ে আন অতিথিসকলৰ স'তে বন্তি প্ৰজ্বলন কৰাৰ পাছত নিজৰ ভাষণত অসম চৰকাৰে তেওঁৰ ওপৰত অৰ্পণ কৰা দায়িত্ব সূচাৰুৰূপে পালন কৰিবলৈ চেষ্টা চলাইছে বুলি মন্তব্য কৰি তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উঠি অহা প্ৰজন্মৰ মাজত এক সুস্থ ক্ৰীড়াৰ পৰিৱেশ সৃষ্টি কৰি যিকোনো ক্ৰীড়াতেই অসমৰ সন্তানসকলক পাৰদৰ্শী কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰে সকলো সহযোগিতা আগবঢ়াবলৈ সংকল্পবদ্ধ বুলি মন্তব্য কৰি যোগ ক্ৰীড়াৰ বাবেও সকলো সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আয়োজক সমিতিৰ সম্পাদক তথা শোণিতপুৰ জিলা যোগ সন্থাৰ সম্পাদক নমিতা লহকৰে আদৰণি ভাষণ প্ৰদান কৰাৰ লগতে শোণিতপুৰ জিলা ক্ৰীড়া বিষয়া খনীন্দ্ৰ মুদৈয়ে ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই জিলাখনলৈ সকলো প্ৰতিযোগীক আদৰণি জনাই সমগ্ৰ বিশ্বতে এতিয়া যোগাসন এক বিশেষ ক্ৰীড়াত পৰিণত হৈছে বুলি মন্তব্য কৰে। আনহাতে, শৰীৰ চৰ্চাৰ মিষ্টাৰ ইণ্ডিয়া বিজিৎ গগৈয়ো উপস্থিত থকা আৰু তিনিটি শিশুৱে আকৰ্ষণীয় যোগ কলা প্ৰদৰ্শন কৰা উদ্বোধনী অনুষ্ঠানটিত অসম অলিম্পিক সন্থাৰ উপ-সভাপতি তথা অসম চৰকাৰৰ এমট্ৰনৰ উপাধ্যক্ষ ঋতুবৰণ শৰ্মাই সাম্প্ৰতিক সময়ত যোগ ক্ৰীড়াৰ গুৰুত্ব প্ৰসংগত আলোকপাত কৰি অসমৰ লগতে তেজপুৰৰ পৰা বিগত সময়ত যোগ ক্ৰীড়া প্ৰতিযোগিতাত ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰাৰ উদাহৰণ দাঙি ধৰি চৰকাৰে যোগ ক্ৰীড়াৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ প্ৰসংগ উত্থাপন কৰে। অসম যোগ সন্থাৰ সভাপতি তপন কুমাৰ দাসে ভাষণ প্ৰসংগত যোগ ক্ৰীড়াৰ ক্ষেত্ৰত অসমে কেনেদৰে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে তাৰ উদাহৰণ দাঙি ধৰি এই ক্ৰীড়াৰ আন্তঃগাঁথনিৰ বহু তথ্য দাঙি ধৰে। অনুষ্ঠানটিত তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই সকলো প্ৰতিযোগীক তেজপুৰলৈ আদৰণি জনাই শোণিতপুৰ জিলা যোগ সন্থাই জিলাখনত যোগ ক্ৰীড়াৰ এক সুস্থ পৰিৱেশ দাঙি ধৰাই নহয়, যোগ ক্ৰীড়াৰ বিকাশ আৰু উত্তৰণৰ বাবে যথেষ্ট কাম কৰিছে বুলি মন্তব্য কৰে। উদ্বোধনী অনুষ্ঠানতেই পশ্চিমবংগ নিবাসী যোগ ক্ৰীড়াৰ চাৰি ৰাষ্ট্ৰীয় ৰেফাৰী মাণিক প্ৰধান, শ্যামল কুমাৰ দত্ত, সুব্ৰত সৰকাৰ আৰু চয়ন মল্লিকক সন্মান জনোৱাৰ পাছত আজিৰ প্ৰথম দিনটোৰ প্ৰতিযোগিতা আৰম্ভ কৰে ৰাজ্যিক সম্পাদক প্ৰভাত চন্দ্ৰ বৰাই।



## দক্ষিণ আফ্ৰিকাৰ বিপক্ষে ইনিংছ পৰাজয় ইংলণ্ডৰ

**নিউজ ব্যুৰ'**

**লণ্ডন, ১৯ আগষ্ট ঃ** ইংলণ্ডৰ বিপক্ষে শৃংখলাৰ প্ৰথম টেষ্টত তিনিদিনতে বিজয় সাব্যস্ত কৰিলে দক্ষিণ আফ্ৰিকাই। আজি ভ্ৰমণকাৰী দলটোৱে বলিং বিভাগৰ দুৰ্দান্ত প্ৰদৰ্শনৰ সূত্ৰে ইংলণ্ডক এক ইনিংছ আৰু ১২ ৰাণত পৰাজিত কৰে। আজি ইংলণ্ডৰ দ্বিতীয় ইনিংছ মাত্ৰ ১৪৯ ৰাণতে সমাপ্ত হয়।

প্ৰথম ইনিংছত ঘৰুৱা দলটোৱে ১৬৫ ৰাণ সংগ্ৰহ কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই কালি সাত উইকেটত ২৮৯ ৰাণ কৰিছিল। আজি দলটোৰ প্ৰথম ইনিংছ ৩২৬ ৰাণত সমাপ্ত হোৱাত ১৬১ ৰাণৰ অগ্ৰগতি অৰ্জন কৰে। আজি দক্ষিণ আফ্ৰিকাৰ স্ক'ৰ তিনিশ অতিক্ৰম কৰাত অৱদান যোগাই নিম্নক্ৰমৰ বেটাৰ মাৰ্কো জেনছেনে অপৰাজিত ৪৮ আৰু এনৰিখ ন'ৰ্খিয়াই ২৮ ৰাণ কৰে। ইফালে, দ্বিতীয় ইনিংছ আৰম্ভ কৰিয়েই ইংলণ্ড বিপদত পৰে। দলটোৱে আৰম্ভণিৰে পৰাই নিৰ্দিষ্ট ব্যৱধানত উইকেট হেৰুৱায়। দলৰ হৈ যৌথভাৱে সৰ্বাধিক ৩৫ ৰাণ সংগ্ৰহ কৰে এলেক্স লীচ আৰু ষ্টুৱাৰ্ট ব্ৰডে। দক্ষিণ আফ্ৰিকাৰ ন'ৰ্খিয়াই তিনিটা তথা কাছিগো ৰাবাডা, জেনছেন আৰু কেশৱ মহাৰাজে দুটাকৈ উইকেট দখল কৰে।

## চিনচিনাটি অপেন টেনিছৰ কোৱাৰ্টাৰ ফাইনেলত মেডভেডেভ

### প্ৰতিযোগিতাৰ পৰা বিদায় ছুৱাইটেক-ৰাডুকানু



**নিউজ ব্যুৰ'**

**চিনচিনাটি, ১৯ আগষ্ট ঃ** বিশ্বৰ এক নম্বৰ পুৰুষ টেনিছ খেলুৱৈ ডানিল মেডভেডেভ চিনচিনাটি অপেন টেনিছৰ কোৱাৰ্টাৰ ফাইনেলত উপনীত হৈছে। কালিৰ খেলত ৰুছ তাৰকাজনে ডেনিছ শ্বাপ'ভাল'ভক ৭-৫, ৭-৫ ছেটত পৰাজিত কৰে। তৃতীয় বাছনিপ্ৰাপ্ত কাৰ্লোছ আলকাৰাজে প্ৰাক্তন ইউ এছ অপেন চেম্পিয়ন মেৰিন চিলিচক ৭-৬ (৭/৪), ৬-১ ছেটত পৰাজিত কৰে। ষষ্ঠ বাছনিৰ ৰুছ খেলুৱৈ আন্দ্ৰি ৰুবলেভ টেইলৰ ফ্ৰিৎজৰ বিপক্ষে পৰাজিত হয়। ইপিনে, মহিলাৰ এক নম্বৰ খেলুৱৈ ইগা ছুৱাইটেক আৰু ইউ এছ চেম্পিয়ন এমা ৰাডুকানুৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ পৰাই বিদায় ল'লে। পূৰ্বৰ দুটা ৰাউণ্ডত ছেৰেণা উইলিয়ামছ আৰু ভিক্টোৰিয়া আজাৰেংকাৰ দৰে তাৰকাক পৰাজিত কৰা ৰাডুকানুক কালিৰ খেলত আমেৰিকাৰ জেছিকা পেগুলাই ৭-৫, ৬-৪ ছেটত পৰাজিত কৰে। আনহাতে, আমেৰিকাৰ মেডিছন কেইজে বিশ্বৰ এক নম্বৰ খেলুৱৈ ছুৱাইটেকক ৬-৩, ৬-৪ ছেটত হৰুৱাই অঘটন ঘটায়।

## মধুকুছি সংস্কাৰ সংঘৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ১৯ আগষ্ট ঃ** ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ৰঙিয়া মহাবিদ্যালয় খেলপথাৰত চলি থকা 'বি' ডিভিজন ফুটবল লীগৰ আজিৰ খেলত মধুকুছি সংস্কাৰ সংঘই ৰঙিয়া বৰলীয়া ক্লাবক ২ -১ গ'লত পৰাস্ত কৰি তিনি পইন্ট লাভ কৰে। আজিৰ উত্তেজনাপূৰ্ণ খেলখনত বৰলীয়া ক্লাবৰ খেলুৱৈসকলে গ'ল পৰিশোধ কৰাৰ বাবে আপ্ৰাণ চেষ্টা কৰিও যদিও অৱশেষত বিফল হয়। খেলখন পৰিচালনা কৰে ৰেফাৰী হাৰেজুৰ ৰহমান, দীপক বুজৰবৰুৱা, জয়ন্ত মাধৱ দাস আৰু পহৰেদ আলী আহমেদে। কাইলৈৰ খেলত জাপিয়া এফচিয়ে ৰঙিয়া এফচিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

## ৰাষ্ট্ৰীয় কাৰাটেত অসমৰ খিতাপ দখল

### পদক বিজয়ীক উৰিয়ামঘাটত দল-সংগঠনৰ বিপুল আদৰণি

**অগ্ৰদূত বাৰ্তা**

**উৰিয়ামঘাট, ১৯ আগষ্ট ঃ** হিমাচল প্ৰদেশৰ ছিমলাত অনুষ্ঠিত ৰাষ্ট্ৰীয় কাৰাটে চেম্পিয়নশ্বিপত সোণসহ মুঠ আঠটা পদক অৰ্জন কৰিবলৈ সক্ষম হয় উৰিয়ামঘাট শান্তিপুৰ উশ্বু ক্লাবৰ খেলুৱৈসকলে। যোৱা ১৩-১৪ আগষ্টত ছিমলাত অনুষ্ঠিত এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰাটে প্ৰতিযোগিতাত অসমৰ হৈ অংশগ্ৰহণ কৰি উৰিয়ামঘাটৰ ৩৯ কেজি শাখাত প্ৰিয়া পুঁৱাৰ মগৰে আৰু ৫২ কেজি শাখাত শীলা ৰায়ে স্বৰ্ণপদক, ৰাজ পুলামী মগৰ, তুলসী পিঠাকতে মগৰ, কল্যাণী তুৰুং, বিজয় বিশ্বাসে ৰূপৰ আৰু দীপ চাহ আৰু ৰাজনীশ শ্বাহে ব্ৰঞ্জৰ পদক অৰ্জন কৰি গৌৰৱ কঢ়িয়াই আনে। আজি ৰেলযোগে আহি স্ব-গৃহত উপস্থিত হোৱা পদক বিজয়ী খেলুৱৈসকলক উৰিয়ামঘাট বেচৰকাৰী বাছ আস্থানত স্থানীয় ৰাইজ আৰু সদৌ অসম মগৰ সংঘ, সদৌ অসম ভোজপুৰী সন্থা, উৰিয়ামঘাট প্ৰেছ ক্লাব আৰু বিভিন্ন দল-সংগঠনে বিপুলভাৱে আদৰণি জনায়। ভিতৰুৱা অঞ্চলটোৰ পৰা ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰি পদক জয় কৰা কাৰ্যত উৎফুল্লিত হৈ পৰিছে অঞ্চলবাসী। উল্লেখ্য যে ২৪জনীয়া অসমৰ দলটোৱে এই প্ৰতিযোগিতাত দেশৰ ভিতৰতে শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়।



## জৌংলাউৰী-ছিপাঝাৰৰ জয়

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৯ আগষ্ট ঃ** মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা দুখনকৈ ফুটবল লীগৰ চপাই নেহৰু ময়দানত অনুষ্ঠিত ছুপাৰ ডিভিজন ফুটবল লীগৰ মেচখনত মুদৈবড়ী জৌংলাউৰী ক্লাবে শান্তিপুৰ সংঘক ২-১ গ'লত পৰাজিত কৰি অগ্ৰগতি লাভ কৰিছে। মুদৈবড়ীৰ হৈ গ'ল কৰে গোৱিন্দ বড়ো আৰু মিণ্টু বড়োৱে। আনহাতে, শান্তিপুৰৰ হৈ গ'ল দিয়ে গকুল বড়োৱে। ইপিনে, বিদ্যাপীঠ হাইস্কুল খেলপথাৰত আজি অনুষ্ঠিত 'এ' ডিভিজন ফুটবল লীগৰ মেচত ছিপাঝাৰ আঞ্চলিক ক্ৰীড়া সন্থাই দলগাঁও আঞ্চলিক ক্ৰীড়া সন্থাক ৫-১ গ'লত পৰাজিত কৰে। ছিপাঝাৰৰ হৈ সুমিত আলম, জিতুপৰ্ণ শিৰম আৰু কমলজ্যোতি নাথে এটাকৈ তথা উদিত কুমাৰ ডেকাই দুটা গ'ল দিয়ে। বানেশ্বৰ বড়োৱে দলগাঁৱৰ হৈ একমাত্ৰ গ'লটো দিয়ে।

## উৱেফা চেম্পিয়ন্‌ছ লীগত ভাৰতৰ মহিলা ফুটবলাৰ

**নিউজ ব্যুৰ'**

**এংগমি (চাইপ্ৰাছ), ১৯ আগষ্ট ঃ** ইউৰোপ ফুটবলৰ অভিভাৱক সংস্থা উৱেফাৰ মহিলা চেম্পিয়ন্‌ছ লীগত খেলি নজিৰ স্থাপন কৰিলে ভাৰতৰ এগৰাকী মহিলা ফুটবলাৰ। উৱেফাৰ চেম্পিয়ন্‌ছ লীগত কোনো ক্লাবৰ হৈ খেলা ভাৰতৰ প্ৰথম ফুটবলাৰত পৰিগণিত হ'ল তৰুণী ষ্ট্ৰাইকাৰ মনীষা কল্যাণ। কালি তেওঁ চাইপ্ৰাছৰ এংগমিত এপ'ল'ন এফচিৰ হৈ ইউৰোপৰ মহিলাৰ শীৰ্ষ ক্লাব প্ৰতিযোগিতাখনত অভিষেক ঘটায়। চাইপ্ৰাছৰ ক্লাবটোৰ হৈ তেওঁ খেলৰ ৬০ মিনিটত পৰিৱৰ্ত খেলুৱৈৰূপে অৱতীৰ্ণ হয়। খেলখনত এপ'ল'নে লাটভিয়াৰ ক্লাব এছএফকে ৰিগাক ৩-০ গ'লত পৰাজিত কৰে। উল্লেখ্য যে বিদেশৰ ক্লাবত চুক্তিবদ্ধ হোৱা ২০ বছৰীয়া মনীষা হৈছে ভাৰতৰ চতুৰ্থ গৰাকী মহিলা ফুটবলাৰ। অৱশ্যে ভাৰতৰ কোনো পুৰুষ বা মহিলা ফুটবলাৰে এই পৰ্যন্ত চেম্পিয়ন্‌ছ লীগত খেলাৰ সুযোগ পোৱা নাই।

## বৰমা এফচি ছেমিফাইনেলত

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ১৯ আগষ্ট ঃ** বাগ্‌সা জিলাৰ খামাৰদৈছা লক্ষী বজাৰত এভাৰেষ্ট ক্লাবৰ উদ্যোগত চলি থকা প্ৰাইজমানি ফুটবলৰ ছেমিফাইনেলত উপনীত হৈছে বৰমা এফচি। আজিৰ এখন কোৱাৰ্টাৰ ফাইনেল খেলত বৰমাই ছানজাৰাং এফচিক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে।

## কিউৰেটৰ পৰীক্ষাত নলবাৰীৰ দুজন উত্তীৰ্ণ

**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৯ আগষ্ট ঃ** অসম ক্ৰিকেট সন্থাৰ তত্ত্বাৱধানত অসম ক্ৰিকেট সন্থাৰ ক্ৰিকেট একাডেমীৰ দ্বাৰা আয়োজিত কিউৰেটৰ কৰ্মশালাৰ জৰিয়তে অনুষ্ঠিত পৰীক্ষাত নলবাৰীৰ চন্দন হালৈয়ে প্ৰথম আৰু সঞ্জয় কুমাৰ ঠাকুৰে দ্বিতীয় স্থান লাভ কৰি জিলালৈ গৌৰৱ কঢ়িয়াই আনে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ মুখ্য কিউৰেটৰ আশীষ ভৌমিকৰ সঞ্চালনাত এই কৰ্মশালা আৰু পৰীক্ষা অনুষ্ঠিত হয়। এই সফলতাৰ বাবে নলবাৰী ক্ৰীড়া সন্থাৰ সভাপতি তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সাধাৰণ সম্পাদক বুবুল তালুকদাৰ লগতে সন্থাৰ বিষয়ববীয়াসকলে পৰীক্ষাৰ্থীদ্বয়ক অভিনন্দন জনায়।

## উলাবড়ীত নাওখেলত মিছ মৌচুমী চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৯ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰভাগৰ হিতসাধিনী পুথিভঁৰাল, উলাবড়ীৰ সৌজন্যত শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উপলক্ষে আজি অনুষ্ঠিত ৭৯সংখ্যক নাওখেল প্ৰতিযোগিতাত মুকালমুৱাৰ মিছ মৌচুমী নাওখনে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে। পাগলাদিয়া নদীৰ উলাবড়ী পাৰঘাটত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত বৰ্ণিৰ ৰাইজৰ আশীৰ্বাদ নাৱে দ্বিতীয় পুৰস্কাৰ লাভ কৰে। প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৭,০০১ টকাৰ লগতে পিতলৰ কলহ আৰু দ্বিতীয় পুৰস্কাৰ ৫,০০১ টকাসহ পিতলৰ কলহ দিয়া হয় বিজয়ী আৰু বিজিত দলক।




চিনচিনাটি অপেন টেনিছৰ খেলত এমা ৰাডুকানু, বৃহস্পতিবাৰে।

## থাইলেণ্ড কাৰাটেত অসমৰ পাঁচ খেলুৱৈ

**গুৱাহাটী, ১৯ আগষ্ট ঃ** থাইলেণ্ডৰ ফুকেট চহৰত অহা ২১-২৩ আগষ্টত অনুষ্ঠিত হ'ব থাইলেণ্ড মুকলি আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতা। কাৰাটে ইণ্ডিয়া অৰ্গেনাইজেছন (কিঅ')ৰ অধীনত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটোত অসমৰ পাঁচজন খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। নিৰ্বাচিত খেলুৱৈকেইজন হৈছে হেমফু বংজাং, সঞ্জয় দাস, বিকি ৰহমান, শ্বাহ নৱাজ আৰু অভিজিত শৰ্মা। তেওঁলোক আজি ফুকেটত উপস্থিত হৈছে। উল্লেখ্য যে ২৫খন দেশৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিবলগীয়া উক্ত আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত হেমফু আৰু সঞ্জয়ে জুনিয়ৰ শাখাত তথা বিকি, শ্বাহ নৱাজ আৰু অভিজিতে ছিনিয়ৰ শাখাত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি উকাৰ সাধাৰণ সম্পাদক নগেন বংজাঙে জনাইছে।

## মিছা মিলন সংঘৰ ফুটবল প্ৰতিযোগিতা



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১৯ আগষ্ট ঃ** পশ্চিম কলিয়াবৰ অঞ্চলৰ অগ্ৰণী ক্ৰীড়া-সাংস্কৃতিক অনুষ্ঠান মিছা আঞ্চলিক মিলন সংঘৰ উদ্যোগত ১৮ আগষ্টৰ পৰা স্থানীয় মিছা হাইস্কুল খেলপথাৰত অনুষ্ঠিত হৈছে সপ্তম বাৰ্ষিক গজেন্দ্ৰ নাথ বৰুৱা আৰু পুলিনা বৰুৱা সোঁৱৰণী চলন্ত কাপ ফুটবল প্ৰতিযোগিতা। প্ৰতিযোগিতাত কলিয়াবৰৰ মুঠ ২০টা দলে অংশগ্ৰহণ কৰিছে। প্ৰথম দিনা অনুষ্ঠিত খেলত বেঙেনাআটি জংচৰ আফাট দলে মিছা হাইস্কুল দলক ১-০ গ'লত পৰাস্ত কৰে। আজি অনুষ্ঠিত দ্বিতীয়খন খেলত পুৰণা চালনা দলে নিজৰি ট্ৰিংকল ক্লাবক ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। প্ৰতিযোগিতাৰ আৰম্ভণিতে মিছা আঞ্চলিক মিলন সংঘৰ পতাকা উত্তোলন কৰে খেল পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ বৰুৱাই। মিছা আঞ্চলিক মিলন সংঘৰ উপদেষ্টা ৰিপেন শৰ্মা, সভাপতি শিৱ উপাধ্যায়, সম্পাদক জগত মেধিকে ধৰি ভালেসংখ্যক লোক প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে।



প্ৰচণ্ড উত্তাপৰ মাজতে মহাবাহু ব্ৰহ্মপুত্ৰৰ এটি দৃশ্য, মহানগৰীত শুকুৰবাৰে।

### স্বীকৃত জনগোষ্ঠীয় ভাষাৰ প্ৰশ্নকাকত প্ৰস্তুতৰ পোষকতা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ

# অসম চৰকাৰৰ তৃতীয়-চতুৰ্থ বৰ্গৰ চাকৰি থলুৱাৰ বাবে এশ শতাংশ পদ সংৰক্ষণৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৯ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তি সন্দৰ্ভত অনুষ্ঠিত কৰিবলগীয়া আগন্তুক পৰীক্ষাৰ প্ৰশ্নকাকত হিন্দী ভাষাতো প্ৰকাশ কৰা সিদ্ধান্ত হঠকাৰী সিদ্ধান্ত বুলি অভিহিত কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। যি সময়ত অসমৰ লাখ লাখ শিক্ষিত নিবনুৱাই সংস্থাপনৰ কাৰণে হাবাথুৰি খাব লগাত পৰিছে তথা বৃহৎ সংখ্যক অসমৰ যুৱক-যুৱতীয়ে পেটৰ তাড়নাত ছিকিউৰিটি গাৰ্ড, চাফাই কৰ্মীৰ দৰে কাম কৰিবলৈ বহিঃৰাজ্যলৈ ঢাপলি মেলিবলগীয়া হৈছে সেই সময়তে বিজেপি চৰকাৰে হিন্দী বলয়ৰ বহিৰাগত চাকৰি প্ৰত্যাশীলৈ ৰঙা দলিচা পাৰি দিছে বুলি কৃষক মুক্তিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াই সদৰী কৰি কয় যে চৰকাৰৰ আগন্তুক নিযুক্তি প্ৰক্ৰিয়াত ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীৰ মাজত এক আশাৰ সঞ্চাৰ হৈছিল; কিন্তু অহা ২১, ২৮ আগষ্ট আৰু ১১ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া নিযুক্তি পৰীক্ষাত হিন্দী ভাষাত প্ৰশ্নকাকত সন্নিৱিষ্ট কৰি চৰকাৰে অসমৰ নিবনুৱাৰ দীৰ্ঘদিনীয়া সপোনক অনিশ্চয়তাৰ মাজলৈ ঠেলি দিলে। ৰাজ্যখনৰ তৃতীয় আৰু চতুৰ্থ বৰ্গত বিভিন্ন বিভাগৰ খালী হৈ থকা পদসমূহত নিযুক্তি লাভৰ বাবে প্ৰস্তুতি চলাই থকা লাখ লাখ অসমৰ নিবনুৱাৰ নিযুক্তিৰ পথ ৰুদ্ধ কৰি হঠাৎ পৰীক্ষাৰ প্ৰশ্নকাকত অসমীয়া আৰু সংবিধানৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত জনগোষ্ঠীয় ভাষাক অগ্ৰাধিকাৰ দিয়াৰ পৰিৱৰ্তে দিল্লীক সন্তুষ্ট কৰিবলৈ হিন্দী ভাষাক অগ্ৰাধিকাৰ দি ৰাজ্য চৰকাৰৰ চাকৰি কেইটাও বহিৰাগত যুৱক-যুৱতীৰ বাবে দুৱাৰ খুলি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি তেওঁ অভিযোগ তুলি এয়া কেৱল নিবনুৱাই নহয় অসম আৰু অসমীয়াৰ প্ৰতি চূড়ান্ত অন্যায় বুলি মন্তব্য কৰে। কৃষক নেতাজনে পুনৰ কয়, 'সাধাৰণতে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ পদসমূহ উচ্চ শিক্ষাৰ পৰা বঞ্চিত অথবা গ্ৰামাঞ্চলৰ বৃহৎ সংখ্যক নিবনুৱা যুৱক-যুৱতীৰ একমাত্ৰ নিযুক্তি লাভৰ স্থল। তেনে ক্ষেত্ৰত হিন্দী ভাষাক প্ৰাধান্য দি প্ৰশ্নকাকত প্ৰকাশৰে পাবলগীয়া চাকৰিকেইটাও অসমীয়াৰ হাতৰ পৰা কাঢ়ি নি বহিঃৰাজ্যৰ যুৱক-যুৱতীৰ বাবে সুবিধা কৰি দিয়া হৈছে। যি সময়ত জাতীয়-জনগোষ্ঠীয় দল-সংগঠন, বুদ্ধিজীৱী, ছাত্ৰ সমাজে অসম চৰকাৰৰ অধীনৰ বিশেষকৈ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিসমূহ এশ শতাংশ অসমৰ যুৱক-যুৱতীৰ বাবে সংৰক্ষণৰ দাবী উত্থাপন কৰি আহিছে, তেনে সময়তে চৰকাৰে গ্ৰহণ কৰা এনে হঠকাৰী আৰু অবিবেচক সিদ্ধান্তই অসমতে অসমীয়াক মেৰুদণ্ডহীন কৰিব তুলিব আৰু চৰকাৰৰ এনে অন্যায় কোনো কাৰণেতে সহ্য কৰা নহ'ব।' উল্লেখ্য যে বৰ্তমান সময়ত কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ অসমৰ চাকৰিসমূহ বহিৰাগতৰ দখলত, অসমৰ বজাৰ, বৃহৎ সংখ্যক ভূমি, চাহ বাগিচাকে ধৰি ৰাজ্যখনৰ প্ৰায়বোৰ গুৰুত্বপূৰ্ণ সম্পদ বহিৰাগতৰ অধীনত থকা সময়তে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিসমূহ যদি অসমৰ থলুৱা লোকসকলৰ বাবে সংৰক্ষিত নহয়, তেনেহ'লে অসমীয়া মানুহৰ হাতত একোৰেই নাথাকিব বুলি কৃষক মুক্তিৰ সাধাৰণ সম্পাদক শইকীয়াই মন্তব্য কৰে। কৰ্ণাটক, মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা আদি ৰাজ্যসমূহে তেওঁলোকৰ চৰকাৰৰ অধীনৰ চাকৰিসমূহ থলুৱা যুৱক-যুৱতীৰ বাবে সংৰক্ষণ কৰিবলৈ বিভিন্ন নীতি-নিয়ম প্ৰস্তুতিৰে শক্তিশালী ভূমিকা গ্ৰহণ কৰিছে, তেনেস্থলত বিজেপি নেতৃত্বাধীন অসম চৰকাৰৰ এনে সিদ্ধান্তই অসমীয়া জাতিৰ প্ৰতি ভয়ানক ভৱিষ্যতৰ ইংগিত বহন কৰিছে বুলি শইকীয়াই মন্তব্য কৰি আগন্তুক অনুষ্ঠিত হ'বলগীয়া তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ নিযুক্তি প্ৰক্ৰিয়াৰ প্ৰশ্নকাকতত হিন্দী ভাষা প্ৰত্যাহাৰ কৰি অসমীয়া তথা সাংবিধানিকভাৱে স্বীকৃতিপ্ৰাপ্ত জনগোষ্ঠীয় ভাষাসমূহ সন্নিৱিষ্ট কৰিবলৈ দাবী জনায়।

# বাংলাদেশৰ পৰা হাৱালাৰে অহা ধন অসমৰ এবিটিৰ সদস্যলৈ!

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৯ আগষ্ট ঃ** অসমত শেহতীয়াকৈ জেহাদী সংগঠন আনছাৰউল্লাহ বাংলা টীম (এবিটি)ৰ বাংলাদেশী নাগৰিকসহ কে'বাজনো সদস্য গ্ৰেপ্তাৰ হোৱাৰ বিপৰীতে আন কে'বাজনো পলাতক অৱস্থাত আছে। ধৃতসকলৰ কে'বাজনৰ পৰা উদ্ধাৰ কৰা তথ্যৰ ভিত্তিত সংগঠনটোৰে ইয়াৰ সদস্যসকলক প্ৰায় নিয়মীয়াকৈ ধন যোগান ধৰাটো নিশ্চিত কৰা হৈছে। এই ধন হাৱালাৰ মাধ্যমেৰে বাংলাদেশৰ পৰা অহা বুলি তদন্তকাৰী সংস্থাসমূহে আশংকা ব্যক্ত কৰিছে। ডিজিটেল ব্যৱস্থাৰে এবিটিৰ সদস্যৰ মাজত ধন বিতৰণৰ বিষয়টো অতি স্পষ্ট হৈছে বিলাসীপাৰাৰ পৰা গ্ৰেপ্তাৰ কৰা জহুৰা খাতুন নামৰ জেহাদত অভিযুক্ত মহিলাগৰাকীৰ জৰিয়তে। সাধাৰণভাৱে লিখা-পঢ়া জনা জহুৰা ম'বাইল ফোনৰ জৰিয়তে অত্যাধুনিক যোগাযোগ ব্যৱস্থাত অতি সিদ্ধহস্ত। জহুৰাৰ ফোনটো পৰীক্ষা কৰাত ধনৰ বৃহৎ লেন-দেনৰ উদ্বেগজনক তথ্য পোহৰলৈ অহা বুলি অসম আৰক্ষীৰ শীৰ্ষ সূত্ৰই সদৰী কৰে। ম'বাইল ফোনটো পৰীক্ষা কৰাত পোহৰলৈ আহে যে অতি উচ্চ প্ৰযুক্তিৰ কে'বাটাও এপছ মহিলাগৰাকীয়ে ব্যৱহাৰ কৰিছিল। তেনে এপ সাধাৰণতে গোপন বাৰ্তা বিনিময়ৰ ক্ষেত্ৰত ব্যৱহাৰ হয়। তদুপৰি ধনৰ লেনদেন কৰাও এপ সমান্তৰালভাৱে ব্যৱহাৰ কৰিছিল। সুৰক্ষাৰ বাবে তেনে এপ ব্যৱহাৰৰ পাছতে 'ডিলিট' কৰি প্ৰয়োজনৰ সময়ত পুনৰ 'ডাউনলোড' কৰিছিল। জহুৰাৰ ফোনটোৰ পৰাই সন্দেহযুক্ত বহু জেহাদীলৈ নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে ধন প্ৰেৰণ কৰা হৈছিল। এই সকলো কাম জহুৰাই নিজে কৰিছিল। জহুৰাই ধন যোগান ধৰা এনে কে'বাজনো লোকৰ তথ্য উদ্ধাৰ হৈছে যাৰ সন্ধান সম্প্ৰতি আৰক্ষীয়ে অব্যাহত ৰাখিছে। যিসকললৈ ধন প্ৰেৰণ কৰা হয়, তেওঁলোকেও সাধাৰণতে প্ৰচলিত এপছৰ জৰিয়তে ধন গ্ৰহণ নকৰে। তদুপৰি 'ডাৰ্ক নেট ব্যৱস্থা' এনে কাৰ্যত জড়িতসকলে ব্যৱহাৰ কৰাত সেইসকলক চিনাক্ত কৰি উলিওৱাটো তাৎক্ষণিকভাৱে সম্ভৱ নহয়। এই ব্যৱস্থা সাময়িকভাৱে তথা প্ৰয়োজন সময়তে অৱলম্বন কৰাটোৱেও চিনাক্তকৰণত জটিলতা আনিছে। ইপিনে, জহুৰা বেগমলৈ ক'ৰ পৰা এই ধন আহিছিল তাৰ অনুসন্ধান অব্যাহত আছে। জহুৰালৈ তেওঁৰ স্বামী পলাতক অভিযুক্ত জেহাদী আবু তাল্লাহৰ মাধ্যমেৰে ধন অহাটো আৰক্ষীয়ে নিশ্চিত কৰিছে। সন্দেহযুক্ত বাংলাদেশী নাগৰিক আবু তাল্লাহৰ আত্মগোপনৰ স্থানক লৈ পত্নী জহুৰাক জেৰা কৰা হৈছে যদিও তাৰ সঠিক উত্তৰ উদ্ধাৰ হোৱা নাই।

# শ্ৰীকৃষ্ণ জন্মাষ্টমী আৰু নন্দোৎসৱ-বোকাখেচা ভাওনা

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৯ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত পাতলৰচুক গাঁৱত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয় ২৬৭ সংখ্যক শ্ৰীকৃষ্ণ জন্মাষ্টমী আৰু নন্দোৎসৱ-বোকাখেচা ভাওনা। এই উদ্দেশ্যৰে আজি পুৱাৰে পৰা পাতলৰচুক গাঁৱলৈ ভক্তৰ লানি নিছিগা সোঁত। ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিয়ে পাতলৰচুক গাঁৱক কৰি তুলিছে বৈকুণ্ঠপুৰী। শ শ শৰাই শলিতা আগবঢ়াই ভক্তপ্ৰাণ ৰাইজে আশীৰ্বাদ লয় ভগৱন্তৰ।

# ভক্তপ্ৰাণ ৰাইজৰ আগমনত মুখৰিত বিৰহ বেবেজীয়াৰ পালনাম থান



**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৯ আগষ্ট ঃ** একশৰণ ভাগৱতী সমাজ অসমৰ নগাঁও জিলা শাখাৰ উদ্যোগত পবিত্ৰ ভাদ মাহ উপলক্ষে বিৰহ বেবেজীয়াস্থিত জিলা পালনাম থানত ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত হৰি নাম-কীৰ্তনৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে পালনাম থানৰ চৌহদ। মাহজোৰা প্ৰস্তুতিৰে আৰম্ভ হোৱা পবিত্ৰ ভাদ মাহৰ পহিলা দিনটোতে পুৱা চাৰি বজাত প্ৰাতঃপ্ৰসংগৰ পাছতে চাৰে সাত বজাত একশৰণ ভাগৱতী সমাজ, অসমৰ আচাৰ্য বালিৰাম দাস আতাই ধৰ্মধ্বজা উত্তোলনেৰে অনুষ্ঠানটি আৰম্ভ কৰে। তাৰ পাছতেই শৰাই অৰ্চন, খোল প্ৰসঙ্গ আদি অনুষ্ঠিত হয়। ১০ বজাত আচাৰ্য বালিৰাম দাস আতা আৰু উপাচাৰ্য মহীধৰ দাস আতাৰ নেতৃত্বত নামচাৰ্য হীৰেণ দাস আতা, নিৰ্মল দাস আতা আৰু সোমেশ্বৰ দাস আতাৰ সহযোগত বুঢ়া আতাসকলে ভকত-বৈষ্ণৱ, আই-মাতৃসৰৰ উপস্থিতিত পালনাম আৰম্ভ কৰে আৰু বিয়লি ৩ বজাত পালনামৰ সামৰণি পৰে। সন্ধিয়াৰ ভাগত পালনাম থানৰ কীৰ্তন গৃহত জপ আৰু সন্ধ্যা প্ৰসংগ, ভাগৱত পাঠ আদি হয়। একশৰণ ভাগৱতী সমাজৰ নগাঁও জিলা শাখাৰ সভাপতি ভুবনেশ্বৰ দাস আৰু সম্পাদক উমাকান্ত দাসে জানিবলৈ দিয়া মতে জিলাখনৰ ২২ খন আঞ্চলিকৰ পৰা ২১৮ খন প্ৰাথমিকৰ সেৱক-সেৱিকাসকলৰ সক্ৰিয় সহযোগত এইবাৰ পবিত্ৰ ভাদত প্ৰতিদিনে পালনাম, ভাগৱত পাঠ আদিৰে উদ্‌যাপিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। আৰম্ভণিৰ দিনা আচাৰ্য বালিৰাম দাস আতা, উপাচাৰ্য মহীধৰ দাস আতাৰ উপৰি একশৰণ ভাগৱতী সমাজ, অসমৰ প্ৰধান সচিব জীৱন কাকতি, জিলা উপ-সভাপতি পুষ্পেন্দ্ৰ দাস, কুজীডাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক পূৰ্ণকান্ত দাস প্ৰমুখ্যে কে'বাগৰাকী লোকেও ভাগ লয়।



তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদৰ নিযুক্তি পৰীক্ষা কেন্দ্ৰলৈ আৰক্ষী, মাজুলীত শুকুৰবাৰে।

# ধেমাজিত শুঁৰ পোকৰ উপদ্ৰৱ ঃ এনিশাত ২০ বিঘা বিনষ্ট কৰিলে ধান খেতি

### মূৰে কপালে হাত দিবলগীয়া হৈছে কৃষক নিৰ্লিপ্ত কৃষি বিভাগ

**ধেমাজি, ১৯ আগষ্ট ঃ** ধেমাজিত বানপানী আৰু খহনীয়াই শ শ কৃষিভূমি নিঃশেষ কৰাৰ সময়তে শুঁৰ পোকৰ উপদ্ৰৱৰ বৃদ্ধি। শুঁৰ পোকৰ ব্যাপক আক্ৰমণ ধেমাজি জিলাৰ গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত ন-নদী গোসাঁইবাৰীৰ বিস্তৃত পথাৰ। প্ৰকাণ্ড আকাৰৰ এই জাতীয় পোকে নিশা চলাই ভূঁই ৰোৱা অংকুৰিত গা-গছৰ ওপৰত গোপন আৰু তীব্ৰ আক্ৰমণ। যাৰ ফলত পাতল মটীয়া দুই-তিনি ইঞ্চিৰ এই পোকে এনিশাত চলাব পাৰে ২০ বিঘাৰ অধিক ভূঁই ৰোৱা মাটিত উপদ্ৰৱ। মূৰৰ ঘাম মাটিত পেলাই অধিক কষ্টৰে কৃষকে ধান খেতি চহোৱা পথাৰত শুঁৰ পোকৰ আক্ৰমণ চলোৱাত মূৰে কপালে হাত দিবলগীয়াত পৰিছে কৃষক ৰাইজ। মুঠৰ ওপৰত বানপানীৰ পাছতে ন-নদীৰ নিচে কাষতে থকা গোসাঁইবাৰী পথাৰত শুঁৰ পোকে বিৰাজ কৰিছে আতংক। শুঁৰ পোকৰ আতংকত চিন্তিত হৈ পৰিছে কৃষক ৰাইজ। এটা মূৰৰ পৰা তহিলং কৰি গৈছে গোগামুখ ৰাজহ চক্ৰৰ অধীনস্থ বহু হেক্টৰ কৃষিভূমি। শুঁৰ পোকৰ উপদ্ৰৱত হাহাকাৰ পৰিস্থিতি কৃষকৰ মাজত। কৃষি বিভাগে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে কৃষক ৰাইজে। এইক্ষেত্ৰত আজি একাংশ কৃষকে নিজাববীয়াকৈ ঔষধ দিয়াৰ ব্যৱস্থা কৰে যদিও কোনো ঔষধে কাম কৰা নাই বুলি উল্লেখ কৰে। ৰাইজে ধেমাজি জিলা প্ৰশাসন আৰু কৃষি বিভাগক শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে। অন্যথা এটা দিনতে শুঁৰ পোকৰ আক্ৰমণে বিস্তৃত অঞ্চল প্ৰসাৰিত হ'ব বুলি দোহাৰে ভুক্তভোগী কৃষকে।

# তেজপুৰ বিশ্ববিদ্যালয়ত ৯০ উৰ্ধ্বৰ আলোকচিত্ৰ শিল্পী নলিনীকান্ত বৰুৱাক সম্বৰ্ধনা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৯ আগষ্ট ঃ** বিশ্ব ফটোগ্ৰাফী দিৱসৰ আজিৰ দিনটোত তেজপুৰ বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগে বিভিন্ন কাৰ্যসূচীৰে বিশ্ব ফটোগ্ৰাফী দিৱস পালন কৰে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফটোগ্ৰাফী প্ৰতিযোগিতাৰ লগতে এখন ফটোগ্ৰাফী কৰ্মশালাৰ আয়োজন কৰা হয়। এই অনুষ্ঠানতে ৰাজ্যৰ স্বনামধন্য আলোকচিত্ৰ শিল্পী বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা অনুষ্ঠানত বিভাগীয় অধ্যাপক-অধ্যাপিকাসকলৰ লগতে বিশ্ববিদ্যালয়খনৰ উপ-কুলপতি অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্য আৰু পঞ্জীয়ক ড° বীৰেন দাসো উপস্থিত থাকে। অনুষ্ঠানৰ আদৰণী ভাষণ প্ৰদান কৰে অধ্যাপক অভিজিত বৰাই আৰু উদ্বোধনী ভাষণ আগবঢ়ায় বিভাগীয় মুৰব্বী অধ্যাপিকা জয়া চক্ৰৱৰ্তীয়ে। প্ৰতিষ্ঠিত ফটোগ্ৰাফাৰৰ লগতে লিটিল হেণ্ডছ প্ৰডাকচনৰ স্বত্বাধিকাৰী তথা বিভাগৰ প্ৰাক্তন ছাত্ৰ দীপাংকৰ ভাগৱতীক সম্বৰ্ধনা জনোৱা হয়।

ইয়াৰ পাছতে আৰম্ভ হয় ফটোগ্ৰাফী কৰ্মশালা। ইয়াত তেজপুৰ বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীকে ধৰি প্ৰায় ৭০ জনে অংশগ্ৰহণ কৰে। কৰ্মশালাৰ মাধ্যমেৰে ভাগৱতীয়ে ফটোগ্ৰাফীৰ বিভিন্ন কৌশলবোৰৰ আভাস দিবলৈ যত্ন কৰে। আনহাতে, শিল্পী নলিনী কান্ত বৰুৱাই বিভাগত আয়োজন কৰা আলোকচিত্ৰ প্ৰদৰ্শনী মুকলি কৰে। প্ৰদৰ্শনীত শতাধিক আলোকচিত্ৰৰ লগতে কেমেৰা তথা ফটোগ্ৰাফীৰ বৰ্ণিল যাত্ৰাক প্ৰতিনিধিত্ব কৰা 'আলোকচিত্ৰকৰ' নামৰ এখন প্ৰাচীৰ পত্ৰিকাও উন্মোচন কৰা হয়। শিল্পী বৰুৱাৰ সম্বৰ্ধনা অনুষ্ঠানত উপ-কুলপতি ভট্টাচাৰ্যই কয়, 'বৰুৱাৰ সান্নিধ্য পাই আমি সঁচাই ধন্য।' তেওঁ লগতে শিল্পী বৰুৱাৰ স'তে পূৰ্বে কটোৱা মুহূৰ্তসমূহৰ ৰোমন্থন কৰে। অনুষ্ঠানত ৯২ বছৰীয়া আলোকচিত্ৰ শিল্পী বৰুৱাই কয়, 'মোৰ জীৱনৰ শ্ৰেষ্ঠ ফটোখন এতিয়াও তোলা হোৱা নাই। সেইখন তোলাৰ আগতে মই নমৰো।' উল্লেখ্য যে প্ৰবীণ আলোকচিত্ৰ শিল্পী বৰুৱাই দেশ বিদেশত তেওঁৰ আলোকচিত্ৰৰ দ্বাৰা সুখ্যাতি অৰ্জন কৰি ৰাজ্যলৈ সুনাম কঢ়িয়াই আনিছে। তেওঁ ১৯৫৫ত ইণ্ডিয়া ইণ্টাৰ-নেশ্বন ফটোগ্ৰাফিক কাউঞ্চিলৰ বঁটা লাভ কৰে লগতে ১৯৮১ত ইটালীত অনুষ্ঠিত ইণ্টাৰনেছনেল কালাৰ শ্লাইড এক্সিবিজনত ক্লাব বঁটা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। বৰ্তমানেও সপ্ৰতিভ হৈ থকা আলোকচিত্ৰ শিল্পীজনে তেওঁৰ জীৱনৰ শ্ৰেষ্ঠতম আলোকচিত্ৰখনৰ সন্ধান অব্যাহত ৰাখিছে।

### একক অভিনয় প্ৰতিযোগিতা ঃ যুৱতী শিল্পীৰ দ্বাৰা 'শনিৰ প্ৰতিজ্ঞা পূৰণ, দুষ্মন্ত-শকুন্তলাৰ পুনৰ মিলন' নাট পৰিবেশন

# মাজুলীৰ প্ৰথম ৰংগমঞ্চ বংশীগোপাল নাট্য মন্দিৰৰ ১০৩ সংখ্যক প্ৰতিষ্ঠা দিৱস



**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৯ আগষ্ট ঃ** আজি পবিত্ৰ ভাদৰ শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী। এই পবিত্ৰ দিনটোৰ লগত ৰজাঘৰীয়া চাৰিসত্ৰৰ অন্যতম শ্ৰীশ্ৰীগড়মূৰ সত্ৰৰ এক ইতিহাস জড়িত হৈ আছে। এই পবিত্ৰ দিনটোত গড়মূৰীয় সত্ৰাধিকাৰ, সমাজ সংস্কাৰক শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীয়ে ১৯২০ত প্ৰতিষ্ঠা কৰিছিল মাজুলীৰ প্ৰথম আৰু অসমৰ চতুৰ্থখন ৰংগমঞ্চ। বহু ইতিহাসৰ সাক্ষী এই ৰংগমঞ্চৰ আজি ১০৩ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে শ্ৰীশ্ৰীপীতাম্বৰ দেৱ যুৱক কল্যাণ সংঘৰ সদস্যসকলে নাট্য মন্দিৰৰ প্ৰাংগণ, নামঘৰৰ চৌদিশ পৰিষ্কাৰ কৰে। তাৰ পাছত নাট্য মন্দিৰ প্ৰাংগণত বন্তি প্ৰজ্বলন আৰু পতাকা উত্তোলন কৰে গড়মূৰীয় সত্ৰাধিকাৰ পৰমানন্দ দেৱগোস্বামীয়ে। পতাকা উত্তোলন কৰি তেওঁ প্ৰবাদপুৰুষ সত্ৰাধিকাৰজনক স্মৰণ কৰি ইতিহাসে গৰকা নাট্য মন্দিৰৰ প্ৰতিষ্ঠাকালৰ সকলোকে সোঁৱৰণ কৰে। তাৰ পাছতে প্ৰবাদপুৰুষ সত্ৰাধিকাৰজনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ পাছত স্মৃতি তৰ্পণ কাৰ্যসূচী আৰম্ভ কৰে সত্ৰাধিকাৰজনে। তাৰ পাছতে ক্ৰম অনুসৰি স্মৃতি তৰ্পণ কৰে। দিনৰ এক বজাৰ পৰা প্ৰেক্ষাগৃহত মাজুলী ভিত্তিত একক অভিনয় প্ৰতিযোগিতা চিন্ময়ী বৰাৰ কৃষ্ণ নৃত্যৰে আৰম্ভ হয়। প্ৰতিযোগিতাত অৰ্ধশতাধিক ৬-১৪ বছৰৰ ল'ৰা-ছোৱালী উভয়ে গুৰুজনাৰ সৃষ্ট ভাওনাৰ বিভিন্ন নাটকৰ বিভিন্ন চৰিত্ৰ ৰূপায়ণ কৰি সকলোকে আমোদ দিয়ে।

প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত গৌতম সাৰথি (শকুনি)ক শান্তনু বৰুৱাই আগবঢ়োৱা শ্ৰীশ্ৰীকৃষ্ণচন্দ্ৰ দেৱগোস্বামী সোঁৱৰণী বঁটা, দ্বিতীয় প্ৰিয়াংশু শইকীয়া (হিৰণ্যকশিপু)ক ভৰেন শইকীয়াই আগবঢ়োৱা মুহিকান্ত শইকীয়া সোঁৱৰণী বঁটা, তৃতীয় অভিনৱ অৰ্জুন বৰুৱা (হিৰণাক্ষ্য)ক উৎপল কাকতিয়ে আগবঢ়োৱা প্ৰয়াত বিপিন কাকতি সোঁৱৰণী বঁটা, জীৱন চন্দ্ৰ ভূঞাই আগবঢ়োৱা প্ৰভা দেৱী ভূঞা সোঁৱৰণী উদগনিমূলক বঁটা টিংকু পায়েংক আৰু জীৱন চন্দ্ৰ ভূঞাই আগবঢ়োৱা প্ৰভা দেৱী ভূঞা সোঁৱৰণী বিচাৰকৰ বিশেষ বঁটা পুলক নেওগ (শ্ৰীকৃষ্ণ)ক নিশা যুৱতীসকলে পৰিবেশন কৰা নাট আৰম্ভৰ প্ৰাক্‌ক্ষণত এটি স্মাৰক, নগদ ধন আৰু চেলেং প্ৰদান কৰা হয়। বিচাৰক ক্ৰমে ৰঞ্জিত কুমাৰ ভূঞা আৰু পূৰ্ণানন্দ কলিতাই অভিনয়ৰ খুটিনাটি সন্দৰ্ভত প্ৰতিযোগীসকলক উদ্দেশি বক্তব্য দাঙি ধৰে।

নিশা পৰম্পৰা ৰক্ষা কৰি সত্ৰৰ যুৱতীসকলে 'শনিৰ প্ৰতিজ্ঞা পূৰণ, দুষ্মন্ত-শকুন্তলাৰ পুনৰ মিলন' নাট পৰিবেশন কৰে। সুন্দৰ অভিনয়েৰে যুৱতীসকলে নাটকৰ চৰিত্ৰসমূহ ৰূপায়ণ কৰি দৰ্শকক আমোদ দিবলৈ সক্ষম হয়। কাইলৈ নামঘৰত মহিলা কেন্দ্ৰিক পাচতী উৎসৱ অনুষ্ঠিত হ'ব। পাচতী উৎসৱত কুমাৰী ছোৱালীয়ে দধি-মঠনকে ধৰি পুতনা বধ, চক্ৰবাত বধৰ কাহিনী প্ৰদৰ্শন কৰাৰ লগতে আইসকলে কৃষ্ণ নাম পৰিবেশন কৰিব।



# নগাঁৱত বিশ্ব হিন্দু পৰিষদৰ উদ্যোগত জন্মাষ্টমী উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ আগষ্ট ঃ** বিশ্ব হিন্দু পৰিষদৰ নগাঁও জিলা শাখাৰ উদ্যোগত আজি শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী উৎসৱ আৰু বিশ্ব হিন্দু পৰিষদৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে নগাঁও চহৰৰ কৃষ্ণাশ্ৰম শিৱ মন্দিৰত উদ্‌যাপন কৰা হয়। পুৱা পৰিষদৰ নগাঁও জিলা শাখাৰ সভাপতি প্ৰদীপ কুমাৰ বৰাই ধৰ্মধ্বজা উত্তোলন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে। বিশ্ব হিন্দু পৰিষদৰ উত্তৰ-পূৰ্বাঞ্চলৰ যুটীয়া সম্পাদক ব্ৰজজ্যোতি শৰ্মা আৰু বিজেপি যুৱ মৰ্চাৰ নগাঁও জিলা সমিতিৰ সভাপতি সুন্দৰ শৰ্মাৰ নেতৃত্বত কাৰ্যকৰ্তাসকলে শ্ৰীমদ্ভাগৱত পৰিভ্ৰমণ আৰু শোভাযাত্ৰা উলিয়ায়। নগাঁও চহৰত পৰিভ্ৰমণ কৰা এই শোভাযাত্ৰাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছতেই শিশুৰ মাজত শ্ৰীকৃষ্ণৰ ভাওৰ প্ৰতিযোগিতা আৰু মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত বক্তাসকলে শ্ৰীকৃষ্ণৰ জীৱন দৰ্শন আৰু বিশ্ব হিন্দু পৰিষদৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে। অনুষ্ঠানত পৰিষদৰ নগাঁও জিলা শাখাৰ প্ৰাক্তন সভাপতি দীপেন পাঠকৰ লগতে ব্ৰজেন কাকতি আদিয়ে অংশগ্ৰহণ কৰে।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

### ভাদৰ প্ৰতিটো দিনত বিভিন্ন কাৰ্যসূচীৰ আয়োজন

# মহাপুৰুষ দুজনাৰ স্মৃতি বিজড়িত মধুপুৰ সত্ৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে জন্মাষ্টমী পালন

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ১৯ আগষ্ট ঃ** অসমৰ জাতীয় জীৱনত সমতা আৰু সংহতি সৃষ্টিৰ ক্ষেত্ৰত বৃহৎ অসমীয়া জাতিৰ পবিত্ৰ ভাদ মাহত মহাপুৰুষ দুজনাৰ অমিয়া সৃষ্টি ভাগৱত পাঠ, নাম-প্ৰসংগ, বৰগীত আৰু সত্ৰীয়া নৃত্যৰে কোচবিহাৰৰ মধুপুৰ সত্ৰৰ আকাশ-বতাহ মুখৰিত হৈ পৰিছে। প্ৰভাতী বন্দনাৰে প্ৰতিটো দিনৰ ধৰ্মীয় কাম-কাজ আৰম্ভ কৰা এই মধুপুৰ সত্ৰ মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ জ্ঞান-গৰিমা আৰু তেওঁলোকৰ অনুপম সৃষ্টি সমলেৰে পুনৰ ন-ৰূপত উদ্ভাসিত হৈ পৰিছে। অসমৰ কলা-সংস্কৃতিৰ গুৰি ধৰি ধৰ্ম, সমাজ, সাহিত্য, সংগীত আদি বিভিন্ন ক্ষেত্ৰত জাতীয় জীৱনক উন্নত আৰু মহীয়ান কৰা গুৰুদুজনাৰ সৃষ্টিৰাজি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বিভিন্ন ধৰণৰ প্ৰচেষ্টা চলি থকাৰ মাজতে পশ্চিমবংগৰ কোচবিহাৰ অঞ্চলত মহাপ্ৰয়াণ ঘটা মহাপুৰুষ শংকৰদেৱৰ স্মৃতি বিজড়িত ঐতিহাসিক মধুপুৰ সত্ৰত পহিলা ভাদৰ পৰাই ভাগৱত পাঠ, থিয়নাম, আয়তীৰ নাম, বৰগীত আদি পৰিৱেশনেৰে সত্ৰ চৌহদ বৈষ্ণৱ ধৰ্মৰ আলোকেৰে উজ্বলাই তোলা হৈছে। মধুপুৰ সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জনোৱা মতে আজি বৰ্ণাঢ্য আয়োজনেৰে সত্ৰ চৌহদত শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হয়। মধুপুৰ সত্ৰৰ স্থানীয় তদাৰক সমিতিৰ সম্পাদক ড° কেশৱানন্দ দাসৰ তত্ত্বাৱধানত সত্ৰৰ কীৰ্তনঘৰত পুৱা ভাগৱত পাঠ কৰাৰ লগতে আইসকলৰ নাম-প্ৰসংগ অনুষ্ঠিত হয়। সন্ধিয়াৰ পৰা মাজনিশালৈ ভকতসকলৰ থিয়নাম আৰু আইসকলৰ কৃষ্ণ বন্দনাৰে শ্ৰীকৃষ্ণৰ জন্মৰ পবিত্ৰক্ষণ অবিস্মৰণীয় কৰি ৰখাৰ বাবে সত্ৰ চৌহদত মধুপুৰ সত্ৰৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ শতাধিক বংগভাষী ভকত-বৈষ্ণৱ আৰু আইসকলে শংকৰী কলা-কৃষ্টি প্ৰদৰ্শন কৰে। সত্ৰীয়া সংস্কৃতি প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত উত্তৰবংগৰ বংগভাষী মহাপুৰুষ শংকৰদেৱৰ অনুৰাগীসকলৰ যোগদানে মহাপুৰুষ দুজনাই দেখুৱাই যোৱা শ্ৰেণীহীন আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ সন্মিলিত সমাজ এখনৰ এক সাৱলীল প্ৰতিচ্ছবি দাঙি ধৰিছে। সত্ৰ সমিতিয়ে জনোৱা মতে ভাদৰ প্ৰতিটো দিনত সত্ৰ চৌহদত বিভিন্ন ধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com